www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

অসম বার্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ঘৃণাৰে নিজক ভাৰাক্ৰান্ত কৰি নলাবা। তুমি ভৰাতকৈ ই অতি গধুৰ বোজা। — মেডাম দ্য চেভিন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

দ্বিতীয় বছৰ ❐ সংখ্যা- ৫৭ ❐ শনিবাৰ ❐ ৭ নৱেম্বৰ, ২০২৬ চন ❐ Volume/Year- II ❐ Issue- 57 ❐ Saturday ❐ 7th November, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

উচ্চতম ন্যায়ালয়ত ৩০ নৱেম্বৰত পৰৱর্তী শুনানি

পুনৰ স্থগিত শ্যামকানু-সিদ্ধাৰ্থৰ জামিন আৱেদন

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬ নৱেম্বৰ ঃ জুবিন গাৰ্গৰ মৃত্যুৰ গোটৰ দুই মুখ্য অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি উচ্চতম ন্যায়ালয়ে শুকুৱাৰে (৬ নৱেম্বৰ) স্থগিত ৰাখে। সহ-অভিযুক্ত অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গাৰ্গৰ সৈতে জড়িত বিষয়সমূহ শুনানিৰ বাবে গ্ৰহণ কৰিব নোৱাৰাৰ পাছত এই সিদ্ধান্ত লোৱা হয়। অসমৰ মহাধিবক্তা দেবজিৎ লন শইকীয়াই জনায় যে উচ্চতম ন্যায়ালয়ে এতিয়া ৩০ নৱেম্বৰত আটাইকেইখন আবেদনৰ একেলগে শুনানি গ্ৰহণ কৰিব। সংবাদ মাধ্যমৰ আগত মহাধিবক্তা দেবজিৎ লন শইকীয়াই কয় যে অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গাৰ্গক জামিন মঞ্জুৰ কৰা গুৱাহাটী উচ্চন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই অসম চৰকাৰে দাখিল কৰা আবেদনসমূহৰ সৈতেই শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি অনুষ্ঠিত হ'ব। তেওঁ লগতে কয় যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া দৈনিক ভিত্তিত চলি আছে বুলি ৰাজ্য ❐ ৬ পৃষ্ঠাত



মুখ্যমন্ত্ৰীৰ বাসগৃহ ঘেৰাওৰ ভাবুকি বিষয়টো আদালতলৈ নিয়াৰ চিন্তা

বড়ো জনগোষ্ঠীৰ সমস্যা, দাবী আৰু স্বার্থ সম্পর্কীয় বিষয়ত গুৰুত্ব

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাৰ সৈতে এবছুৰ বৈঠক

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৬ নৱেম্বৰ ঃ বড়ো জনগোষ্ঠীৰ বিভিন্ন সমস্যা, দাবী আৰু স্বার্থজড়িত বিষয়সমূহৰ সমাধানৰ লক্ষ্যৰে শুকুৱাৰে লোকসেৱা ভৱনত নিখিল বড়ো ছাত্ৰ সন্থা (ABSU)ৰ কেন্দ্ৰীয় সমিতিৰ বিষয়বীয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মা মিলিত হয়। বৈঠকত বড়ো শান্তি চুক্তিৰ ৰূপায়ণ, বিটিআৰ সীমা আয়োগ পুনৰ সক্ৰিয় কৰা, কার্বি আংলঙত বসবাস কৰা বড়ো লোকসকলৰ সমস্যা, বড়ো-কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ নির্বাচন, শোণিতপুৰ আৰু বিশ্বনাথ জিলাত বসবাস কৰা বড়ো লোকসকলৰ বন অধিকাৰ ❐ ৬ পৃষ্ঠাত



■ পৰীক্ষা আৰম্ভ হোৱাৰ ১০১ দিন পূৰ্বেই সময়সূচী প্ৰকাশ ■

১৬ ফেব্রুৱাৰীৰ পৰা দশম-দ্বাদশ শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষা



নেশ্যনেল ডেস্ক, অসম বার্তা, ৬ নৱেম্বৰ ঃ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ (CBSE)-এ শুকুৱাৰে ২০২৭ বর্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাৰ সময়সূচী বা তাৰিখপত্ৰ প্ৰকাশ কৰিছে। পৰিষদৰ ঘোষণা অনুসৰি ২০২৭ চনৰ ১৬ ফেব্রুৱাৰীৰ পৰা দুয়োটা শ্ৰেণীৰ পৰীক্ষা আৰম্ভ হ'ব আৰু দুয়োটা শ্ৰেণীৰ পৰীক্ষা পুৱা ১০.৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব। পৰিষদে ❐ ৬ পৃষ্ঠাত

শুনানিৰ সময়ত ১৬০জন সাক্ষীয়ে নাম লোৱা নাছিল অমৃতপ্ৰভা মহন্তৰ ঃ মুখ্যমন্ত্ৰী



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৬ নৱেম্বৰ ঃ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত প্ৰধান অভিযুক্ত দুজনক জামিন দিলে মুখ্যমন্ত্ৰীৰ বাসগৃহ ঘেৰাও কৰা হ'বলুলি এটা গোটে দিয়া ভাবুকিক গুৰুতৰ বিষয় বুলি অভিহিত কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাই। শুকুৱাৰে দিছুপৰত অনুষ্ঠিত সংবাদমেলত তেওঁ কয় যে এই ভাবুকিয়ে ❐ ৬ পৃষ্ঠাত

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰণৰ দলেৰ বিৰুদ্ধে এনএছএ গোচৰ খাৰিজ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬ নৱেম্বৰ ঃ ভূমি তথা মানৰ অধিকাৰ কর্মী প্ৰণৰ দলেৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (এনএছএ)ৰ অধীনত কৰা গোচৰ গুৱাহাটী উচ্চ ন্যায়ালয়ে খাৰিজ কৰিছে। এই ৰায়ৰ ফলত প্ৰণৰ দলেৰ মুকলি আকাশৰ তলতে অহাৰ পথ প্ৰশস্ত হৈছে। কাজিৰঙাৰ ইংলে পথাৰত পঞ্চতাৰকা হোটেল নির্মাণৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ অভিযোগত জনজাতীয় নেতাগৰাকী ২০২৬ চনৰ জুলাই মাহত দিছপুৰ আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হৈছিল। পৰৱর্তী সময়ত তেওঁৰ বিৰুদ্ধে এনএছএ প্ৰয়োগ কৰা হয় আৰু তেওঁ ১০০ দিনৰো অধিক সময় কাৰাগাৰত বন্দী হৈ থাকে। উচ্চন্যায়ালয়ে এই ❐ ৬ পৃষ্ঠাত

অনুসূচিত জাতিৰ উন্নয়ন আৰু অধিকাৰ সুৰক্ষাত গুৰুত্ব

মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ প্ৰতিনিধি দলৰ সৈতে দুখন বৈঠক

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬নৱেম্বৰ ঃ সামাজিক ন্যায় আৰু সৱলীকৰণ আদি বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে শুকুৱাৰে নিজৰ কার্যালয়ত অনুসূচিত জাতি ঐক্য মঞ্চ, অসম আৰু অনুসূচিত জাতি বাচৱৰ সমাজ কল্যাণ সমিতি, অসম প্ৰদেশৰ প্ৰতিনিধি দলৰ সৈতে পৃথককৈ দুখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। অনুসূচিত জাতি ঐক্য মঞ্চ, অসমৰ আহ্বায়ক সঞ্জীৰ দাসৰ নেতৃত্বত অহা প্ৰতিনিধি দলটোৰ সৈতে অনুষ্ঠিত বৈঠকত অনুসূচিত জাতিৰ বিভিন্ন সামাজিক আৰু অর্থনৈতিক সমস্যা, অধিকাৰ তথা সামগ্ৰিক উন্নয়নৰ ❐ ৬ পৃষ্ঠাত



ৰাজু দত্তৰ মৃত্যু, পাঁচজন কর্মচাৰী আহত; অগ্নিনির্বাপক বাহিনীৰ অভিযান অব্যাহত

টেঙাখাতত অইল ইণ্ডিয়াৰ ইণ্টাৰ মিডিয়েট টেংক ফার্মত বিস্ফোৰণ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৬ নৱেম্বৰ ঃ ডিব্ৰুগড় জিলাৰ টেঙাখাতস্থিত অইল ইণ্ডিয়া লিমিটেডৰ ইণ্টাৰমিডিয়েট টেংক ফার্মত শুকুৱাৰে পুৱা সংঘটিত হোৱা ভয়ংকৰ বিস্ফোৰণৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে। প্ৰাৰম্ভিক তথ্য অনুসৰি টেংক ফার্মৰ এটা ভাল্ভ চলোৱাৰ সময়ত এই বিস্ফোৰণটো সংঘটিত হয়। ঘটনাটোত এজন কর্মচাৰীৰ মৃত্যু হোৱাৰ লগতে পাঁচজন কর্মচাৰী আহত হোৱাৰ খবৰ পোহৰলৈ আহিছে। অইল ইণ্ডিয়া লিমিটেড কর্তৃপক্ষই জনোৱা মতে, টেঙাখাতৰ ইণ্টাৰমিডিয়েট টেংক ফার্মত ৰক্ষণাবেক্ষণৰ কাম চলি থকাৰ সময়তে পুৱা প্ৰায় ৯.০৫ বজাত বিস্ফোৰণ সংঘটিত হয়। ইয়াৰ ফলত তৎক্ষণাত ভয়ংকৰ অগ্নিকাণ্ডৰ সূত্ৰপাত ❐ ৬ পৃষ্ঠাত



সুধাকণ্ঠৰ জন্ম শতবার্ষিকীৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকিব প্ৰধানমন্ত্ৰীসহ কেন্দ্ৰীয় মন্ত্ৰী

১,০০০ শিক্ষার্থী-শিল্পীয়ে পৰিবেশন কৰিব 'মানুহে মানুহৰ বাবে'

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৬ নৱেম্বৰ ঃ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবার্ষিকীৰ বর্ষজোৰা কার্যসূচীৰ ভৰা সামৰণি অনুষ্ঠান এই বাৰ দেশৰ ৰাজধানী নতুন দিল্লীস্থিত ঐতিহ্যমণ্ডিত 'ভাৰত মণ্ডপম'ত অত্যন্ত আড়ম্বৰপূৰ্ণভাবে আয়োজন কৰা হ'ব। আজি দিছপুৰৰ লোকসেৱা ভৱনত আহ্বান কৰা এক গুৰুত্বপূৰ্ণ সংবাদমেলত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাই এই ঐতিহাসিক কার্যসূচীৰ বিষয়ে সবিৰ কৰে। 'মুখ্যমন্ত্ৰীয়ে সংবাদমেল সম্বোধন কৰি কয় যে নতুন দিল্লীৰ এই গৌৰবোজ্জ্বল অনুষ্ঠানত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, সাংসদ আৰু ৰাষ্ট্ৰীয় পর্যায়ৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। অনুষ্ঠানটো সুচাৰুকপে পৰিচালনা কৰিবলৈ অসম চৰকাৰৰ এজনো কেবিনেট মন্ত্ৰীৰ নেতৃত্বত কেইবাখনো বিশেষ সমিতি গঠন কৰি দিয়া হৈছে। এই ❐ ৬ পৃষ্ঠাত



"মিছা কথাৰ কেতিয়াও জয় নহয়, এনএছএ ধেমালি নহয়"

১১৮ দিনৰ পিছত মুকলি আকাশৰ তললৈ প্ৰণৰ দলে



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৬ নৱেম্বৰ ঃ অৱশেষত গোলাঘাট জিলা কাৰাগাৰৰ পৰা মুকলি আকাশৰ তললৈ আহিল মানৱ অধিকাৰ কর্মী তথা যুৰ নেতা প্ৰণৰ দলে। যুৰ নেতা দলেৰ বিৰুদ্ধে দেশদ্রোহী গোচৰ ৰুজু কৰাত তেওঁ সুদীর্ঘ ১১৮ দিন গোলাঘাট জিলা কাৰাগাৰত বন্দী হৈ আছিল। কিন্তু আৰক্ষীয়ে দিয়া দেশদ্রোহী গোচৰৰ পৰা গুৱাহাটী উচ্চ ন্যায়ালয়ে তেওঁক দোষমুক্ত বুলি ঘোষণা কৰাৰ পাছত তেওঁ মুকলি আকাশৰ তললৈ আহে। মুকলি আকাশৰ তললৈ আহি ❐ ৬ পৃষ্ঠাত

মহাভাৰত, ৰাজতৰংগিনী আৰু অর্থশাস্ত্ৰক ইউনেস্কোৰ বিশেষ স্বীকৃতি



নেশ্যনেল ডেস্ক, অসম বার্তা, ৬ নৱেম্বৰ ঃ ইণ্ডোনেছিয়াৰ জাকার্তাত অনুষ্ঠিত ১১ সংখ্যক মেমৰি অব্ দা বর্ল্ড এছিয়া-পেচিফিক ৰিজনেল কমিটিৰ বৈঠকত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। সেই বৈঠকতে ভাৰতৰ মহাকাব্য মহাভাৰত, কলহ্লণ ৰাজদ্বাদ্ধ শতিকাৰ ঐতিহাসিক ইতিবৃত্ত ৰাজতৰংগিনী আৰু কৌটিল্যৰ শাসন তথা ৰাষ্ট্ৰ পৰিচালনা সম্পর্কীয় গ্ৰন্থ অর্থশাস্ত্ৰৰ পাণ্ডুলিপিসমূহ ইউনেস্কো (UNESCO)ৰ মেমৰি অব্ দা বর্ল্ড এছিয়া-পেচিফিক ৰিজনেল কমিটিৰ অন্তর্ভুক্ত কৰা হৈছে বুলি বহুস্পতিবাৰে বিষয়াসকলে প্ৰকাশ কৰে। বহুস্পতিবাৰে ইউনেস্কোৱে ঘোষণাৰ পাছতে পিআইবি কানচাৰে এক্সত কয়, "ভাৰতৰ বাবে এক গৌৰৱৰ ক্ষণ। ৰাজতৰংগিনী, মহাভাৰত আৰু অর্থশাস্ত্ৰক ইউনেস্কোৱে মেমৰি অব্ দা বর্ল্ড এছিয়া-পেচিফিক ৰিজনেল কমিটিৰ বৈঠকত অন্তর্ভুক্ত কৰা হৈছে। ঘিয়ে ভাৰতৰ চকৰী সভ্যতাৰ ঐতিহ্য গোলকীয় স্বীকৃতিৰ ক্ষেত্ৰত এক ঐতিহাসিক মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰিছে।" কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাবাটে এক্স যোগে কয়, "ভাৰতৰ বাবে এক গৌৰৱৰ ক্ষণছোৱা UNESCOৰ 'মেমৰী অব্ দা বর্ল্ড এছিয়া-পেচিফিক ❐ ৬ পৃষ্ঠাত

ব্ৰহ্মপুত্ৰত দহদিনীয়া দুঃসাহসিক নৌযাত্ৰাৰ সফল সামৰণি

পাণ্ডু বন্দৰত 'ব্ৰহ্মপুত্ৰ ছেইলিং এক্সপেডিচন—মেনু ২০২৬'ৰ ফ্লেগ-ইন অনুষ্ঠান



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৬ নৱেম্বৰ ঃ ব্ৰহ্মপুত্ৰৰ বুকুত দহদিন ধৰি চলা এক দুঃসাহসিক নৌযাত্ৰাৰ সফল সামৰণি পৰিল শুকুৱাৰে। গুৱাহাটীৰ পাণ্ডু বন্দৰত আয়োজিত এক বর্ণাঢ্য অনুষ্ঠানৰ মাজেৰে 'ব্ৰহ্ম পুত্ৰ ছেইলিং এক্সপেডিচন—মেনু ২০২৬' (Brahmaputra Sailing Expedition–MENU 2026)ৰ আনুষ্ঠানিক সামৰণি ঘোষণা কৰা হয়। এই উপলক্ষে আয়োজিত ফ্লেগ-ইন ❐ ৬ পৃষ্ঠাত

ধাৰাপুৱত নতুন কালী মন্দিৰ উদ্বোধন কৰি ২০ লাখ টকা ঘোষণা

নৰগ্ৰহ শ্মশান কালী মন্দিৰত শতবর্ষীয় কালীপূজা সমাৰোহ উদ্বোধন মুখ্যমন্ত্ৰীৰ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬ নৱেম্বৰ ঃ গুৱাহাটী মহানগৰীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী নৰগ্ৰহ শ্মশান কালী মন্দিৰ প্ৰাংগণত আজি উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাই মা শ্ৰীশ্ৰী কালী আৰু দেবাদিদেৱ মহাদেৱৰ শ্ৰীচৰণত সেৱা নিবেদন কৰে। এই উপলক্ষে তেওঁ নৰগ্ৰহ শ্মশান কালী মন্দিৰৰ শতবর্ষীয়া কালীপূজা সমাৰোহত অংশগ্ৰহণ কৰে আৰু শতবর্ষীয়া কালীপূজা সমাৰোহৰ শুভ উদ্বোধন কৰে। মন্দিৰভিগিৰ শতবর্ষীয়া সমাৰোহৰ প্ৰাক্কথনত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যবাসীৰ সুখ-শান্তি, সমৃদ্ধি আৰু সর্বাংগীণ মংগল কামনা কৰি আশিস প্ৰাৰ্থনা কৰে। ইয়াৰ পিছতে তেওঁ নৱনির্মিত নৰগ্ৰহ শ্মশানৰ শুভ উদ্বোধন কৰে। লগতে নৰগ্ৰহ শ্মশানৰ উন্নয়ন আৰু সৌন্দর্যবর্ধন প্ৰকল্পৰো শুভ উদ্বোধন কৰে। উল্লেখ্য যে ঐতিহ্য আৰু আধ্যাত্মিক ❐ ৬ পৃষ্ঠাত



SIRত বাদ পৰা ভোটাৰৰ তালিকা ভোটগ্ৰহণ কেন্দ্ৰত প্ৰদর্শনৰ নির্দেশ নির্বাচন আয়োগৰ

নেশ্যনেল ডেস্ক, অসম বার্তা, ৬ নৱেম্বৰ ঃ কেন্দ্ৰীয় নির্বাচন আয়োগে দিল্লী, হাৰিয়ানা আদি সাতখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত চলি থকা বিশেষ গুৰুত্বপূৰ্ণ পুনৰীক্ষণ (SIR) প্ৰক্ৰিয়াত খাৰলা ভোটাৰ তালিকাৰ পৰা বাদ পৰা ভোটাৰসকলৰ তালিকা নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰত প্ৰদর্শন কৰিবলৈ নির্দেশ দিছে। এই নির্দেশ যিবোৰ ৰাজ্যৰ বাবে জাৰি কৰা হৈছে সেইবোৰৰ ভিতৰত দিল্লী, হাৰিয়ানা, ❐ ৬ পৃষ্ঠাত



পঞ্জীয়নৰ সংখ্যাই স্পর্শ কৰিলে ৬৮ লাখৰো অধিক

৭ নৱেম্বৰৰ পৰা ৰাজ্যজুৰি খেল মহাৰণ ৩.০

নিউজ ডেস্ক, অসম বার্তা, ৬ নৱেম্বৰ ঃ ৭ নৱেম্বৰৰ পৰা খেল মহাৰণৰ বাবে সাজু হৈছে অসম। বাইজৰ বিপুল উছাহ আৰু সমর্থনৰ মাজত খেল মহাৰণৰ এইবাৰৰ সংস্কৰণে আন এক অভিলেখ গঢ়াৰ সম্ভাৱনা প্ৰকাশ কৰিছে। খেল মহাৰণ ৩.০ক লৈ ৰাজ্যজুৰি অভূতপূৰ্ব উৎসাহ-উদ্দীপনা অব্যাহত আছে। শেহতীয়া তথ্য অনুসৰি ৬ নৱেম্বৰ ২০২৬ৰ বিয়লি ৫ বজালৈকে ৰাজ্যৰ মুঠ ৬৮ লাখৰো অধিক খেলুৰৈয়ে এই ক্ৰীড়া মহোৎসবত অংশগ্ৰহণৰ বাবে পঞ্জীয়ন কৰিছে। গ্ৰামাঞ্চলৰ পৰা চহৰলৈকে প্ৰতিভা, সামর্থ্য আৰু ক্ৰীড়াৰ প্ৰতি থকা দুর্বাৰ আগ্ৰহৰ এই ব্যাপক সঁহাৰিয়ে অসমক নতুন আশাৰে অনুপ্ৰাণিত কৰিছে। অসমৰ প্ৰতিটো প্ৰান্তৰ প্ৰতিভাক এখন উপযুক্ত মঞ্চ প্ৰদান কৰি ক্ৰীড়াৰ এক নতুন পৰিবেশ গঢ়ি ❐ ৬ পৃষ্ঠাত



পর্যাপ্ত টোপনি আৰু সময়মতে স্বাস্থ্য পৰীক্ষাৰ ওপৰত গুৰুত্ব দিবলৈ পৰামর্শ

ধনতেৰছ উপলক্ষে উন্নত স্বাস্থ্যৰ প্ৰতি দায়বদ্ধ হোৱাৰ আহ্বান প্ৰধানমন্ত্ৰীৰ

নেশ্যনেল ডেস্ক, অসম বার্তা, ৬ নৱেম্বৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ধনতেৰছ উপলক্ষে জনসাধাৰণক উন্নত স্বাস্থ্যৰ প্ৰতি দায়বদ্ধ হ'বলৈ আহ্বান জনাইছে। এই উপলক্ষে তেওঁ আয়ুষ মন্ত্ৰী প্ৰতাপ ৰাও যাদৱৰ স্বাস্থ্য ❐ ৬ পৃষ্ঠাত



মাজুলী মহাবিদ্যালয়ত আত্ম-সুৰক্ষা সম্পৰ্কীয় কৰ্মশালা সম্পন্ন



অসম বাৰ্তা, মাজুলী, ৬ অক্টোবৰ ঃ মাজুলীৰ উচ্চশিক্ষাৰ বাটকটীয়া অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ নাৰী সৱলীকৰণ কোষ, জহিলা বৰুৱা ব্যায়ামাগাৰৰ উদ্যোগত তথা মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী গোটৰ সহযোগত আজি এক বিশেষ নাৰী সুৰক্ষা কৰ্মশালা অনুষ্ঠিত হয়। মূলতঃ মহাবিদ্যালয়ৰ ছাত্ৰীসকলক ব্যক্তিগত সুৰক্ষাৰ বিভিন্ন কৌশলৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰিবলৈ কেশৰৰবাম বৰা শ্ৰেক্ষাগৃহত দুপৰীয়া ১২ বজাৰ পৰা আয়োজিত অনুষ্ঠানটিৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ বি. ভক. (আইটি) বিভাগৰ প্ৰাক্তন অধ্যাপক ভাস্কৰ কমল বৈশ্যৰ বিয়োগত এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। প্ৰথমতে আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলক মহিলা সৱলীকৰণ কোষৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। কৰ্মশালাখনি আনুষ্ঠানিকভাৱে উদ্ঘাটন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াইকয়ে যে আত্মসুৰক্ষা মানে কেবল শাৰীৰিক আক্ৰমণৰপৰা সুৰক্ষিত হোৱাটোকে নুবুজায়। শাৰীৰিক, মানসিক, বৌদ্ধিক আদি ক্ষেত্ৰত নিজকে সুৰক্ষিত কৰাটো আজিৰ সময়ত অত্যন্ত প্ৰয়োজনীয় বুলি উল্লেখ কৰি তেওঁ আগন্তুক সময়তো এনে কাৰ্যসূচী অনুষ্ঠিত কৰিবলৈ সকলোকে আগ্ৰহ জনায়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন গুভদৰশিনীয়ে কয় যে প্ৰাচীন কালৰপৰাই মহিলাসকলে আত্মৰক্ষাৰ নীতি গ্ৰহণ কৰি আহিছে। অসম আৰু ভাৰতৰ মহীয়সী নাৰীসকলৰ উদাহৰণৰেৰে বিশেষকৈ ছাত্ৰীসকলক নিজৰ সুৰক্ষাৰ বাবে মানসিকভাৱে প্ৰস্তুত হ'বৰ বাবে তেওঁ পৰামৰ্শ দিয়ে। ইয়াৰ পিছতেই প্ৰশিক্ষক হিচাপে উপস্থিত থকা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা কেৰাটেৰ ব্লেক বেল্ট অৰ্জন কৰা বেবী নাটে, পূজা চকৰা আৰু পল্লৱ দত্তই ছাত্ৰীসকলক স্বসুৰক্ষাৰ বিভিন্ন কৌশলৰ বিষয়ে অৱগত কৰি প্ৰশিক্ষণ প্ৰদান কৰে। আজিৰ সভাতে অলপতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হোৱাৰ লগতে বিশ্ববিদ্যালয়ৰ এফিলিয়েশান সমিতিৰ সদস্য মনোনীত হোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াক মহিলা সৱলীকৰণ কোষৰ তৰফৰ পৰা অংগাৱস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলাৰে সম্ভাষণ জনোৱা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, উপসভাপতি ডঃ ৰূপজ্যোতি বৰা, সম্পাদক ড° অনুপ কুমাৰ দলে, অধ্যাপিকা গীতাৰাণী গোস্বামী, ইন্দিৰা বড়া, অধ্যাপক তুলসী ৰাজখোৱা, অপূৰ্বজ্যোতি হাজৰিকা, নব দাস, ড° জয়া কলিতা গগৈ, ড° পল্লৱী দুৱৰা, ড° অৰুপ বৃচ্যাগোহাঁই, ড° জুলী গগৈ, ৰুবী বৰা, প্ৰীতিৰেখা গগৈ, অভিনব শংকৰ গোস্বামী, বিদিশা ভট্টাচাৰ্য, প্ৰজ্ঞা পাৰমিতা কৌশিক, ড° শাহনাজ আহমেদ, গগৈ, নৰজিৎ চেলেং, ড° ৰাকেশ কুমাৰ মুখ্য সহায়ক উৎপল বৰুৱা, কিৰণ চমুৱা, গৌতম দাস, নাৰায়ণ শইকীয়া, শৰীৰ চৰ্চা বিভাগৰ প্ৰশিক্ষক বিতোপন হাজৰিকা প্ৰমুখে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি সৌহৃদ বৃদ্ধি কৰে। লেফটেনেণ্ট কংকন ৰবদৈয়ে প্ৰশিক্ষকসকলক মানপত্ৰ প্ৰদান কৰে। মহাবিদ্যালয়ৰ মহিলা কোষ সম্পাদিকা ড° অনন্যা বৰুৱাই অঁতাইখা অনুষ্ঠানৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে ড° সুদৰ্শনা ফুকনে।

শিৰসাগৰৰ মাগৰহাট হাইস্কুলত অইল ইণ্ডিয়া OBC & MOBC কৰ্মচাৰী সংস্থাৰ শিক্ষামূলক সামগ্ৰী বিতৰণ

বেতবাৰীৰ দুই সৰহাৰা মেধাৰী শিক্ষাৰ্থীক ১০ হাজাৰ টকাকৈ বিশেষ আৰ্থিক সাহায্য প্ৰদান



অসম বাৰ্তা বিশেষ, পেণ্ডেৰী, ৬ অক্টোবৰ ঃ প্ৰকৃতিৰ তাণ্ডৱ লীলা আৰু ভয়াৱহ বানপানীয়ে গভীৰভাৱে ক্ষতিগ্ৰস্ত কৰে উজনি অসমৰ শিক্ষা ব্যৱস্থা। উক্ত প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত হৈ মনোবল হেৰুৱাই পেলোৱা শিক্ষার্থীসকলৰ মনোবল ঘুৰাই অনাৰ স্বাৰ্থত অইল ইণ্ডিয়া OBC & MOBC কৰ্মচাৰী সংস্থাই অব্যাহত ৰাখিছে এক নিৰালসা প্ৰচেষ্টা। ইতিপূর্বে বীঁহগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৪৮ গৰাকী শিক্ষার্থীক সাহায্য প্ৰদান কৰাৰ পিছত, আজি সংস্থাৰ তৰফৰ পৰা শিৰসাগৰ জিলাৰ মাগৰহাট হাইস্কুলত ১৪০ গৰাকী বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীৰ মাজত আৱশ্যকীয় শিক্ষামূলক সামগ্ৰী বিতৰণ কৰা হয়। তদু পৰি, বান পানীয়ে ব্যাপকভাৱে বিধ্বস্ত কৰা বেতবাৰী অঞ্চলৰ দুগৰাকী মেধাৰী ছাত্ৰ-ছাত্ৰীক পঢ়া-শুনা আগবঢ়াই নিয়াৰ সুবিধাৰ্থে সংস্থাৰ তৰফৰ পৰা দহ হাজাৰ (১০,০০০) টকাকৈ এককালীন বিশেষ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। আৰ্থিক সাহায্য লাভ কৰা মেধাৰী শিক্ষার্থী দুগৰাকী হ'ল বেতবাৰী হাইস্কুলৰ পঢ়া ৯২ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা পিতৃহীন মেধাৰী ছাত্ৰ নয়নজ্যোতি কোঁৱৰ আৰু আনগাঁৱৰী পিতৃ-মাতৃহীন মেধাৰী ছাত্ৰী দৃষ্টি বৃচ্যাগোহাঁই। সংস্থাৰ সভাপতি তথা অইল ইণ্ডিয়াৰ মানৰ সম্পদ বিভাগৰ মুখ্য ব্যৱস্থাপক ড° শ্যামল বৰুৱাই দুয়োগৰাকী মেধাৰী শিক্ষার্থীক দিল্লীৰ কার্যালয়ৰ পৰাই আশীবাদ প্ৰদান কৰি উজ্জ্বল ভবিষ্যতৰ কামনা কৰে। উল্লেখ্য যে, বান সাহায্য সামগ্ৰী লৈ যাত্ৰা আৰম্ভ কৰা এই প্ৰতিনিধি দলটোক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি যাত্ৰাৰ শুভাৰম্ভ কৰে অইল ইণ্ডিয়াৰ মুখ্য জনসম্পৰ্ককী বিষয়া তথা সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি দিগন্ত কুমাৰ বৰাই। মাগৰহাট হাইস্কুলৰ প্ৰাঙ্গণত আয়োজিত এই সহায্য বিতৰণ অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে সংস্থাৰ উপ-সভাপতি নৰ কুমাৰ গগৈ আৰু মৰণ শাখাৰ সভাপতি পৰাগ প্ৰতীম মহনে। আজি দুয়োটা অনুষ্ঠানতে উপস্থিত থাকি সংস্থাৰ সাধাৰণ সম্পাদক সুৰেন্দ্ৰ গগৈয়ে নিজৰ বক্তব্যত কয়— "বানপানীয়ে কেবল ঘৰ-দুৱাৰ বা কিতাপ-পাহি নষ্ট কৰা নাহি, ই আমাৰ শিশুসকলৰ সপোনকো কিছু পৰিমাণে ম্লান কৰি পেলাইছিল। সেইয়েহে সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ বাবে আমাৰ সংস্থাই এই দুৰ্যোগৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ কাষত থিয় দিয়াটো সৰ্বোচ্চ ধৰ্ম বুলি বিবেচনা কৰি আগবাঢ়ি আহিছো।" লগতে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সকলো বাধা অতিক্ৰম কৰি সাহসেৰে পঢ়া-শুনা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। উক্ত কাৰ্যসূচীত সংস্থাৰ সহ কাৰ্যী সম্পাদক পংকজ প্ৰতীম কঁহাৰ, সহ-কোষাধ্যক্ষ কুমুদ গগৈ, মৰাণ শাখাৰ সভাপতি পৰাগ প্ৰতীম মহন, বিষয়বৰীয়া বিকাশ প্ৰধান, পাৰ্থ প্ৰতীম গগৈ, ভৰেশ ফুকন আৰু চিন্তু গগৈয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি সমগ্ৰ বিতৰণ প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰে। বিদ্যালয় কৰ্তৃপক্ষৰ সহযোগ আৰু আপায়নে এই মানৰীয়া প্ৰচেষ্টাক এক সুন্দৰ ৰূপ প্ৰদান কৰে।

দাবী পূৰণ নোহোৱালৈকে ধাৰাবাহিক গণতান্ত্ৰিক প্ৰতিবাদ অব্যাহত ৰখাৰ হুংকাৰ

পুনৰ ৰাজপথলৈ টেট উত্তীৰ্ণ শিক্ষক সমাজ; বঙাইগাঁৱত জিলা মিছন সমন্বয়কৰ কার্যালয়ৰ সন্মুখত দুঘণ্টীয়া অৱস্থান ধর্মঘট

অসম বাৰ্তা, লেংটিছিঙা, ৬ অক্টোবৰ ঃ দীৰ্ঘদিন ধৰি উখাপন কৰি অহা বিভিন্ন সমস্যা আৰু দাবীসমূহৰ সমাধান নোহোৱাত পুনৰ প্ৰতিবাৰৰ পথ বান্ধি ৰ'বলৈ বাধ্য হৈছে সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজ। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সিদ্ধান্ত অনুসৰি অসমৰ বিভিন্ন জিলাৰ লগতে বঙাইগাঁৱতো বৃহস্পতিবাৰে সমগ্ৰ শিক্ষা অসমৰ জিলা মিছন সমন্বয়কৰ কার্যালয়ৰ সম্মুখত দুঘণ্টীয়া অৱস্থান ধর্মঘট কার্যসূচী ৰূপায়ণ কৰা হয়। বঙাইগাঁও জিলা সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজৰ উদ্যোগত জিলাখনৰ সমগ্ৰ শিক্ষাৰ অধীনত কৰ্মৰত শিক্ষকসকলে দিনৰ ১২ বজাৰ পৰা ২ বজালৈ এই প্ৰতিবাদী কার্যসূচী ৰূপায়ণ কৰে। শিক্ষকসকলে দীৰ্ঘদিন ধৰি সমাধান নোহোৱাকৈ থকা বিভিন্ন সমস্যা সমাধানৰ দাবীত প্ৰতিবাদ সাৰ্বত্ত্ব কৰি বিভাগীয় কৰ্তৃপক্ষৰ উদাসীনতাৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। শিক্ষক সমাজৰ প্ৰধান দাবীসমূহৰ ভিতৰত আছে দৰমহা গাঁথনিৰ আসোঁৱাহ দূৰ কৰা, প্ৰাথা টাইম স্কেল (MACPS) প্ৰদান, অবসৰপ্ৰাপ্ত শিক্ষকসকলক গ্ৰেচুইটি আৰু টাৰ্মিনেল বেনিফিট প্ৰদান, অবসৰকালীন আৰ্জিত ছুটীৰ পাৰিতোষিক আদায়, প্ৰধান শিক্ষক পদলৈ পদোন্নতিৰ ক্ষেত্ৰত জ্যেষ্ঠতাৰ স্বীকৃতি, ছুটী মঞ্জুৰীৰ প্ৰক্ৰিয়া সৰলীকৰণ, বদলিকৰণৰ সমস্যা সমাধান, কৰ্মৰত অবস্থাত মৃত্যুবৰণ কৰা শিক্ষকৰ পৰিয়াললৈ ন্যূনতম ৩০ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান, GIS-ৰ সুবিধা নিশ্চিত কৰা আৰু সেৱা পুস্তিকা উন্নীতকৰণ আদি। সংগঠনটোৱে জানিবলৈ দিয়া অনুসৰি, উক্ত সমস্যাসমূহৰ সমাধান বিচাৰি কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা শিক্ষা বিভাগলৈ কেইবাবাৰো পত্ৰ প্ৰেৰণ কৰাৰ লগতে সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালককে ধৰি বিভাগীয় উচ্চপদস্থ বিষয়াসকলৰ সৈতে কেইবালানি আলোচনা অনুষ্ঠিত কৰা হৈছে। আনকি বিভাগীয় কৰ্তৃপক্ষৰ আশ্বাসত প্ৰতি লক্ষ্য ৰাখি পূৰ্বে গ্ৰহণ কৰা কেইবাটাও প্ৰতিবাদী কার্যসূচী স্থগিত ৰখা হৈছিল। ইয়াৰ উপৰি ২০২৫ চনৰ ১২ নৱেম্বৰত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ অধাক্ষতাত ৩০ জনীয়া শিক্ষক প্ৰতিনিধিৰ এটা সঁজাতী দলৰ সৈতে শিক্ষা বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ উপস্থিতিত এক সৌহার্দ্যপূর্ণ আলোচনা অনুষ্ঠিত হৈছিল। সেই আলোচনাত দাবীসমূহ সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি শিক্ষামন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰিছিল বুলি সংগঠনটোৱে উল্লেখ কৰে। কিন্তু ১১ মাহহঁকৈও অধিক সময় পাৰ হোৱাৰ পাছতো দাবীসমূহৰ সমাধান নোহোৱাত শিক্ষক সমাজে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। সংগঠনটোৰ মতে, যোৱা ২০ ছেপ্টেম্বৰত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যনির্বাহক সভাৰ সিদ্ধান্ত অনুসৰি সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকলৈ পত্ৰ প্ৰেৰণ কৰি ১৫ অক্টোবৰৰ ভিতৰত বিভাগীয় স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনোৱা হৈছিল। তথাপি এই ক্ষেত্ৰত বিভাগৰ পৰা কোনো সন্তোষজনক পদক্ষেপ গ্ৰহণ কৰা হোৱা নাহিবুলি অভিযোগ উত্থাপন কৰিছে শিক্ষক সমাজে। বিভাগীয় কৰ্তৃপক্ষৰ এনে উদাসীনতাৰ প্ৰতিবাদত দাবীসমূহ পূৰণ নোহোৱালৈকে অনিৰ্দিষ্টকালীন ধাৰাবাহিক গণতান্ত্ৰিক আন্দোলন চলাই নিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজে। এই কার্যসূচীৰ অংশ হিচাপে অসমৰ প্ৰতিখন জিলাৰ প্ৰাথমিক শিক্ষা বিষয়া আথবা জিলা মিছন সমন্বয়কৰ কার্যালয়ৰ সম্মুখত দুঘণ্টীয়া অৱস্থান ধর্মঘট ৰূপায়ণ কৰা হয়। সংগঠনটোৰ ঘোষণা কৰা অনুসৰি, অহা ১৬ নৱেম্বৰত গুৱাহাটীৰ কাহিলীপাৰাস্থিত সমগ্ৰ শিক্ষা অসমৰ ৰাজিক কার্যালয় ঘেৰাও কার্যসূচী ৰূপায়ণ কৰা হ'ব। সেইদিনাই পৰৱৰ্তী আন্দোলনৰ কার্যসূচীও ঘোষণা কৰা হ'ব বুলি শিক্ষক সমাজে জানিবলৈ দিছে। দীৰ্ঘদিন ধৰি শিক্ষকসকলৰ সমস্যা সমাধান নকৰাৰ ফলতে তেওঁলোক ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হৈছে বুলি সংগঠনটোৱে মন্তব্য কৰে। লগতে এই প্ৰতিবাদৰ ফলত সৃষ্টি হ'ব পৰা শৈক্ষিক ক্ষতিৰ বাবে শিক্ষা বিভাগক সম্পূৰ্ণৰূপে জগৰীয়া কৰে শিক্ষক সমাজে। দাবীসমূহ পূৰণ নোহোৱালৈকে গণতান্ত্ৰিক পদ্ধতিৰে আন্দোলন অব্যাহত থাকিব বুলিও সংগঠনটোৰে স্পষ্ট কৰি দিয়ে।

সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ মৃত্যু তিথিত মাজুলীত প্ৰতিমূৰ্তি উন্মোচন

মাজুলীৰ শিক্ষানুষ্ঠান, জাতীয় সংগঠনৰ শ্ৰদ্ধাঞ্জলি



অসম বাৰ্তা, মাজুলী, ৬ অক্টোবৰ ঃ কালি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ তিথি উপলক্ষে মাজুলীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে জাতীয় সংগঠনসমূহৰ তৰফৰ পৰা বিভিন্ন কার্যসূচীযে বিশ্ব বিশ্ৰুত শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। মাজুলী জিলা সাহিত্য সভাই ৰামধেনু শতদল শাখাক সাহিত্য সভা তথা মাজুলী মিলন সংঘৰ সহযোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন কৰে। আমাৰ গাঁও ৰূপালী যুবক সংঘই টিপেশ্বৰ কলিতা সৌৰৱৰী দুটা শাখাত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ অনুষ্ঠিত কৰে। বিশিষ্ট শিল্পী বলোকে কলিতাই সঞ্চালনা কৰা প্ৰতিযোগিতা উদ্ঘাটন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট সংগীত শিল্পী দীপ জ্বলাই। ক শাখাত শ্ৰেষ্ঠ স্থান লাভ কৰে আৰাধা হাজৰিকা আৰু খ শাখাত শ্ৰেষ্ঠ স্থান লাভ কৰে বৰ্ণীতা ভূএঞই। বিচাৰকৰ আসনত আছিল আউনীআটী বিশ্ববিদ্যালয়ৰ পৰিবেশ কলা বিভাগৰ অধ্যাপক তথা বিশিষ্ট অনাঠাঁৰ শিল্পী বঞ্জিৎ কুমাৰ ভূএঞ আৰু মহেন্দ্ৰ বৰা। এই বিশেষ দিনটোতে সত্ৰপীঠ মাজুলীৰ ইতিহাসত সংযোজন হ'ল এক ঐতিহাসিক তথা গৌৰৱোজ্জ্বল অধ্যায়। পুৰ মাজুলী মহাবিদ্যালয়ৰ প্ৰাংগণত সদৌ মাজুলী জিলা ছাত্ৰ সম্থাৰ উদ্যোগত আৰু মাজুলীবাসী বাইজৰ সহযোগত স্থাপন কৰা হ'ল বিশ্ববিশ্ৰুত গণশিল্পীগৰাকীৰ এক বিশাল প্ৰতিমূৰ্তি। এই প্ৰতিমূৰ্তিটো আনুষ্ঠানিকভাবে শুভ উন্মোচন কৰে ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ নবীগোপাল দেৱ গোস্বামীয়ে। আজি সদৌ মাজুলী জিলা ছাত্ৰ সম্থাৰ দীৰ্ঘদিনীয়া এটা সপোনে আজি বাস্তৱ ৰূপ লাভ কৰিলে। নতুন প্ৰজন্মই যাতে সুধাকণ্ঠৰ অমৰ সৃষ্টিৰাজী আৰু মহান আদৰ্শবে অনুপ্ৰাণিত হৈ বাট বুলিব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই প্ৰচেষ্টা হাতত লোৱা হৈছে বুলি জানিবলৈ দিয়ে সদৌ অসম ছাত্ৰ সম্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মাৰে। মাজুলী জিলা ছাত্ৰ সম্থাৰ নেতৃত্বই এই সপোন বাস্তবায়িত কৰাত সহায়-সহযোগিতা আগবঢ়োৱা প্ৰতিগৰাকী মাজুলীবাসী বাইজৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে। ইফালে এই প্ৰতিমূৰ্তি উন্মোচন স্থলীত উপস্থিত হয় বিদেশী পৰ্যটকো। ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি প্ৰদান কৰাও দেখা গল বিদেশী পৰ্যটকৰ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সুধাকণ্ঠৰ শ্ৰদ্ধার্ঘ্য অনুষ্ঠান সম্পন্ন; ৮০ শিক্ষার্থীৰ অংশগ্ৰহণ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৬ অক্টোবৰ ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিবেশ্য কলা অধ্যয়ন কেন্দ্ৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতি দিৱস উদ্যাপন কৰা হয়। পুৱা সুধাকণ্ঠৰ প্ৰতিকৃতি সন্মুখত বন্তি প্ৰজ্বলন কৰে পৰিবেশ্য কলা কেন্দ্ৰৰ অধ্যক্ষ ড° পল্লৱী ডেকা বুজৰৱৰুৱা, বিশিষ্ট নাট্যশিল্পী জ্যোতি নাৰায়ণ নাথ আৰু বিশিষ্ট সত্ৰীয়া সংস্কৃতিৰ সাধক উপেন বৰুৱা ৰৱবাসিয়ে। ইয়াৰপিছতে 'ডিলিকাব লুইইবে পাৰ' শীৰ্ষক এটি মনোজ্ঞ অনুষ্ঠান ৰূপায়ণ কৰা হয়। অনুষ্ঠানটি শুভাৰম্ভ কৰি বক্তব্য প্ৰদান কৰে বিশিষ্ট আবৃত্তিকাৰ জিন্তি হাজৰিকাই। অনুষ্ঠানত সুধাকণ্ঠৰ জীৱন-দৰ্শন আৰু অবদানৰ বিষয়ে বিস্তাৰিত ভাৱে আলোকপাত কৰে প্ৰাধ্যাপক ড° পল্লৱী ডেকা বুজৰৱৰুৱাই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঁচ বছৰীয়া সংহত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অধীনত ড° ভূপেন হাজৰিকা পৰিবেশ্য কলা কেন্দ্ৰত অধ্যয়নৰত বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ আশীগৰাকী শিক্ষার্থীয়ে অনুষ্ঠান ব্যাহ্যপনা কাকতৰ অংশকপে পৰিকল্পনা আৰু ব্যৱস্থাপনাবে ৰূপায়ণ কৰা এই অনুষ্ঠানটিত কাকতৰ তত্ত্বাবধায়ক ড° মৃণাল কুমাৰ বৰুৱাই সুধাকণ্ঠৰ স্মৃতিত আয়োজিত অনুষ্ঠানটিৰ সম্পৰ্কে এটি আভাস দাঙি ধৰে। ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশন কৰা 'মানুহে মানুহৰ বাবে'- শীৰ্ষক সমবেত সংগীত, ভূপেন হাজৰিকা গীতত সুষ্ঠিমুকল নৃত্য আৰু সুধাকণ্ঠৰ অবদান সম্পৰ্কে ছাত্ৰ-ছাত্ৰীয়ে প্ৰদান কৰা বক্তব্যই সমগ্ৰ অনুষ্ঠানটি প্ৰাণবন্ত কৰি তোলে। উল্লেখযোগ্য যে, সন্ধিয়া বিশ্ববিদ্যালয়ৰ বিজ্ঞান আৰু সংস্কৃতি উদ্যানত থকা সুধাকণ্ঠৰ প্ৰতিকৃতিৰ সন্মুখত সামুহিকভাবে বন্তি প্ৰজ্বলন কৰে।

খেজুৰিতলত গীতে-মাতে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি



অসম বাৰ্তা, গেলেকী, ৬ অক্টোবৰ ঃ শিৰসাগৰ জিলাৰ নামতিৰ খেজুৰিতলত নামতি শিল্পী সমাজ আৰু জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ উদ্যোগত খেজু বিতলস্থিত জ্ঞানজ্যোতি স্মাৰ্টস্কুলৰ প্ৰেক্ষাগৃহত ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰি শিৰসাগৰ জিলা সাহিত্য সভাৰ সহকাৰী সাধাৰণ সম্পাদক দেৱযানী শইকীয়া গগৈয়ে ভাষণত কয় যে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা অসমীয়া জাতিৰ আৰেগ আৰু ৰাভিমান। তেওঁৰ গীতেইজাতীয় চেতনা আৰু দেশপ্ৰেম জগাই তোলে বুলি উল্লেখ কৰে। আনহাতে সু-লেখিকা মৌচুমী দত্তই ভূপেন হাজৰিকাৰ জীৱন দৰ্শন সম্পৰ্কে বক্তব্য আগবঢ়োৱাৰ পাচতেই ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰে ক্ৰমে অনুষ্ঠানৰ আয়োজক কৰা হয়। অনুষ্ঠানটিত বিভিন্ন শিল্পী সমাজ সংগঠনৰ সদস্য-সদস্যাসকলে ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰে। অনুষ্ঠানৰ শেষত সভাপতি ড° ৰূপজ্যোতি বৰা, সম্পাদক ড° অনুপ কুমাৰ দলে, অধ্যাপিকা গীতাৰাণী গোস্বামী, ইন্দিৰা বড়া, অধ্যাপক তুলসী ৰাজখোৱা, অপূৰ্বজ্যোতি হাজৰিকা, নব দাস, ড° জয়া কলিতা গগৈ, ড° পল্লৱী দুৱৰা, ড° অৰুপ বৃচ্যাগোহাঁই, ড° জুলী গগৈ, ৰুবী বৰা, প্ৰীতিৰেখা গগৈ, অভিনব শংকৰ গোস্বামী, বিদিশা ভট্টাচাৰ্য, প্ৰজ্ঞা পাৰমিতা কৌশিক, ড° শাহনাজ আহমেদ, গগৈ, নৰজিৎ চেলেং, ড° ৰাকেশ কুমাৰ মুখ্য সহায়ক উৎপল বৰুৱা, কিৰণ চমুৱা, গৌতম দাস, নাৰায়ণ শইকীয়া, শৰীৰ চৰ্চা বিভাগৰ প্ৰশিক্ষক বিতোপন হাজৰিকা প্ৰমুখে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি সৌহৃদ বৃদ্ধি কৰে। লেফটেনেণ্ট কংকন ৰবদৈয়ে প্ৰশিক্ষকসকলক মানপত্ৰ প্ৰদান কৰে। মহাবিদ্যালয়ৰ মহিলা কোষ সম্পাদিকা ড° অনন্যা বৰুৱাই অঁতাইখা অনুষ্ঠানৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে ড° সুদৰ্শনা ফুকনে।

কাকপথাৰত সুধাকণ্ঠ দিৱস উদ্যাপন; গীতে-মাতে স্মৰণ

অসম বাৰ্তা, ছৈখোৱা, ৬ অক্টোবৰ ঃ বাজাৰ অন্যান্য প্ৰান্তৰৰ লগতে কাকপথাৰতো সুধাকণ্ঠ দিৱস উদ্যাপন কৰা হয়। কাকপথাৰ আঞ্চলিক ছাত্ৰ সম্থা আৰু কাকপথাৰ আঞ্চলিক উন্নয়ন সমিতি যৌথ উদ্যোগত, কাকপথাৰ শাখা আৰুত্তি আৰু সংস্কৃতি পৰিষদ আৰু কাক পথাৰ আঞ্চলিক মহিলা পাৰিজাতৰ সহযোগত কাকপথাৰ আঞ্চলিক পুথিভঁৰালৰ প্ৰাঙ্গণত অনুষ্ঠিত কৰা সুধাকণ্ঠ দিৱসৰ কার্যসূচীৰ আৰম্ভণিতে বস্তি প্ৰজ্বলন কৰে কাকপথাৰ আঞ্চলিক উন্নতি সভাৰ সভাপতি উজ্জ্বল ভূএঞই। কাকপথাৰ আঞ্চলিক উন্নতি সভাৰ সম্পাদক বঞ্জু কোঁৱৰে আঁত ধৰা অনুষ্ঠানটিত তিনিচুকীয়া জিলা উন্নতি সভাৰ উপ-সভাপতি বীণা বৰকটকী, উপদেষ্টা ফণীবা সোণোৱাল, কাকপথাৰ আঞ্চলিক কাকপথাৰতো সুধাকণ্ঠ দিৱস উদ্যাপন কৰা হয়। কাকপথাৰ আঞ্চলিক ছাত্ৰ সম্থা আৰু কাকপথাৰ আঞ্চলিক উন্নয়ন সমিতি যৌথ উদ্যোগত, কাকপথাৰ শাখা আৰুত্তি আৰু সংস্কৃতি পৰিষদ আৰু কাক পথাৰ আঞ্চলিক মহিলা পাৰিজাতৰ সহযোগত কাকপথাৰ আঞ্চলিক পুথিভঁৰালৰ প্ৰাঙ্গণত অনুষ্ঠিত কৰা সুধাকণ্ঠ দিৱসৰ কার্যসূচীৰ আৰম্ভণিতে বস্তি প্ৰজ্বলন কৰে কাকপথাৰ আঞ্চলিক উন্নতি সভাৰ সভাপতি উজ্জ্বল ভূএঞই। কাকপথাৰ আঞ্চলিক উন্নতি সভাৰ উপ-সভাপতি বীণা বৰকটকী, উপদেষ্টা ফণীবা সোণোৱাল, কাকপথাৰ আঞ্চলিক কাকপথাৰতো সুধাকণ্ঠ দিৱস উদ্যাপন কৰা হয়। কাকপথাৰ আঞ্চলিক ছাত্ৰ সম্থা আৰু কাকপথাৰ আঞ্চলিক উন্নয়ন সমিতি যৌথ উদ্যোগত, কাকপথাৰ শাখা আৰুত্তি আৰু সংস্কৃতি পৰিষদ আৰু কাক পথা

প্রাথমিক শিক্ষাদান দিয়া অৱসৰপ্রাপ্ত প্রধান শিক্ষকৰ উপস্থিতিয়ে মহিমামণ্ডিত কৰি তুলিলে অনুষ্ঠানটি

মানৱ সম্পদ গঢ়াৰ দায়িত্বত সুদীর্ঘ ৩৮টা বসন্তৰ অন্তত অৱসৰ গ্রহণ বাঘজান দীঘলটৰং উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ সহকাৰী শিক্ষক অনিল বৰুৱাৰ

বিভিন্ন দল-সংগঠন, বিদ্যালয় কর্তৃপক্ষ, শিক্ষার্থীসমাজৰ বিশেষ সম্বৰ্দ্ধনা জ্ঞাপন

চাৰিমাহৰ পিছতেই পিতৃক হেৰুৱাই অতি কষ্টৰে ডাঙৰ-দীঘল হৈছিল; পঢ়াৰ ক্ষেত্রত নামি আহিছিল ব্যাপক প্রভাৱ



অসম বার্তা, তিনিচুকীয়া বিশেষ, ৬ অক্টোবৰ ঃ ১৯৮৭ চনত প্রতিষ্ঠা লাভ কৰা তিনিচুকীয়া জিলাৰ বৃহত্তৰ বাঘজান দীঘলটৰং অঞ্চলৰ একমাত্র উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ সহকাৰী শিক্ষক অনিল বৰুৱাই চলিত বর্ষৰ যোৱা ইং ৩১ অক্টোবৰত তথা সুদীর্ঘ প্রায় ৩৮ বছৰৰ অন্তত অৱসৰ গ্রহণ কৰে। অৱসৰী শিক্ষকগৰাকীক বিদায় সম্বর্দ্ধনা জনোৱাৰ উদ্দেশ্যে আজি উক্ত বিদ্যালয়ত বিদ্যালয় কর্তৃপক্ষ, ছাত্র-ছাত্রীৰ দ্বাৰা আয়োজিত বিদায়ৱা প্রধান শিক্ষক বিদুল চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত "বিদায় সম্বর্ধনা অনুষ্ঠান"ত বিদ্যালয়ৰ কর্তৃপক্ষ, ছাত্র-ছাত্রীৰ লগতে বাঘজান গাঁও মিলনজ্যোতি যুব সংঘ, বাঘজান গাঁও নৱজ্যোতি মহিলা সমিতি, অসম মৰাণ সভা, সদৌ মৰাণ ছাত্র সস্থা, মৰাণ জাতীয় মহিলা পৰিষদ, বাঘজান শাখা সমিতি, সদৌ অসম মটক যুব-ছাত্র সন্মিলন, বাঘজান শাখা সমিতি, বাঘজান স্পর্টছ ক্লাব, ৰূপকোঁৱৰ জাতীয় বিদ্যালয়, বাঘজান-দীঘলটৰং, প্রাক্তন শিক্ষার্থীসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ তৰফৰ পৰা চেলেং, গামোচা, শৰাই, কলম, কিতাপ, জাপি, ছতি, লাখুটি, স্মৃতিৰ তুলিকা, স্মাৰক, সম্বর্দ্ধনা পত্র আদিৰে বিশেষ বিদায় সম্বর্দ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত সকলোৱে সস্য অৱসৰী শিক্ষকগৰাকীৰ শিক্ষকতা জীৱনৰ লগতে সামাজিক, সাংস্কৃতিক, ধর্মীয় অনুষ্ঠান-প্রতিষ্ঠানৰ অৱদান সম্পর্কে বক্তব্যত দাঙি ধৰাৰ লগতে তেওঁৰ কষ্ট, ত্যাগ, প্রতিভা সকলোধিনি আদর্শ হিচাবে গ্রহণ কৰি যাবলৈ শিক্ষার্থীসকলক অনুৰোধ জনায়। শেষাষ্তত, চকুলে এতিয়া টো নামি আহিছে, আজি এই বিদায়ী ক্ষণত মোৰ নিভৃত কোণৰ পৰা বহুত বহুত মৰম যাচিছোঁ, সেৱা যাচিছোঁ। আজি বিদ্যালয়ৰ তৰফৰ পৰা, ছাত্র-ছাত্রীসকলৰ তৰফৰ পৰা, বিভিন্ন দল-সংগঠনৰ প্রতিনিধিসকলৰ তৰফৰ পৰা যিখিনি মৰম, ভালপোৱা হিয়াভৰাই দিলে, তাৰ বাবে মই কি ভাষাৰে প্রকাশ কৰিম মই নিজে ক'ব নোৱাৰিলো। মোৰ জীৱনটো বহুত ট্রেজেডী। মোৰ বিষয়ে ক'বলৈ মই উভতি যাব লাগিব অতীতলৈ। মোৰ জন্ম হৈছিল তিনিচুকীয়াৰ জানমুখত। ডাঙৰ-দীঘল হ'লো বাঘজানত। এইখন মোৰ মামাইহঁতৰ গাঁও। আমি মা-দেউতাৰ তিনিটি সন্তান, বাইদেউ দুগৰাকী, মই সৰু। মই জন্ম হোৱা ঠিক চাৰি পাঁচ মাহৰ পিছতে মোৰ দেউতাই ইহসংসাৰৰ পৰা বিদায় ল'লে। দেউতাক মাত এযাৰ মাতিবলৈ নাপালোঁ। মই মাক সুধিছিলোঁ, দেউতা ক'লৈ গ'ল, ক'ত থাকে; মায়ে তেতিয়া খুব কান্দে। পৰবর্তী মই যেতিয়া জনা-বুজা হ'লোঁ তেতিয়াহে বুজি পাইছিলো যে দেউতা আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি গ'ল। মায়ে আমৰ ঘৰৰ পৰা ফটা-চিতা কিতাপ, কাপোৰ আনি দিছিল। বাতি পঢ়িবলৈ ঘৰত চাকি কেৰাচিন তেলৰ বাৰম্বাৰ কৰিবলৈ সামর্থ নাছিল। সেয়ে মোক মায়ে সদায় দিনৰ ভাগতে পঢ়িবলৈ কৈছিল আৰু মই স্কুলৰ পৰা গৈয়ে পঢ়াত মন দিছিলো। তেনেকৈ "ক" শ্রেণী উত্তীর্ণ হৈ "প্রথম" শ্রেণীত পাৰ্লো, প্রথম শ্রেণীৰ পৰা চতুর্থ শ্রেণীলৈ প্রথম বিভাগত উত্তীর্ণ হৈছিলো। আমাৰ দিনত তেতিয়া "ক" শ্রেণী বুলি আছিল। মেধাৱী ছাত্র বৰুৱাই বাঘজান গাঁও প্রাথমিক বিদ্যালয়ৰ পৰা প্রাথমিক শিক্ষা গ্রহণ কৰি বাঘজান দীঘলটৰং মধ্য ইংৰাজী বিদ্যালয়ত পঞ্চম শ্রেণীত নামভর্তি কৰে। উল্লেখ্য যে, নামভর্তিৰ মাচুল ৫ টকাও দিবলৈ সামর্থ নাছিল তেওঁলোকৰ। কিন্তু অনিল অতি মেধাৱী বাবে শিক্ষকসকলে বহুত মৰম কৰিছিল। সেইবাবে তেওঁৰ পৰা কোনোধৰণৰ মাননী বা মাচুল বিচৰা নাছিল। কেৱল ভালকৈ পঢ়িবলৈ কৈছিল, গীত গাবলৈ কৈছিল, বাদ্য বজাবলৈ কৈছিল। অসম আন্দোলনৰ প্রভাৱ পৰিল, যাৰ বাবে আধাতে শিক্ষা সাং কৰিব লগীয়া হৈছিল। কিন্তু গভীৰ হেঁপাহ থকা অনিল বৰুৱাই পৰবর্তী বাদন্দৰখাটি উচ্চ মাধ্যমিক বিদ্যালয়, গুইজান উচ্চ মাধ্যমিক বিদ্যালয়ত মাধ্যমিক শিক্ষা গ্রহণ কৰি হাইস্কুল শিক্ষাক্ত পৰীক্ষাত উত্তীর্ণ হৈছিল। "সর্তব্য যে, পঢ়াৰ সমান্তৰালকৈ বৰুৱাই জলকীয়া, বেঙেনা, বিলাহী, লাই-পাৰোং আদি বিভিন্ন শাক-পাচলি, মাছ আদি বিক্রি কৰি নিজৰ-ঘৰৰ বাবে অর্থউপার্জন দায়িত্বও পালন কৰিব লগীয়া হৈছিল। আনকি আনৰ ঘৰে ঘৰে দিন হাজিৰাও কৰিব লগীয়া হৈছিল। লুলুঙীয়া পখৰে নাতি দুঁবত থকা বাঘজান চাহ বাগিচা, পৰবর্তী দীঘলটৰং চাহ বাগিচাতো কাম কৰিছিল শিক্ষক অনিল বৰুৱাই। মেট্রিক পাছ কৰাৰ পিছতে বাঘজান চাহ বাগিচাত নিয়মীয়াকৈ সংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছিল। প্রায় দুই-তিনিবছৰ কাম কৰি এখন পুৰণি বাইচাইকেল ৮০ টকাত ক্রয় কৰিছিল আৰু ঙলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উচ্চতৰ মাধ্যমিক প্রথম বর্ষত নামভর্তি কৰিছিল। উচ্চতৰ মাধ্যমিক শিক্ষা প্রাপ্ত কৰি তিনিচুকীয়া মহাবিদ্যালয়ত উচ্চ শিক্ষা গ্রহণ কৰাৰ পিছতে ১৯৮৭ চনত প্রতিষ্ঠা লাভ কৰা বাঘজান দীঘলটৰং উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষাদান কৰাৰ লগতে বিদ্যালয়ৰ আনুষঙ্গিক কর্মত অৱসৰী পর্যন্ত ওতঃপ্রোতভাবে জড়িত হৈ পৰে অনিল বৰুৱাই। উপস্থিত থকা সকলোকে শ্রদ্ধা, মৰম, সম্মানেৰে সম্ভাষণ জনাই, নৱপ্রজন্মক সদায় আগবাঢ়ি যাবলৈ আহ্বান জনাই তেওঁ এইদৰে আৱেগভৰা ভাষণেৰে সকলোকে আৱেগিক কৰি তোলে। অনুষ্ঠানত অসম মৰাণ সভা, কেন্দ্রীয় সহকাৰী সম্পাদক মিন্টু মৰাণ, ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি বিশ্বজিৎ হাজৰিকা, তিনিচুকীয়া জিলাৰ কেইবাখনো বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্রী, অৱসৰপ্রাপ্ত শিক্ষাগুৰু, স্থানীয় শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্রীসহ, অনিল বৰুৱাৰ সহপাঠী কবিতা বৰুৱা, দুই কন্যা (শেৱালী, তৰালী) আৰু পুত্র তথা জুনিয়ৰ মিউজিচিয়ান জেচিম নয়ন বৰুৱাৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনিল বৰুৱাক প্রাথমিক বিদ্যালয়ত শিক্ষাদান দিয়া বাঘজান গাঁও প্রাথমিক বিদ্যালয়ৰ অৱসৰপ্রাপ্ত প্রধান শিক্ষক সুৰেশ বৰুৱাৰ উপস্থিতিয়ে বিদায় সভা অনুষ্ঠানটি অধিক মহিমামণ্ডিত কৰি তুলিলে।

'মানুহৰ চিন্তা ঃ উন্মেষণ আৰু উত্তৰণ' শীর্ষক বক্তৃতা প্রদান ড° জ্যোতিপ্রসাদ শইকীয়াৰ; 'অভিভাষণ' গ্রন্থ উন্মোচন

দেৰগাঁৱত অধ্যক্ষ হৰকান্ত মহন্ত স্মাৰক বক্তৃতানুষ্ঠান সম্পন্ন

অসম বার্তা, দেৰগাঁও, ৬ অক্টোবৰ ঃ দেৰগাঁৰৰ সমাজ জীৱনৰ অন্যতম পুৰোধা ব্যক্তি, দেৰগাঁও সাহিত্য সভাৰ প্রাক্তন সভাপতি তথা দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ প্রতিষ্ঠাপক অধ্যক্ষ, শিক্ষাবিদ প্রয়াত হৰকান্ত মহন্তৰ পবিত্র স্মৃতিত আজি দেৰগাঁও সাহিত্য সভাৰ উদ্যোগত অধ্যক্ষ হৰকান্ত মহন্ত স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। হৰকান্ত মহন্ত স্মাৰক সমিতিৰ সহযোগত আয়োজিত অনুষ্ঠানত 'মানুহৰ চিন্তা: উন্মেষণ আৰু উত্তৰণ' শীর্ষক বক্তৃতা প্রদান কৰে যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচার্য ড° জ্যোতিপ্রসাদ শইকীয়াই। অনুষ্ঠানৰ কার্যসূচী অনুসৰি দিনৰ ১.৪৫ বজাত ভাষাৰ ওজা হেমচন্দ্র বৰুৱাৰ আৰক্ষ মূর্তিত মাল্যার্পণ আৰু বন্তি প্রজ্বলন কৰে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্রাঞ্জল প্রতিম কাকতীয়ে। ইয়াৰ পাছতে প্রয়াত হৰকান্ত মহন্তৰ প্রতিচ্ছবিৰ সম্মুখত বন্তি প্রজ্বলন আৰু শ্রদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। বন্তি প্রজ্বলন কৰে প্রয়াত মহন্তৰ সহধর্মিনী দেবজানী মহন্তই। দেৰগাঁও সাহিত্য সভাৰ সভাপতি অজিত চন্দ্র দত্তৰ সভাপতিত্বত অনুষ্ঠিত মূল অনুষ্ঠানটো উদ্বোধন কৰে দেৰগাঁও সমষ্টিৰ বিধায়ক ড° মুলদ কুমাৰ দত্তই। অনুষ্ঠানৰ আঁত ধৰে সাহিত্য সভাৰ সম্পাদক ড° শিক্ষাবিদ বিচিত্র ভূষণ কলিতাই।



অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অধ্যক্ষ হৰকান্ত মহন্ত স্মাৰক বক্তৃতামালাৰ একত্র সংকলন 'অভিভাষণ' গ্রন্থখনো উন্মোচন কৰা হয়। গ্রন্থখনৰ সম্পাদক বিচিত্র ভূষণ কলিতা। বক্তৃতা প্রসংগত ড° জ্যোতিপ্রসাদ শইকীয়াই কয় যে মানুহৰ জীৱন আৰু সমাজৰ বিকাশৰ মূল চালিকাশক্তি হৈছে চিন্তা। জ্ঞান, শিক্ষা, অভিজ্ঞতা, যুক্তি, কল্পনা আৰু বিশ্লেষণাত্মক ক্ষমতাৰ সমন্বয়ত মানুহৰ চিন্তা প্রক্রিয়াৰ বিকাশ ঘটে। ব্যক্তিগত জীৱনৰ লগতে সমাজ জীৱনৰ পৰিবর্তন আৰু উত্তৰণতো চিন্তাৰ ভূমিকা অপৰিসীম। মানুহৰ চিন্তা কেৱল মনৰ ভিতৰত সৃষ্টি হোৱা ভাবনাৰ সমষ্টিনহয়, বৰং ই জীৱন গঢ়াৰ এক গুৰুত্বপূর্ণ ভেটি বুলিও তেওঁ উল্লেখ কৰে। বক্তৃতাত তেওঁ Cognitive Thinking, Critical Thinking, Cognitive Bias আৰু Anchoring Biasৰ দৰে মনস্তাত্ত্বিক ধাৰণাৰ ব্যাখ্যা আগবঢ়োৱাৰ লগতে মানুহৰ চিন্তা প্রক্রিয়াত অভিজ্ঞতা, পৰিবেশ, শিক্ষা, ভাষা, সংস্কৃতি, আবেগ আৰু সামাজিক গাঁথনিৰ প্রভাৱৰ বিষয়ে আলোক পাত কৰে। মনোবিজ্ঞানী জেৰমি ব্রুনাৱৰ চিন্তাৰ বিকাশ সম্পর্কীয় তত্ত্বৰ প্রসংগ উল্লেখ কৰি তেওঁ কয় যে কার্য, ছবি আৰু প্রতীকৰ জৰিয়তে মানুহৰ জ্ঞান আৰু চিন্তাৰ বিকাশ ঘটে। আনহাতে, মানৱ সভ্যতাৰ ক্রমবিকাশৰ পৰা আৰম্ভ কৰি প্রাচীন দার্শনিকসকলৰ চিন্তা, বৈজ্ঞানিক বিপ্লৱ, প্রবুদ্ধ যুগ, আধুনিকতাবাদ, উত্তৰ আধুনিকতাবাদ আৰু সাম্প্রতিক মেটামডার্ন চিন্তাধাৰালৈকে মানুহৰ চিন্তাৰ ঐতিহাসিক যাত্রাৰ এক বিস্তৃত বিশ্লেষণ দাঙি ধৰে বক্তাগৰাকীয়ে। শেষলৈ, এৰিষ্টটল, ৰেনে ডেকার্ট, জন লক, কছল, কার্ল মার্ক্স, চার্লছ ডাৰউইন, মিশেল ফুকো, জেক ডেৰিডা আদি চিন্তাবিদৰ দর্শন আৰু অৱদানৰ প্রসংগও তেওঁ উল্লেখ কৰে। সাম্প্রতিক সময়ত বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ দ্রুত বিকাশে নতুন প্রজন্মৰ চিন্তা-চেতনাত গভীৰ প্রভাৱ পেলাইছেবুলি উল্লেখ কৰি ড° শইকীয়াই কয় যে নতুন প্রজন্মই পৰম্পৰা আৰু ঐতিহ্যক সযান জনোৱাৰ লগতে প্রচলিত ব্যৱস্থা আৰু বিশ্বাসক যুক্তিৰে পর্যালোচনা কৰিবলৈও আগ্রহী। সত্যৰ সন্ধান, যুক্তিনিষ্ঠ চিন্তা আৰু সমাজৰ প্রতি দায়বদ্ধতাই মানুহৰ সামগ্রিক উৎকর্ষৰ পথ প্রশস্ত কৰিব পাৰে। বক্তৃতাৰ সামৰণিত তেওঁ মানুহৰ চিন্তাৰ নীৰবচ্ছিন্ন বিকাশে ব্যক্তি আৰু সমাজক অধিক সুন্দৰ তথা উন্নত ভবিষ্যতৰ দিশে আগুৱাই নিয়াত সহায় কৰে বুলি মত প্রকাশ কৰে। উল্লেখ্য যে প্রয়াত অধ্যক্ষ হৰকান্ত মহন্তৰ স্মাহ, সাহিত্য আৰু সমাজ জীৱনলৈ আগবঢ়োৱা অবদানক স্মৰণ কৰা উদ্দেশ্যে আয়োজন কৰা এই স্মাৰক বক্তৃতানুষ্ঠানে দেৰগাঁৰৰ বৌদ্ধিক আৰু শৈক্ষিক পৰিবেশক এক বিশেষ তাৎপর্য বহন কৰে।

মাজুলী মহাবিদ্যালয়ত আত্ম-সুৰক্ষা সম্পর্কীয় কর্মশালা সম্পন্ন

অসম বার্তা, উত্তনী মাজুলী, ৬ অক্টোবৰ ঃ মাজুলীৰ উচ্চশিক্ষাৰ বাটকটীয়া অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ নাৰী সৱলীকৰণ কোষ, জিমিলা বৰুৱা ব্যায়ামাগাৰৰ উদ্যোগত তথা মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু ৰাষ্ট্রীয় শিক্ষার্থী বাহিনী গোটৰ সহযোগত আজি এক বিশেষ নাৰী সুৰক্ষা কর্মশালা অনুষ্ঠিত হয়। মূলতঃ মহাবিদ্যালয়ৰ ছাত্রীসকলক ব্যক্তিগত সুৰক্ষাৰ বিভিন্ন কৌশলৰ বিষয়ে প্রশিক্ষণ প্রদান কৰিবলৈ কেশৰৰাম বৰা প্রেক্ষাগৃহত দুপৰীয়া ১২ বজাৰ পৰা আয়োজিত অনুষ্ঠানটিৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ বি.ডক. (আইটি) বিভাগৰ প্রাক্তন আধাপক ভাস্কৰ কমল বৈশ্যৰ বিয়োগত এক মিনিট সময় মৌন প্রার্থনা কৰা হয়। প্রথমতে আমন্ত্রিত বিশিষ্ট ব্যক্তিসকলক মহিলা সৱলীকৰণ কোষৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। কর্মশালাখনি আনুষ্ঠানিকভাবে উদ্ঘোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয় যে আত্মসুৰক্ষা মানে কেৱল শাৰীৰিক আক্রমণৰ পৰা সুৰক্ষিত হোৱাটোকে নুবুজায়। শাৰীৰিক, মানসিক, বৌদ্ধিক আদি ক্ষেত্রত নিজকে সুৰক্ষিত কৰাটো আজিৰ সময়ত অত্যন্ত প্রয়োজনীয় বুলি উল্লেখ কৰি তেওঁ অনাগত সময়তো এনে কার্যসূচী অনুষ্ঠিত কৰিবলৈ সকলোকে আহ্বান জনায়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শুভদর্শিনীয়ে কয় যে প্রাচীন কালৰপৰাই মহিলাসকলে আত্মৰক্ষাৰ নীতি গ্রহণ কৰি আহিছে। অসম আৰু ভাৰতৰ মহীয়সী নাৰীসকলৰ উদাহৰণেৰে বিশেষকৈ ছাত্রীসকলক নিজৰ সুৰক্ষাৰ বাবে মানসিকভাৱে প্রস্তুত হ'বৰ বাবে তেওঁ পৰামর্শ দিয়ে। ইয়াৰ পিছতেই প্রশিক্ষক হিচাপে উপস্থিত থকা মহাবিদ্যালয়ৰ ছাত্র-ছাত্রী তথা কেৰাটৈ ব্লেক বেল্ট অর্জন কৰা বেৰী নাটে, পুজা চৰকাৰ আৰু পল্লৱ দত্তই ছাত্রীসকলক স্বসুৰক্ষাৰ বিভিন্ন কৌশলৰ বিষয়ে অৱগত কৰি প্রশিক্ষণ প্রদান কৰে। আজিৰ সভাতে অল পতংচে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ কার্যবাহী পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হোৱাৰ লগতে বিশ্ববিদ্যালয়ৰ এফলিয়েশান সমিতিৰ সদস্য মনোনীত হোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াক মহিলা সৱলীকৰণ কোষৰ তৰফৰ পৰা অংগৱস্ত্র আৰু গুৱৰ টোপোলাৰে সম্ভাষণ জনোৱা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ প্রশাসনিক সমন্বয়ক প্রশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক বসন্তবৰা, শিক্ষক গোটৰ সভাপতি ড° ব্রজেন চন্দ্র নেওগ, উপসভাপতি ড° ৰূপজ্যোতি বৰা, সম্পাদক ড° অনুপ কুমাৰ দলৈ, আধ্যাপিকা গীতাবালী গোস্বামী, ইন্দিৰা বড়া, আধ্যাপক তুলসী বাজখোৱা, অপূর্বজ্যোতি হাজৰিকা, নব দাস, ড° জয়া কলিতা গগৈ, ড° পল্লবী দুৱৰা, ড° অৰুণ বুঢ়াগোহাঁই, ড° জুলী গগৈ, ৰুবী বৰা, প্রীতিলেখা গগৈ, অভিনব শংকৰ গোস্বামী, বিদিশা ভট্টাচার্য, প্রজ্ঞা পাৰমিতা কৌশিক, ড° শ্বাহনজ আহমেদ, গগৈ, নৱজিৎ চলেং, ড° বাৰেশ কুমাৰ মুখ্য সহায়ক উৎপল বৰুৱা, কিৰণ চমুৱা, গৌতম দাস, নাবাগাৱ শইকীয়া, শৰীৰ চর্চা বিভাগৰ প্রশিক্ষক বিতোপন হাজৰিকা প্রমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি সৌষ্ঠব বৃদ্ধি কৰে। লেফটেনেণ্ট কংকন বৰদৈয়ে প্রশিক্ষকসকলক মানপত্র প্রদান কৰে। মহাবিদ্যালয় মহিলা কোষৰ সম্পাদিকা ড° অনুৰা বৰুৱাই আঁত ধৰা অনুষ্ঠানৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে ডেঃ সুদর্শনা ফুকনে।

◆ গণতান্ত্রিক প্রক্রিয়াত যুৱ-প্রজন্মৰ সক্রিয় অংশগ্রহণৰ আহ্বান ◆

শদিয়া মহাবিদ্যালয়ত 'যুৱ সংবাদ ২০২৬' অনুষ্ঠিত

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, তিনিচুকীয়া, ৬ অক্টোবৰ ঃ যুৱ প্রজন্মৰ মাজত গণতান্ত্রিক চেতনা জাগ্রত কৰা আৰু দেশৰ গণতান্ত্রিক প্রক্রিয়াত তেওঁলোকৰ সক্রিয় অংশগ্রহণ নিশ্চিত কৰাৰ লক্ষ্যৰে আজি শদিয়াৰ ছাপখোৱাস্থিত শদিয়া মহাবিদ্যালয়ত 'যুৱ সংবাদ ২০২৬' শীর্ষক এক সজাগতামূলক কার্যসূচী অনুষ্ঠিত হয়। ভাৰত চৰকাৰৰ যুৱ পৰিক্রমা আৰু ক্রীড়া মন্ত্রালয়ৰ অধীনস্থ মাই ভাৰত কেন্দ্র, তিনিচুকীয়া জিলাৰ উদ্যোগত মহাবিদ্যালয়খনৰ ৰাষ্ট্রীয় সেৱা যোজনা (এন এছ এছ) গোটৰ সহযোগত এই কার্যসূচী ৰূপায়ণ কৰা হয়। দেশজুৰি অনুষ্ঠিত এই কার্যসূচীৰ জৰিয়তে যুৱ নাগৰিকসকলক গণতান্ত্রিক অধিকাৰ আৰু কর্তব্যৰ বিষয়ে সজাগ কৰি তোলাৰ লগতে ৰাষ্ট্র নির্মাণত যুৱ প্রজন্মৰ গুৰুত্বপূর্ণ ভূমিকা সম্পর্কে সচেতন কৰাব প্রয়াস কৰা হয়। বস্তি প্রজ্বলনেৰে কার্যসূচীৰ শুভাৰম্ভ কৰা হয়। মাই ভাৰত কেন্দ্রৰ তিনিচুকীয়া জিলাৰ যুৱ বিষয়া কৌটিল্য বুঢ়াগোহাঁইয়ে আদৰণী ভাষণ প্রদান কৰা অনুষ্ঠানটোত শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়াই উদ্বোধনী ভাষণ আগবঢ়ায়। তেওঁ এনে এক সময়োপযোগী কার্যসূচী আয়োজন কৰাৰ বাবে মাই ভাৰত কেন্দ্র আৰু মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ পদক্ষেপৰ শলাগ লয়। অনুষ্ঠানত যুৱ আইকন তৰণী সোণীয়ে ভোটাৰ তালিকাৰ বিশেষ সংশোধন (এছ আই আৰ), ভোটাধিকাৰৰ গুৰুত্ব আৰু গণতান্ত্রিক ব্যৱস্থাত যুৱ নাগৰিকসকলৰ দায়িত্ব সম্পর্কে এক তথ্যসমৃদ্ধ বক্তব্য আগবঢ়ায়। তেওঁ নির্বাচনী প্রক্রিয়াত সজাগ আৰু দায়িত্বশীল অংশগ্রহণৰ প্রয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰে। আনহাতে, ক্রীড়া আইকন আনিছা আখতাৰ আহমেদে নিজৰ ক্রীড়া জীৱনৰ সফলতাৰ অভিজ্ঞতা শিক্ষার্থীসকলৰ সৈতে ভাগ-বতৰা কৰে। তেওঁ ২০২৫ চনৰ এছ জি এফ আই বাষ্ট্রীয় জুডো প্রতিযোগিতাত ৰূপৰ পদক অর্জন কৰাৰ পিছত ২০২৬ চনৰ এছ জি এফ আই দিল্লী গেমছতব্রঞ্জৰ পদক লাভ কৰাৰ সফল যাত্রাৰ বিষয়ে বর্ণনা কৰে। ছোপাখোৱা পৌৰসভাৰ সভাপতি বিচিত্রাৰতী সোণোৱালে নাগৰিকৰ কর্তব্য আৰু দায়িত্বৰ লগতে যুৱ প্রজন্মৰ প্রতি সমাজৰ প্রত্যাশা সম্পর্কে বক্তব্য আগবঢ়ায়। ৰাজ্যস্তৰা জীৱনত যুৱ সমাজৰ দায়িত্বশীল অংশগ্রহণে এখন সচেতন আৰু প্রগতিশীল সমাজ গঢ়াত বিশেষ ভূমিকা পালন কৰিব পাৰে বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানৰ অন্যতম উল্লেখযোগ্য দিশ আছিল বক্তাসকলৰ সৈতে শিক্ষার্থীসকলৰ মত বিনিময় অনুষ্ঠান। এই পর্বত ছাত্র-ছাত্রীসকলে বিভিন্ন বিষয়ত নিজৰ মতামত প্রকাশ কৰাৰ লগতে গণতান্ত্রিক প্রতিষ্ঠানসমূহ শক্তিশালী কৰাৰ ক্ষেত্রত যুৱ প্রজন্মৰ কৰণীয় সম্পর্কে বিভিন্ন দিশ জানিবলৈ সুযোগ লাভ কৰে। অনুষ্ঠানত প্রায় ১৮০ গৰাকী ছাত্র-ছাত্রী, ২৫ গৰাকী শিক্ষক-শিক্ষয়িত্রী আৰু আমন্ত্রিত অতিথিয়ে অংশগ্রহণ কৰে। শেষত গণতান্ত্রিক শপত পাঠ কৰোৱাৰ পিছত ৰাষ্ট্রীয় সংগীত পৰিবেশন কৰা হয়। শদিয়া মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা মুনমী কলিতাই শলাগ মাৰি আগবঢ়োৱাৰ লগতে সমগ্র অনুষ্ঠানটো সুচাৰুৰূপে ওঁত ধৰে।

বৰডুমচাৰ টেকেৰী গাঁৱত চুৰিকাণ্ড; ৰাইজৰ হাতত আটক সন্দেহযুক্ত চোৰ

অসম বার্তা, বৰডুমচা, ৬ অক্টোবৰ ঃ বৰডুমচা আৱকী থানাৰ অন্তর্গত টেকেৰী গাঁৱত নামঘৰৰ পৰা চুৰি হোৱা সামগ্রী উদ্ধাৰক কেন্দ্র কৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, গাঁওবাসীয়ে লুটু ফুকন নামৰ এজন লোকক চুৰিৰ অভিযোগত হাতে-লোটে আটক কৰি সোধা-পোছা কৰে। অভিযোগ অনুসৰি, সোধা-পোছাৰ সময়ত নামঘৰৰ পৰা চুৰি হোৱা বাতি বৰডুমচাৰ আন এজন ব্যক্তিৰ ওচৰত বিক্রী কৰা বুলি জানিবলৈ দিয়ে। পৰবর্তী সময়ত তেওঁৰ দেখুৱাই দিয়াৰ ভিত্তিত বৰডুমচাৰ চাহেবজান আলী নামৰ ব্যক্তিজনৰ ঘৰৰ পৰা নামঘৰৰ পৰা চুৰি হোৱা বাতিল লগতে কাঁহৰ কাঁহী-বাটিও উদ্ধাৰ কৰা হয়। ইফালে, বাইজে আটক কৰা লুটু ফুকনক পৰবর্তী সময়ত আৱহীয়ে বৰডুমচা আৱহী থানালৈ টেনি যায়। বাতিও প্রস্তুত কৰাৰ সময়লৈকে তেওঁ আৱহী থানাত আছিল বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, বিগত কিছুদিন ধৰি বৰডুমচাৰ বিভিন্ন অঞ্চলত সৰু-বৰ চুৰিকাণ্ডৰ ঘটনা সংঘটিত হৈ অহাৰ অভিযোগ উত্থাপিত হৈছে। সমগ্র ঘটনাটিকে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

বিহালীত ২০২৬-২৭ বর্ষৰ চৰকাৰী ধান সংগ্রহ প্রক্রিয়াৰ শুভাৰম্ভ

কৃষকক পঞ্জীয়নৰ আহ্বান জনালে সাংসদ ৰঞ্জিত দত্তই

অসম বার্তা, জিনজিয়া, ৬ অক্টোবৰ ঃ অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডৰ তত্ত্বাবধানত বিধানথা জিলাৰ বিহালী ধান ক্রয় কেন্দ্রত ২০২৬-২৭ বর্ষৰ খৰিফ বিপণন বর্ষৰ প্রথম শস্যৰ চৰকাৰী ধান সংগ্রহ প্রক্রিয়াৰ শুভাৰম্ভ কৰা হয়। আজি অনুষ্ঠিত এই শুভাৰম্ভণি অনুষ্ঠানত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্রক্রিয়াটোৰ শুভ উদ্বোধন কৰে। উদ্বোধনী ভাষণত সাংসদ ৰঞ্জিত দত্তই বিহালীৰ প্রতিগৰাকী কৃষকক চৰকাৰী সুবিধাৰ পূর্ণ সুযোগ গ্রহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, "কৃষকসকলে কোনো অসুবিধা নোহোৱাকৈ পঞ্জীয়ন কৰি নিজৰ উৎপাদিত ধান উচিত মূল্যত চৰকাৰক বিক্রী কৰক। ইয়াৰ ফলত আপোনালোকে ন্যায্য মূল্য লাভ কৰিব আৰু মধ্যস্বত্বভোগীৰ হাতৰ পৰা ৰক্ষা পৰিব।" লগতে তেওঁ ধান ক্রয় প্রক্রিয়াটো যাতে স্বচ্ছ, খৰতকীয়া আৰু কৃষক-বান্ধৱ হয় তাৰ বাবে বিভাগীয় বিষয়া-কর্মচাৰীসকলকো নিষ্ঠাৰে কাম কৰিবলৈ নির্দেশ দিয়ে। অনুষ্ঠানত বিহালীৰ বিধায়ক মুনীন্দ্র দাস, বিধানথা জিলা

সম্পাদকীয়

সুৰক্ষাৰ ব্যৰ্থতা নে অসাৱধানতা ?

ডিব্ৰুগড় জিলাৰ টেঙাখাতস্থিত অইল ইণ্ডিয়া লিমিটেডৰ (অইল) ইণ্টাৰমিডিয়েট টেংক ফাৰ্মত শুকুৱাৰে পুৱা সংঘটিত ভয়ংকৰ বিস্ফোৰণৰ আৰু তাৰ পৰবৰ্তী অগ্নিকাণ্ডই সমগ্ৰ ৰাজ্যবাসীকে মৰ্মাহত আৰু শংকিত কৰি তুলিছে। ৰক্ষণাবেক্ষণমূলক কাৰিকৰী কাম চলি থকাৰ সময়তে সংঘটিত এই শোকাৱহ দুৰ্যোগত ৰাজু দত্ত নামৰ এজন কৰ্মচাৰীয়ে প্ৰাণ হেৰুৱাবলগীয়া হ'ল আৰু আন কেইবাজনো গুৰুতৰভাবে আহত হৈ বৰ্তমান অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যুৰ সৈতে সংগ্ৰাম কৰিবলগীয়া হৈছে। এই ঘটনাই কেৱল এটা প্ৰতিষ্ঠানৰ কৰ্মৰ সংস্কৃতিকেই কাঠগড়াত থিয় কৰোৱা নাই, ৰক্ষণ ৰাজহুৱা খণ্ডৱ তেল প্ৰতিষ্ঠানসমূহত কাম কৰা শ্ৰমিকসকলৰ সুৰক্ষা আৰু জীৱনৰ নিৰাপত্তাক লৈ বহুকেইটা গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে।

প্ৰথমতে, এটা তেল টেংক ফাৰ্মৰ দৰে অতি সংবেদনশীল আৰু বিপদসংকুল স্থানত ৰক্ষণাবেক্ষণৰ কাম চলি থকাৰ সময়ত এনেধৰণৰ ভয়ংকৰ বিস্ফোৰণ ঘটাটো কিমান দূৰ গ্ৰহণযোগ্য? প্ৰাথমিক খবৰ অনুসৰি, ভালৰ চলোৱাৰ সময়তে এই বিস্ফোৰণবোটো ঘটিছিল। যদি প্ৰয়োজনীয় সকলো কাৰিকৰী সতৰ্কতা আৰু মানদণ্ড (Standard Operating Procedures) পালন কৰা হৈছিল, তেন্তে কিয় এই দুৰ্ভাগীয়া পৰিস্থিতিৰ সৃষ্টি হ'ল? সাধাৰণ জনতাৰ মনত স্বাভাৱিকতে প্ৰশ্ন উত্থাপন হৈছে— এয়া কি কোনো কাৰিকৰী বিজুতি আছিল, না প্ৰতিষ্ঠানিক অসাৱধানতা আৰু দায়িত্বহীনতা?

দ্বিতীয়তে, অইল ইণ্ডিয়া লিমিটেডৰ দৰে এখন মৰ্যাদাপূৰ্ণ আৰু বৃহৎ প্ৰতিষ্ঠানত নিযুক্তি পোৱা চুক্তিভিত্তিক বা ঠিকাভিত্তিক শ্ৰমিকসকলৰ সুৰক্ষাৰ দায়িত্ব কাৰ? নিহত ৰাজু দত্ত মুম্বাইস্থিত স্পেক্ট্ৰন ইঞ্জিনিয়াৰ্ছ প্ৰাইভেট লিমিটেডৰ কৰ্মচাৰী আছিল। প্ৰায়ে দেখা যায় যে মূল প্ৰতিষ্ঠানসমূহে বিভিন্ন কামৰ বাবে ঠিকাদাৰ বা বাহিৰী কোম্পানীক দায়িত্ব অৰ্পণ কৰি নিজৰ দায়িত্বৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰে। কিন্তু শ্ৰমিকসকলৰ প্ৰাণৰ সুনিশ্চিতকৰণৰ দায়িত্ব কোনে ল'ব? কিয় প্ৰতিটো দুৰ্ঘটনাৰ পিছত কেৱল দুৰ্ভগীয়া শ্ৰমিকৰ পৰিয়ালেই সৰ্বস্বান্ত হ'বলগীয়া হয়? আহত কৰ্মচাৰীসকলৰ চিকিৎসা আৰু তেওঁলোকৰ পৰিয়ালৰ ভৰিষ্যতৰ সুৰক্ষাৰ বাবে প্ৰতিষ্ঠাকে প্ৰতিশ্ৰুতি কি পদক্ষেপ লৈ, সেয়া আজিকালি গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈ পৰিছে।

তৃতীয় গুৰুতৰ বিষয়টো হ'ল- প্ৰাকৃতিক সম্পদসমৃদ্ধ অসমৰ ভূমিষ্ঠ অঞ্চলসমূহত চলি থকা তেল আৰু গেছ ড্ৰিলিং বা সংৰক্ষণ প্ৰকল্পসমূহত স্থানীয় জনসাধাৰণৰ সুৰক্ষা। টেঙাখাতৰ এই বিস্ফোৰণৰ প্ৰচণ্ড শব্দ আৰু তাৰ পাছত আকাশলংঘী জুইশিকাৰ পৰিস্থিতিয়ে কাষৰীয়া অঞ্চলৰ বাসিন্দাসকলক চূড়ান্ত আতংকিত কৰি তুলিছিল। প্ৰাণৰ সুৰক্ষাৰ বাবে বহু পৰিয়ালে ঘৰ-বাৰী এৰি নিৰাপদ স্থানলৈ পলায়ন কৰিবলগীয়া হৈছিল। ইমান ডাঙৰ ঔদ্যোগিক খণ্ডবোৰৰ আশে-পাশে বাস কৰা সাধাৰণ মানুহৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষাৰ বাবে কি জৰুৰীকালীন প্ৰস্তুতি (Disaster Management Preparedness) থকা উচিত, সেয়া আজিকালি এক প্ৰধান চিন্তনীয় বিষয় হৈ পৰিছে। দুৰ্যোগৰ পিছত কেৱল অগ্নিনিৰ্বাপক বাহিনীয়ে ড্ৰুই নিৰ্বাপনৰ চেষ্টা চলোৱাটোকেই পৰ্যাপ্ত নহয়, আগতীয়াকৈ তেনে দুৰ্ঘটনা প্ৰতিৰোধ কৰাৰ বাবে সুৰক্ষামূলক ব্যৱস্থা কিমান শক্তিশালী, সেয়াহে প্ৰধান কথা।

ঘটনাৰ খবৰ পোৱাৰ পিছত জিলা প্ৰশাসন আৰু প্ৰতিষ্ঠানিক কৰ্তৃপক্ষই তদন্ত আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। কিন্তু আমি কেৱল তদন্তৰ প্ৰতিবেদন আৰু ক্ষতিপূৰণৰ ঘোষণাৰ মাজতে সীমাবদ্ধ হৈ থাকিলে নহ'ব। অতীতৰ বহু তেল ড্ৰিলিং বা টেংক বিস্ফোৰণৰ ঘটনাৰ সঠিক কাৰণ আৰু দোষীৰ বিৰুদ্ধে লোৱা ব্যৱস্থাৰ সম্ভন্ধতা অভাব দেখা গৈছে। এইবাৰ যাতে তেনে নহয়, তাৰ প্ৰতি সজাগ দৃষ্টি ৰখা প্ৰয়োজনীয়। অসমৰ ভূমিৰ বুকুত থকা খনিজ তেল আমাৰ অৰ্থনীতিত গুৰুত্বৰ অৱদান আগবঢ়াইছে সঁচা, কিন্তু ইয়াৰ মূল্য যেন কোনো শ্ৰমিকৰ প্ৰাণ বা স্থানীয় জনসাধাৰণৰ নিৰাপত্তাহীনতা নহয়। অইল ইণ্ডিয়া কৰ্তৃপক্ষ আৰু চৰকাৰে এই দুৰ্ঘটনাৰ এক নিৰপেক্ষ, উচ্চস্তৰীয় আৰু ত্বৰান্বিত ন্যায়িক বা কাৰিকৰী তদন্ত চলাই দোষী পক্ষক চিনাক্ত কৰিব লাগিব। একে সময়তে, ভুক্তভোগী পৰিয়ালটোক উপযুক্ত আৰ্থিক ক্ষতিপূৰণ আৰু আহত কৰ্মচাৰীসকলক উন্নতমৰ চিকিৎসা সেৱা বিনামূলে প্ৰদান কৰাটো প্ৰতিষ্ঠানটোৰ নৈতিক দায়িত্ব।

ভৰিষ্যতে টেঙাখাত বা ৰাজ্যৰ অন্যান্য প্ৰান্তত যাতে এনে কোনেও দুৰ্ভাগ্যজনক ঘটনাৰ পুনৰাবৃত্তি নঘটে, তাৰ বাবে প্ৰতিটো প্ৰতিষ্ঠানে সুৰক্ষা প্ৰট'কল কটকটীয়া কৰিব লাগিব। শ্ৰমিকৰ তেজ-বাৰেলৰ ওপৰত নিৰ্মিত ঔদ্যোগিক প্ৰগতিৰ পথত মানৱীয়তা আৰু সুৰক্ষাক সৰ্বোচ্চ স্থান দিয়াটোৱেই আজিৰ আটাইতকৈ ডাঙৰ প্ৰয়োজনীয়তা।

মূল্যবোধৰ অৱক্ষয় আৰু ৰক্তাক্ত গুৱাহাটী



গুৱাহাটীক এখন সঁচা অৰ্থত সুৰক্ষিত মহানগৰী হিচাপে গঢ়ি তুলিবলৈ নাগৰিক সমিতি বা প্ৰতিবেশী গোটসমূহক অধিক সক্ৰিয় কৰাৰ প্ৰয়োজন আছে। সমাজৰ পচলন লোকসকলে আগভাগ লৈ যুৱপ্ৰজন্মক বিপথগামী হোৱাৰ পৰা ৰক্ষা কৰিবলৈ গঠনমূলক কৰ্মসূচী গ্ৰহণ কৰিব লাগিব। অৱশ্যেষ সৈতে জনসাধাৰণৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক স্থাপন কৰিলেহে অপৰাধ বিষয়ে আগতীয়াকৈ খবৰ পোৱাটো সম্ভৱপৰ হ'ব। প্ৰশাসনৰ খণ্ডৰ পৰা কেৱল নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰিলেই অপৰাধ সম্পূৰ্ণকৈ নিৰ্মূল নহয়, ইয়াৰ বাবে সমাজৰ চিন্তা-ধাৰাবো পৰিবৰ্তন ঘটিব লাগিব। সমাজৰ প্ৰতিটো স্তৰতে মানৱতা, ভাতৃত্ববোধ আৰু পাৰস্পৰিক শ্ৰদ্ধাৰ পৰিবেশ ঘুৰাই আনিব লোৱাবিলে কেৱল আইনৰ ভয় দেখুৱাই এখন সুস্থ সমাজ গঢ়ি তুলিব নোৱাৰি। গুৱাহাটীৰ দৰে এখন দ্ৰুতগতিত বিকশিত মহানগৰীত অপৰাধ শিপাডোল ক্ৰমান্বয়ে সমাজৰ গভীৰলৈ সোমাই গৈছে! ইয়াক সমূলি উভালি পেলাবলৈ কেৱল আইনৰ কঠোৰ প্ৰয়োগ বা আৰক্ষীৰ টহলদাৰীয়েই যথেষ্ট নহয়, ইয়াৰ বাবে প্ৰয়োজন এক সামগ্ৰিক সামাজিক জাগৰণৰ।

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰৰেশদ্বাৰ স্বৰূপ গুৱাহাটী মহানগৰী কেৱল অসমৰেই নহয়, সমগ্ৰ উত্তৰ-পূৰৱ বাণিজ্যিক, শৈক্ষিক আৰু সাংস্কৃতিক প্ৰাণকেন্দ্ৰ। দ্ৰুত নগৰীকৰণ, অত্যাধুনিক আন্তঃগাঁথনিৰ বিকাশ আৰু জনসংখ্যাৰ দ্ৰুত বৃদ্ধিয়ে গুৱাহাটীক এখন আধুনিক মেট্ৰ'পলিটান চহৰ হিচাপে গঢ়ি তুলিছে। কিন্তু এই দ্ৰুত উন্নয়ন আৰু জাকজমকতাৰ সমান্তৰালভাবে মহানগৰীখনৰ বুকুত শেহতীয়াকৈ গা কৰি উঠা এক ক'লা ছাঁই সমগ্ৰ ৰাজ্যবাসীক বাৰুকৈয়ে চিন্তিত কৰি তুলিছে, সেয়া হৈছে ক্ৰমান্বয়ে বৃদ্ধি পোৱা অপৰাধৰ ভয়ংকৰ প্ৰৱণতা। চুৰি, ডকাইতি বা সাধাৰণ অপৰাধৰ পৰিসৰ অতিক্ৰম কৰি বৰ্তমান গুৱাহাটীত এনে কিছুমান লোমহৰ্ষক আৰু পৰিকল্পিত অপৰাধ সংঘটিত হ'বলৈ ধৰিছে, যিয়ে সাধাৰণ নাগৰিকৰ নিৰাপত্তা-বোধক গভীৰভাবে জোকাৰি গৈছে। কিয় গুৱাহাটীত অপৰাধৰ প্ৰকৃতি ইমান ভয়ংকৰ হৈ পৰিছে? ইয়াৰ আঁৰত প্ৰশাসনৰ ব্যৰ্থতা নে সমাজ ব্যৱস্থাৰ অবক্ষয় নিহিত হৈ আছে, সেয়া বৰ্তমান সময়ৰ এক অতি গুৰুত্বপূৰ্ণ তথা স্পৰ্শকাতৰ আলোচ্য বিষয় হিচাপে বিবেচিত হৈছে।

শেহতীয়াকৈ গুৱাহাটীৰ অন্যতম ব্যস্ততাপূৰ্ণ আৰু নিৰাপত্তাবেষ্টনী থকা জি এছ ৰোডৰ ৰবা চাৰ্ভিছ এলেকাত সংঘটিত হোৱা এক জঘন্য নৃশংস হত্যাকাণ্ডই মহানগৰীত অপৰাধৰ ভয়ংকৰ ৰূপটো পুনৰবাৰ উন্মোচিত কৰিছে। যোৱা ২৬ অক্টোবৰ, ২০২৬ তাৰিখে 'হোটেল বিলাস ইন'ত সংঘটিত হোৱা এক ভয়ংকাল নাৰ ঘটনাত পীড়জনকৈ নিৰীহ লোকৰ কৰুণ মৃত্যু হয়। এই ঘটনাত মূলতঃ হোটেলখনৰ স্বত্বাধিকাৰী তথা গুৱাহাটীৰ এগৰাকী প্ৰতিষ্ঠিত মহিলা উদ্যোগী হেলেনা ভৱালী, তেওঁৰ ভাতৃ ভূদেৱ ভৱালী, পুত্ৰ দেবৰ্ষি কাশ্যপ, বোৱাৰী বিপিকা কাশ্যপ আৰু পৰিয়ালটোৰ চালক নাৰায়ণ দাসক পইন্ট-ব্লেংক ৰেঞ্জৰ পৰা নিৰ্মমভাবে গুলীয়াই হত্যা কৰা হয়। আৰক্ষীৰ প্ৰাথমিক তদন্তত পোহৰলৈ অহা অনুসৰি, হোটেলখনৰ লীজ বা বন্দোৱস্তীক লৈ হোৱা এক দীৰ্ঘদিনীয়া সম্পত্তিৰ বিবাদেই আছিল এই ভয়ংকৰ কাণ্ডৰ মূল কাৰণ। অভিযুক্ত ঘৰুৱা গঁগৈয়ে নিজৰ অনুজাপত্ৰ থকা ৩২ বৰষৰ পিষ্টল ব্যৱহাৰ কৰি এইদৰে হত্যা চলাইছিল। চৰবণ আটাইতকৈ ব্যস্ত অঞ্চল এটাৰ ভিতৰত, এটা সাম্প্ৰদায়িক সম্পত্তিৰ বিবাদক লৈ এনেদৰে সমগ্ৰ পৰিয়াল এটাক নিঃশেষ কৰি দিয়াৰ মানসিকতাই গুৱাহাটীৰ অপৰাধ জগতৰ এক ভয়াৱহ দিশ উদঙাই দিছে। এইকাণ্ডইপ্ৰমাণ কৰে যে অপৰাধ এতিয়া কেৱল লাগী অপৰাধী আৰু আসামিজন লোকৰ মাজতে সীমাবদ্ধ হৈ থকা নাই, বৰঞ্চ সাধাৰণ যেন লগা মানুহৰ মাজতো ক্ৰোধ, হতাশা আৰু প্ৰতিহিংসাৰ চৰম পৰিণতি হিচাপে অপৰাধে ভয়ংকৰ ৰূপত গা কৰি উঠিছে। গুৱাহাটীত ক্ৰমান্বয়ে বৃদ্ধি পোৱা এনে অপৰাধৰ কাৰণসমূহৰ এক নিৰপেক্ষ বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াৰ আঁৰত একাধিক আৰ্থ-সামাজিক আৰু মানসিক কাৰক ওতপ্ৰোতভাবে জড়িত হৈ আছে। প্ৰথমতে, দ্ৰুত নগৰীকৰণৰ ফলত মানুহৰ মাজত অৰ্থনৈতিক প্ৰতিযোগিতা আৰু ভৌতিক সম্পদৰ প্ৰতি লালসা অস্বাভাবিকভাবে বৃদ্ধি পাইছে। মাটি-বাৰীৰ মূল্যৰ আকাশলংঘী বৃদ্ধি, সম্পত্তিৰ বিবাদ, আৰু কম সময়তে অধিক ধন ঘটাব প্ৰৱণতাই মানুহৰ বিচাৰবোধ আৰু বিবেকক অন্ধ কৰি তুলিছে। হেলেনা ভৱালীৰ হত্যাকাণ্ড ইয়াৰ এক জ্বলন্ত উদাহৰণ, য'ত ব্যৱসায়িক মতাদ্বন্দ্ব আৰু লীজৰ চুক্তিক লৈ হোৱা সাধাৰণ বিবাদ এটাই এনে এক ভয়ংকৰ ৰূপ ধাৰণ কৰিলে। দ্বিতীয়তে, আধুনিক নাগৰীয়া জীৱনযাত্ৰাই মানুহক অধিক আত্মকেন্দ্ৰিক আৰু যান্ত্ৰিক কৰি তুলিছে। পাৰস্পৰিক বুজাবুজি, সহনশীলতা আৰু প্ৰতিবেশীৰ সৈতে থকা সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক ক্ৰমাং নোহোৱা হৈ আহিছে। যাৰ ফলত সৰু সৰু বিবাদবোৰো আদালত বা সমাজৰ মঞ্জিয়াত শান্তিপূৰ্ণভাবে মীমাংসা হোৱাৰ পৰিবৰ্তে হিংসাত্মক ৰূপ লৈ ধৰিছে। হিয়াৰ উপৰিও, সমাজত ক্ৰমান্বয়ে বৃদ্ধি পোৱা মানসিক চাপ আৰু হতাশা নিয়ন্ত্ৰণৰ অভাৱে মানুহৰ হিতাহিত জ্ঞান শূন্য কৰি তুলিছে। সৰু কথাত উত্তেজিত হোৱা আৰু আইন নিজৰ হাতলৈ তুলি লোৱাৰ প্ৰৱণতা গুৱাহাটীত এক সাধাৰণ ঘটনাত পৰিণত হৈছে। আধুনিক সমাজত ধন-সম্পত্তিৰ মোহে মানৱীয় সম্পৰ্কবোৰক চৰে পেলাই যোৱাটো এক ভয়ংকৰ ব্যাধিলে ৰূপান্তৰিত হৈছে। এই সমগ্ৰ পৰিস্থিতিত অসম চৰকাৰ আৰু অসম আৰক্ষীৰ ভূমিকা আৰু ব্যৱস্থাসমূহৰ ওপৰতো আলোক পাত কৰাটো অতিশয় প্ৰয়োজন। চৰকাৰীভাৱে প্ৰকাশিত পৰিসংখ্যা অনুসৰি, বিগত কেইবছৰমানত অসমত অপৰাধৰ সামগ্ৰিক হাৰ যথেষ্ট হ্ৰাস পাইছে বুলি দাবী কৰা হয়। চৰকাৰে অপৰাধীৰ বিৰুদ্ধে "জিৰ' টলাৰেন্স" নীতি গ্ৰহণ কৰিছে আৰু গুৱাহাটী মহানগৰীক নিৰাপদ কৰিবলৈ চৰবখনৰ বিভিন্ন স্থানত চিচিটিভি কেমেৰা স্থাপন, ৰাতিৰ টহলদাৰী বৃদ্ধি আদি বাহিক নিৰাপত্তামূলক ব্যৱস্থাসমূহ সুদৃঢ় কৰিছে। হেলেনা ভৱালী হত্যাকাণ্ড ক্ষেত্ৰতো অসম আৰক্ষীৰ ভূ মিকা তাৎক্ষণিক আছিল। ঘটনা সংঘটিত হোৱাৰ মাত্ৰ কেই টা মান ঘণ্টাৰ ভিতৰতে আৰক্ষীয়ে মূল অভিযুক্ত ঘৰকান্ত গঁগৈক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আৰু অপৰাধত ব্যৱহৃত আগ্নেয়াস্ত্ৰও উদ্ধাৰ কৰে। আৰক্ষীৰ এনে ধৰণৰ দ্ৰুত পদক্ষেপ সঁচাকৈয়ে প্ৰশংসনীয় আৰু ই সমাজৰে এক কঠোৰ বাৰ্তা কঢ়িয়াই আনে যে অপৰাধ কৰি কোনেও সাৰি যাব নোৱাৰে। বিগত সময়ছোৱাত আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰী, ছিণ্ডিকেট চক্ৰ আৰু অপৰাধীৰ বিৰুদ্ধে ধাৰাবাহিকভাবে অভিযান চলাই আহিছে, যিয়ে গুৱাহাটীৰ অপৰাধ জগতক বহুপৰিমাণে দুৰ্বল কৰিছে। তথাপিও, এক নিৰপেক্ষ দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে চৰকাৰী পৰিসংখ্যা আৰু সাধাৰণ নাগৰিকৰ বাস্তৱিক নিৰাপত্তাবোধৰ মাজত এতিয়াও এক স্পষ্ট ব্যৱধান বিৰাজমান। অপৰাধ সংঘটিত হোৱাৰ পিছত আৰক্ষীয়ে অপৰাধীক দ্ৰুতগতিত কৰাম্বয় কৰিছে সঁচা, কিন্তু এনে জঘন্য অপৰাধসমূহ সংঘটিত হোৱাৰ পূৰ্বেই প্ৰতিবোধ কৰিব পৰা ব্যৱস্থাৰ ক্ষেত্ৰত আৰক্ষীৰ চোৱাচকিৰা ব্যৱস্থাত কিছু সীমাবদ্ধতা থকা যেন অনুভৱ হয়। বিশেষকৈ অনুজ্ঞাপত্ৰ থকা অস্ত্ৰৰ অপপ্ৰয়োগ বোধ কৰাৰ ক্ষেত্ৰত আৰক্ষী প্ৰশাসন অধিক কঠোৰ আৰু থকা আগ্ৰোয়াস্ত্ৰ আছে, তেওঁলোকৰ মানসিক স্বাস্থ্য, দৈনন্দিন আচৰণ আৰু অপৰাধমূলক প্ৰৱণতাৰ নিয়মীয়া পৰ্যবেক্ষণ হোৱাটো বাঞ্ছনীয়। তদুপৰি, দেৱানী গোচৰ বা সম্পত্তিৰ বিবাদসমূহ আইনী প্ৰক্ৰিয়াৰে নিষ্পত্তি হোৱাত লগা দীঘলীয়া সময়ে একাংশ লোকক হতাশ কৰি তোলে আৰু ফলস্বৰূপে তেওঁলোকে আইন নিজৰ হাতলৈ তুলি ল'বলৈ কুণ্ঠাবোধ নকৰে। সেয়েহে, আৰক্ষী প্ৰশাসনে কেৱল অপৰাধ নিৰ্মূলৰ বাবেই নহয়, সমাজত চলি থকা এনে স্পৰ্শকাতৰ বিবাদসমূহ ওপৰত পূৰ্বৰে পৰা নজৰ ৰখাৰ এক সুদূৰ ব্যৱস্থা গঢ়ি তোলা উচিত, যাতে ভৰিষ্যতে সৰু বিবাদ এটা ডাঙৰ অপৰাধলৈ ৰূপান্তৰিত হ'ব নোৱাৰে। আনহাতে, অপৰাধ নিয়ন্ত্ৰণ কেৱল আৰক্ষী বা চৰকাৰৰ দায়িত্ব বুলি ভাবি জনসাধাৰণে হাত সাবটি বহি থাকিলে কেতিয়াও এক স্থায়ী সমাধান সূত্ৰ ওলাব নোৱাৰে। এখন সুৰক্ষিত আৰু সুস্থ সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰতিবেশী নাগৰিকৰ সক্ৰিয় অংশগ্ৰহণ আৰু দায়বদ্ধতা অপৰিহাৰ্য। বৰ্তমান সময়ত দেখা যায় যে একাংশ লোকৰ মাজত আইনৰ প্ৰতি থকা ভয় বা শ্ৰদ্ধা কমি আহিছে আৰু যিকোনো উপায়েৰে নিজৰ স্বাৰ্থ সিদ্ধি কৰাৰ অশুভ প্ৰৱণতা বৃদ্ধি পাইছে। পৰিয়াল আৰু সমাজৰ স্তৰত নৈতিক শিক্ষা আৰু মূল্যবোধৰ চৰ্চা ক্ৰমান্বয়ে লোপ পাইছে। আজিৰ সমাজত প্ৰতিবেশীৰ খবৰ ৰখাৰ সময় কাৰো হাতত নাই, যাৰ ফলত মানুহ অকলশৰীয়া আৰু হতাশাগ্ৰস্ত হৈ পৰিছে। সেয়েহে, সমাজত পুনৰ মানৱীয় প্ৰমূল্যবোধ ঘুৰাই আনিবলৈ সময়ৰ এক ডাঙৰ আহ্বান। প্ৰতিবেশীৰ সৈতে সু-সম্পৰ্ক বজাই ৰখা, সমাজত সংঘটিত হোৱা যিকোনো অস্বাভাৱিক কাৰ্যকলাপৰ বিষয়ে সময়মতে আবশ্যকীয় অৱগত কৰা আৰু পাৰস্পৰিক বিবাদসমূহ বুজাবুজিৰে মীমাংসা কৰাৰ এক সুস্থ মানসিকতা আমি গঢ়ি তুলিব লাগিব। ইয়াৰ সমান্তৰালভাবে, সমাজত ক্ৰমান্বয়ে বাঢ়ি অহা হতাশা আৰু মানসিক অবসাদ দূৰ কৰাৰ বাবে মানসিক স্বাস্থ্যৰ সজাগতা বৃদ্ধি কৰাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে।

গুৱাহাটীক এখন সঁচা অৰ্থত সুৰক্ষিত মহানগৰী হিচাপে গঢ়ি তুলিবলৈ নাগৰিক সমিতি বা প্ৰতিবেশী গোটসমূহক অধিক সক্ৰিয় কৰাৰ প্ৰয়োজন আছে। সমাজৰ সচেতন লোকসকলে আগভাগ লৈ যুৱপ্ৰজন্মক বিপথগামী হোৱাৰ পৰা ৰক্ষা কৰিবলৈ গঠনমূলক কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। আৰক্ষীৰ সৈতে জনসাধাৰণৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক স্থাপন কৰিলেহে অপৰাধ বিষয়ে আগতীয়াকৈ খবৰ পোৱাটো সম্ভৱপৰ হ'ব। প্ৰশাসনৰ ফালৰ পৰা কেৱল নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰিলেই অপৰাধ সম্পূৰ্ণকৈ নিৰ্মূল নহয়, ইয়াৰ বাবে সমাজৰ চিন্তা-ধাৰাবো পৰিবৰ্তন ঘটিব লাগিব। সমাজৰ প্ৰতিটো স্তৰতে মানৱতা, ভাতৃত্ববোধ আৰু পাৰস্পৰিক শ্ৰদ্ধাৰ পৰিবেশ ঘুৰাই আনিব নোৱাৰিলে কেৱল আইনৰ ভয় দেখুৱাই এখন সুস্থ সমাজ গঢ়ি তুলিব নোৱাৰি। গুৱাহাটীৰ দৰে এখন দ্ৰুতগতিত বিকশিত মহানগৰীত অপৰাধ শিপাডোল ক্ৰমান্বয়ে সমাজৰ গভীৰলৈ সোমাই গৈছে। ইয়াক সমূলি উভালি পেলাবলৈ কেৱল আইনৰ কঠোৰ প্ৰয়োগ বা আৰক্ষীৰ টহলদাৰীয়েই যথেষ্ট নহয়, ইয়াৰ বাবে প্ৰয়োজন এক সামগ্ৰিক সামাজিক জাগৰণৰ। চৰকাৰ, প্ৰশাসন আৰু জনসাধাৰণৰ মাজত এক সুচল আৰু সক্ৰিয় সমন্বয় গঢ়ি তুলিবলৈ সময়ছোৱাত এক সশক্ত পদক্ষেপ গ্ৰহণ কৰিব লাগিব। গুৱাহাটী মহানগৰী সঁচাকৈয়ে এখন নিৰাপদ, শান্তিপূৰ্ণ আৰু বাসোপযোগী ম্ট্ৰ'পলিটান চহৰ হিচাপে পৰিগণিত হ'ব। শেহতীয়াকৈ সংঘটিত হোৱা হেলেনা ভৱালী আৰু তেওঁৰ পৰিয়ালৰ বৰকণা আৰু আকস্মিক মৃত্যুৱে আমাক বাৰুকৈয়ে সোঁৱৰাই দিছে যে, ধন-সম্পত্তিৰ মোহে মানুহক কিমান অন্ধ কৰিব পাৰে আৰু ইয়াৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে। এনে মৰ্মান্তিক ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ চৰকাৰ, আৰক্ষী আৰু প্ৰতিজন নাগৰিকে নিজৰ নিজৰ স্থানৰ পৰা দায়বদ্ধতাৰে কাম কৰাৰ সময় সমাগত। সমাজৰ প্ৰতিটো স্তৰতে সজাগতা সৃষ্টি কৰা মানৱীয় প্ৰমূল্যবোধৰ অনুশীলন নহ'লে, আধুনিকতাৰ আঁৰ যান্ত্ৰিকতাৰ এই চাকনৈয়াত গুৱাহাটীৰ চিৰাচৰিত শান্তি আৰু নিৰাপত্তা চিৰদিন বাবে হেৰাই যোৱাৰ এক প্ৰবল আশংকা আহি পৰিছে। আমি সকলোৱে মিলি এখন সুৰক্ষিত গুৱাহাটী গঢ়াৰ সংকল্প ল'বলগীয়া হৈছে আৰু তাৰ আধুনিকতা আৰু মানৱতা সমান্তৰালভাবে আগবাঢ়ি যাব পাৰে।



চন্দন কুমাৰ নাথ

ক্ষমতাৰ অহংকাৰ আৰু শ্ৰেষ্ঠত্বৰ অৱসান

প্ৰদীপ দাস

আদিম কালৰে পৰা ক্ষমতা, বুদ্ধি আৰু শ্ৰেষ্ঠত্বৰ অহংকাৰে মানুহক প্ৰায়ে অন্ধ কৰি আহিছে। যেতিয়া এজন ব্যক্তিয়ে নিজকে আটাইতকৈ বুদ্ধিমান, শ্ৰেষ্ঠ বা শক্তিশালী বুলি ভাবিবলৈ লয়, তেতিয়াই তেওঁৰ পতনৰ বীজ বোপণ হয়। এনে অহংকাৰী মনস্তত্ত্বৰ আটাইতকৈ ডাঙৰ দৃষ্টান্ত হ'ল- নিজতকৈ আনক হীন, দুৰ্বল বা তুচ্ছ বুলি গণ্য কৰা। ইতিহাস, পুৰাণ আৰু সমসাময়িক চলচ্চিত্ৰই এইসম্পৰ্কে প্ৰমাণ কৰিছে যে যিজনক আটাইতকৈ হীন বুলি অজ্ঞা কৰা হয়, শেষত সেইজনৰ চৰণতে অহংকাৰীজনে মুৰ দোৱাবলৈ বা শৰণাপন্ন হ'বলৈ বাধ্য হয়। ই কেৱল এক কাকতালীয় ঘটনা নহয়, বৰঞ্চ প্ৰকৃতি আৰু মানৱ মনস্তত্ত্বৰ এক অমোঘ নিয়ম।

যেতিয়া কোনো ব্যক্তিয়ে ক্ষমতাৰ শিখৰত উপনীত হয়, তেতিয়া তেওঁলোকৰ মনত একপ্ৰকাৰৰ শ্ৰেষ্ঠত্বৰ অহংকাৰ (Superiority Complex) গঢ়ি উঠে। তেওঁলোকে ভাবিবলৈ লয় যে তেওঁলোকৰ সিদ্ধান্তই সঠিক আৰু তেওঁলোকৰ বুদ্ধি অপৰাজিত। এই অহংকাৰৰ বশবৰ্তী হৈ তেওঁলোকে নিজৰ চাৰিওফালৰ সাধাৰণ মানুহ বা প্ৰতিপক্ষক অতি তুচ্ছ জ্ঞান কৰে। তেওঁলোকে পাহৰি যায় যে বুদ্ধি বা ক্ষমতা স্থায়ী নহয় আৰু ই কেতিয়াও এজন ব্যক্তিৰ মাজত সীমাবদ্ধ হৈ নোথাকে। এই অন্ধত্বৰ বাবেই তেওঁলোকে সঘুখত থকা নিম্ন অথবা হীন বুলি ভবা মানুহজনৰ প্ৰকৃত শক্তিক বুজিব নোৱাৰে। বিশ্ব ইতিহাসত এনে বহু শক্তিশালী ব্যক্তি আছিল, যিসকলে নিজৰ পদৰ তলত গোটেই পৃথিৱী থকা বুলি ভাবিছিল, কিন্তু অৱশেষত তেওঁলোকে 'হীন' বুলি ভবাজনৰ ওচৰত আশ্ৰিত হ'বলগীয়া হৈছিল।

ৰোমৰ আটাইতকৈ শক্তিশালী সামৰিক জেনেৰেল আৰু একচ্ছত্ৰী শাসক জুলিয়াছ চিজাৰ বা পৰৱৰ্তী সময়ত মাৰ্ক এণ্টনিয়ে নিজকে বিশ্বৰ ভাগ্যবিধাতা বুলি ভাবিছিল। তেওঁলোকৰ তুলনাত ই জিপ্টৰ যুৰ ৰাজকুমাৰী ক্লিওপেট্ৰাৰ সামৰিক শক্তি আছিল অতি নগণ্য। কিন্তু ক্লিওপেট্ৰাৰৰ অপৰিসীম ৰাজনৈতিক বুদ্ধি আৰু ব্যক্তিত্বৰ সম্মুখত ৰোমৰ এই মহাশক্তিশালী পুৰুষসকল একেদৰে ধাৰাশায়ী হৈছিল য'ে শেষত তেওঁলোকে ক্লিওপেট্ৰাৰ ইচ্ছা আৰু স্বাৰ্থৰ ওচৰত শৰণাপন্ন হ'বলগীয়া হৈছিল। একেদৰে ফ্ৰান্সৰ সম্ৰাট নেপোলিয়ন বোণাপার্টে সমগ্ৰ ইউৰোপ জয় কৰি নিজকে অপৰাজেয় বুলি ভাবিছিল। তেওঁ যেতিয়া বাছিয়া আক্ৰমণ কৰিছিল, তেতিয়া বাছিয়াৰ সৈন্য আৰু তাৰ সাধাৰণ গাঁময় সাজকে অতি হীন আৰু দুৰ্বল বুলি ভাবিছিল। কিন্তু বাছিয়াৰ মানুহে নেপোলিয়নৰ অহংকাৰী বিশাল সেনাবাহিনীক এনে এক পৰিস্থিতিলৈ টানি আনিলে য'ত ক্ষুধা আৰু শীতৰ প্ৰকোপত নেপোলিয়নে নিজৰ সৰ্বস্ব হেৰুৱাই অপমানজনকভাবে পিছুহটি যাবলগীয়া হৈছিল।

১৯ শতকীয় শেষৰ পিনে বিখ্যাত পদার্থ বিজ্ঞানী লৰ্ড কেলভিনে (Lord Kelvin) অহংকাৰ কৰি ঘোষণা কৰিছিল যে পদার্থ বিজ্ঞানত ন

বিদেশী পৰ্যটক উপস্থিত হৈ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত জনালে শ্ৰদ্ধাঞ্জলি

পূৰ মাজুলী মহাবিদ্যালয় প্ৰাংগণত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি উন্মোচন



অসম বাৰ্তা, উত্তানী মাজুলী, ৫ নৱেম্বৰ ঃ সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি নিৰ্মাণ সমিতি, পূৰ মাজুলী আঞ্চলিক ছাত্ৰ সন্থা, পূৰ মাজুলী মহাবিদ্যালয়ৰ সহযোগত কালিবে পৰা দুদিনীয়া কাৰ্যসূচীবে পূৰ মাজুলী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সুধাকণ্ঠ ড°ভূপেন হাজৰিকা প্ৰতিমূৰ্তি উন্মোচনী অনুষ্ঠানৰ প্ৰথম দিনা মাজুলী ভিত্তিক ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাখনি উদ্বোধন কৰে সংগীত নাটক একাডেমী বঁটা প্ৰাপক ড° কৰুণা বৰাই, সঞ্চালনা কৰে পূৰ মাজুলী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা মালা গায়নে। মাজুলীৰ দুই শতাধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাবে প্ৰথম দিনৰ কাৰ্যসূচী সমৰণী মৰাৰ পিছত আজি পুৱা দ্বিতীয় দিনৰ কাৰ্যসূচীত পৰিবেশ নিকাকৰণৰ পিছতেই ৯ঘণ্টাত গছপুলি বোপণ কাৰ্যসূচী শুভাৰম্ভ কৰে মাজুলী জিলা সাংবাদিক সন্থাৰ উপদেষ্টা বিপিন শইকীয়াই। পুৱা ১০ বজাত পাতাকা উত্তোলন কৰে মাজুলী জিলা ছাত্ৰ সন্থাৰ ভাৰপাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়াই, শ্ৰদ্ধীদ তৰণ কৰে মাজুলী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখুৱাই। পুৱা ১১ বজাত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিৰ সম্মুখত বন্তি প্ৰজুলন কৰে পূৰ মাজুলী মহাবিদ্যালয়ৰ অৱসৰপাপ্ত প্ৰতিষ্ঠাপক অধ্যক্ষ ড° অকণ কুমাৰ বৰাই আৰু তাৰ পিছতেই ১১.৩০ বজাত অনুষ্ঠানৰ মূল কাৰ্যসূচী ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি ডৰা, শংখ আৰু উৰুকীৰ ধ্বনিৰ মাজত উন্মোচন কৰে দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ নন্দীগোপাল দেৱ গোস্বামীয়ে। উন্মোচনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ২০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সুধাকণ্ঠৰ "মানুহে মানুহৰ বাবে..." গীতটো সমবেত কণ্ঠত পৰিবেশন কৰে। সভাধিকাৰ গৰাকীয়ে উন্মোচনী ভাষণত বিশ্ববিশ্ৰুত শিল্পী গৰাকীৰ জীৱন কৃতি বৰ্ণনা কৰি এটি শ্ৰুতিমধুৰ ভাষণ প্ৰদান কৰে। উন্মোচনী অনুষ্ঠানত ফ্ৰান্স আৰু বাচিয়াৰ পৰা মাজুলী ভ্ৰমণলৈ অহা ২০ জনীয়া এটি পৰ্যটকৰ দল উপস্থিত হৈ শিল্পী গৰাকীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতেই কণমানি শিল্পী ভাস্কতী শইকীয়া মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত "উজৰ চলহ গকুল লাই" বৰগীতেবে আৰম্ভ হোৱা মূকলি সভাত সভাপতিত্ব কৰে পূৰ মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ড° ভূপেন হাজৰিকা প্ৰতিমূৰ্তি নিৰ্মাণ সমিতিৰ সভাপতি দীপক বৰাই আৰু আশুবংশ ড° ভূপেন হাজৰিকা প্ৰতিমূৰ্তি নিৰ্মাণ সমিতিৰ সম্পাদক দীপাংকৰ বৰাই। সভা উদ্বোধন কৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিবোদ বৰুৱাই ভূপেন্দ্ৰ সংগীতৰ যেনেদৰে চৰ্চা চলিছে সেইদৰে চৰ্চা ভূপেন হাজৰিকা দেৱৰ সাহিত্য বাজিৰো চৰ্চা হব লাগে বুলি মন্তব্য কৰে। সভাত বিশিষ্ট অতিথি ক্ৰমে মাজুলী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধনদিয়া, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, অধ্যক্ষ অজিত সভাপণ্ডিত, অৰ্থীক্ষক আনন্দ শইকীয়া, অধ্যক্ষ পূৰ্বজ্যোতি বৰা, সদৌ অসম কৰ্মচাৰী পৰিষদৰ যুটীয়া সম্পাদক ত্ৰিদিপা হাজৰিকা, অসম উন্নতি সভাৰ সম্পাদক দুলাল চন্দ্ৰ ভূঞা, সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্যকুমাৰ ভূঞা, পৰিত্ৰ গোস্বামী, সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, গড়মুৰ পীতাম্বৰ দেৱ জেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিত, ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান, মাজুলীৰ ভাৰপাপ্ত অধীক্ষক আনন্দ শইকীয়া, আইলেণ্ড একাডেমী, মাজুলীৰ অধ্যক্ষ পূৰ্ণ জ্যোতি বৰা, অসম উন্নতি সভা, মাজুলী জিলা সমিতিৰ সম্পাদক যদু কলিতা, মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অজিত হাজৰিকা, ৰবৰিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপাপ্ত শিক্ষক ৰাজীব দত্ত, সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ সম্পাদক হাজৰিকাৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰা শিল্পী মাধুৰ্য ভাগৰতীক বিশেষভাবে সম্বৰ্ধনা জনোৱাৰা লগতে হে প্ৰতিযোগিতাত স্থান প্ৰাপ্ত সকলক মান পত্ৰবে পুৰস্কৃত কৰে। গোটেই কাৰ্যসূচীটি সফল কৰি তোলাৰ বাবে সকলো পক্ষলৈ ধন্যবাদ জ্ঞাপন কৰে উদ্যোক্তা সমিতিয়ে।

'লোক সংস্কৃতিৰ সাধক বঁটা ২০২৬' ঘোষণা; অনাতাঁৰ শিল্পী ৰুমী শইকীয়ালৈ আগবঢ়োৱা হৈছে এই বঁটা

২৩ নৱেম্বৰত গোলাঘাটৰ কেন্দ্ৰীয় ৰাস মহোৎসৱত প্ৰদান কৰা হ'ব এই বঁটা

অসম বাৰ্তা, স্তাফ ৰিপৰ্টাৰ, গোলাঘাট, ৫ নৱেম্বৰ ঃ 'লোক সংস্কৃতিৰ সাধক বঁটা ২০২৬' ঘোষণা কৰা হৈছে। বিশিষ্ট লোক-সংস্কৃতিৰ সাধক, অনাতাঁৰ শিল্পী ৰুমী শইকীয়ালৈ আগবঢ়োৱা হৈছে এই বঁটা। অহা ২৩ নৱেম্বৰত গোলাঘাট কেন্দ্ৰীয় ৰাস উদযাপন সমিতিয়ে শিল্পী গৰাকীক প্ৰদান কৰিব এই বঁটা। চতুৰ্থ বাৰ্ষিক গোলাঘাট কেন্দ্ৰীয় ৰাস মহোৎসৱৰ প্ৰস্তুতি পূৰ্ণ গতিত অব্যাহত থকাৰ মাজতে ৰাস পৰিচালনা সমিতিৰ এক সাধাৰণ সভাত প্ৰথমবাৰৰ বাবে এই বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে প্ৰতি বছৰে একোগৰাকী লোক সংস্কৃতিৰ সাধকলৈ এই বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে এইবাৰ গোলাঘাট কেন্দ্ৰীয় ৰাস মহোৎসৱৰ অন্যতম আকৰ্ষণ জনপ্ৰিয় অভিনেত্ৰী অমৃতা গগৈৰ অভিনয়। চতুৰ্থ বাৰ্ষিক ৰাস উদযাপন উপলক্ষে অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ অমিয় কুমাৰ বৰাক মুখ্য উপদেষ্টা, জ্যেষ্ঠ সাংবাদিক বোহিত গগৈক সভাপতি, শান্তনু গগৈ অতুল গগৈ, সঞ্জীব কুমাৰ দাসক কাৰ্যকৰী সভাপতি, ভাস্কৰ গোহাঁই, জিতুল ৰাজখোৱাক সাধাৰণ সম্পাদক, মুন ময়ৰী দাসক সাংস্কৃতিক বিভাগৰ সভাপতি, বিক্ৰম সেন গগৈ, দেৱজিৎ কলিতা আৰু দৰ্শমী বৰাক সাংস্কৃতিক সম্পাদক হিচাপে লৈ গঠন কৰা সমিতিখনে প্ৰস্তুতি পূৰ্ণ গতিত অব্যাহত ৰাখিছে। ৰাস উদযাপন উপলক্ষে অহা ১১ নৱেম্বৰত লাইখুঁটা স্থাপন কৰিব বিশিষ্ট শিক্ষাবিদ ড° যতীন নাথ আৰু গোলাঘাট পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত কুমাৰ বৰাই। অহা ২৩ নৱেম্বৰৰ পুৱা ৰাস মহোৎসৱৰ স্থায়ী সভাপতি অমিয় কুমাৰ বৰাই মুল পতাকা উত্তোলন কৰাৰ পাছতে উদযাপন সমিতিৰ সভাপতি বৰোজি ফুকনে, মঞ্চ উদ্বোধন কৰিব জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্থপালী বাজীৰ শৰ্মা আৰু অলকানন্দাৰ সভাপতি মুন ময়ৰী দাসে একোখনকৈ পতাকা উত্তোলন কৰিব। ইয়াৰ পাছতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব পংকজ পূজাৰী আৰু দাদুল ভট্টই। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ভাস্কৰ গোহাঁই আৰু জিতুল ৰাজখুৱাই। শংকৰদেৱ নামঘৰত নাম প্ৰসংগ আৰু সন্ধিয়া ১০০০ গছিবন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰিব নুমলীগড় শোধনাগাৰৰ মুখ্য প্ৰবন্ধক শান্তনু গগৈয়ে। মঞ্চ মুকলি, স্মৃতি গ্ৰন্থ উন্মোচন, বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব অসম চকাবৰৰ মন্ত্ৰী অজন্তা নেওগ আৰু অতুল বৰাই। ৰাস উদ্বোধন কৰিব গোলাঘাট জিলাৰ আয়ুক্ত বিশ্বজিৎ ফুকনে, মঞ্চ উদ্বোধন কৰিব জ্যেষ্ঠ আৰক্ষী অধীক্ষক অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰিব নুমলীগড় শোধনাগাৰৰ জ্যেষ্ঠ মুখ্য মহাপ্ৰবন্ধক (মানৱ সম্পদ বিভাগ) ড° কাজল শইকীয়াই। স্মৃতিগ্ৰন্থ 'ৰাস' উন্মোচন কৰিব সমিতিত মঞ্চৰ পৰিবহণ সম্বন্ধীয় সভাপতি পূৰ্ণ ৰাজখুৱাই। এই অনুষ্ঠানত বিশেষভাবে সম্বৰ্ধনা জনোৱা হ'ব অসম ভিত্তিক শ্ৰেষ্ঠ বোৱাৰী বিধ্বতী খিতাপ অৰ্জন কৰা নৃত্য শিল্পী প্ৰিয়কো শইকীয়াক। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব গোলাঘাট হে মণ্ডলা ৰববৰা ছোৱালী মহবিদ্যালয়ৰ অধ্যক্ষ ড° বুলবুলি বৰুৱা, গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সভাপতি নগেন বৰা, সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিঠু গগৈ, অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ সাধাৰণ সম্পাদক বিদুৎ বৰা, বিশিষ্ট সমাজকৰ্মী আছিকুৰ ৰহমান, চলচ্চিত্ৰ নিৰ্মাতা অমৃত মালপানী, বাজীৰ বৰা, কামৰূল হুছলাম আদিয়ে। এই ৰাস মহোৎসৱ গোলাঘাট '4H ক্লাব' আৰু 'অলকানন্দা'ৰ আতিথ্যত আৰু বিভিন্ন দল-সংগঠন তথা গোলাঘাট বাসী বাই জৰ সহযোগত উদযাপন কৰা হ'ব। আয়োজক সমিতিয়ে এই পবিত্ৰ ৰাস মহোৎসৱত গোলাঘাটবাসী বাই জৰ উ পস্থিতি আৰু সহযোগিতা আন্তৰিকতাবে কামনা কৰিছে।

ডুমডুমাত কংগ্ৰেছৰ 'ভোট বচাওক, দেশ বচাওক' শীৰ্ষক প্ৰতিবাদ; জ্ঞানেশ কুমাৰৰ প্ৰতিকৃতি দাহ



অসম বাৰ্তা, স্তাফ ৰিপৰ্টাৰ, তিনিকুীয়া, ৫ নৱেম্বৰ ঃ দেশৰ গণতান্ত্ৰিক ব্যৱস্থা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ স্বচ্ছতা বক্ষাৰ দাবীত ভাৰতীয় জাতীয় কংগ্ৰেছে গ্ৰহণ কৰা 'ভোট বচাওক, দেশ বচাওক' শীৰ্ষক অভিযানৰ অংশ হিচাপে আজি ডুমডুমাত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ডুমডুমা ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত আৰু ডুমডুমা টাউন মণ্ডল কংগ্ৰেছ কমিটীৰ সহযোগত নগৰখনৰ ১নং বাৰ্ডত অনুষ্ঠিত এই প্ৰতিবাদী কাৰ্যসূচীত কংগ্ৰেছৰ নেতা-কৰ্মীসকলে নিৰ্বাচন আয়োগৰ বিৰুদ্ধে শ্লোগ প্ৰকাশ কৰে। প্ৰতিবাদকাৰীসকলে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ প্ৰতিকৃতি দাহ কৰাৰ লগতে তেওঁক পদৰ পৰা বৰ্খাস্ত কৰাৰ দাবীত বিভিন্ন শ্লোগান দিয়ে। কাৰ্যসূচীত ডুমডুমাৰ প্ৰাক্তন বিধায়ক তথা তিনিকুীয়া জিলা কংগ্ৰেছ কমিটীৰ সভাপতি দুগা ভূমিজ, জিলা সম্পাদক তথা মুখপাত্ৰ প্ৰেম উপাধ্যায়, সুৰেশ ভূমিজ, ডুমডুমা ব্লক কংগ্ৰেছৰ সভাপতিকে ধৰি দলটোৰ কেই বাগৰাকীও বিষয় ৰবীয়া আৰু কৰ্মীয়ে অংশগ্ৰহণ কৰে। প্ৰতিবাদস্থলীৰ পৰা কংগ্ৰেছ নেতা-কৰ্মীসকলে নিৰ্বাচনী প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু নিৰপেক্ষতা নিশ্চিত কৰাৰ লগতে দেশৰ গণতান্ত্ৰিক মূল্যবোধ তথা নাগৰিকৰ ভোটাধিকাৰ সুৰক্ষিত কৰাৰ দাবী জনায়।

ই এম কৰ্মেশ্বৰ ৰায় আৰু লক্ষ্মী (ভজন) দাসে কৰিলে উদ্বোধন; স্থায়ী মঞ্চ নিৰ্মাণৰ বাবে ৬ লাখ টকাৰ অনুদান ঘোষণা

মায়াবিনী কাপ ছিজন-২ৰ শুভাৰম্ভ; বিজয়গাঁৱত ৩১ সংখ্যক মৃগেন্দ্ৰ চন্দ্ৰ ৰায়-দয়াল চন্দ্ৰ ৰায় সোঁৱৰণী ফুটবল প্ৰতিযোগিতা আৰম্ভ

অসম বাৰ্তা, বাসুগাঁও, ৫ নৱেম্বৰ ঃ বিজয়গাঁও আঞ্চলিক ৰত্নপীঠ সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত প্ৰয়াত মৃগেন্দ্ৰ চন্দ্ৰ ৰায় আৰু দয়াল চন্দ্ৰ ৰায়ৰ স্মৃতিত আয়োজিত ৩১ সংখ্যক বাৰ্ষিক দিবা-নৈশ ফুটবল প্ৰতিযোগিতা আজি চিবাং জিলাৰ বাসুগাঁও চহৰৰ নিকটবৰ্তী বিজয়গাঁও বাজহাট খেলপথাৰত শুভাৰম্ভ হয়। 'মায়াবিনী কাপ ছিজন-২' নামেৰে অনুষ্ঠিত প্ৰতিযোগিতাখনৰ উদ্বোধনী খেলত কেকেইপাৰা ৰূপালীম সংঘই জয়লাভ কৰে। উদ্বোধনী খেলখনত বিজয়গাঁও আঞ্চলিক ৰত্নপীঠ সংঘ আৰু পুথিভঁৰলৰ পতাকা উত্তোলন কৰে খেল পৰিচালনা সমিতিৰ সভাপতি ৰাজু কুমাৰ বায়ে। দিনৰ ঃ১০ বজাত ২০২৬ বৰ্ষৰ প্ৰতিযোগিতাৰ পতাকা উত্তোলন কৰে অৱসৰপাপ্ত প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ দাসে। স্মৃতি তৰ্পণ কৰে ৪ নং বাওখুংথী সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ বায়ে। স্বৰ্গীয় মৃগেন্দ্ৰ চন্দ্ৰ বায়ৰ প্ৰতিছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে পুত্ৰ নাৰায়ণ চন্দ্ৰ বায় আৰু নীলকান্ত বায়ে, স্বৰ্গীয় দয়াল চন্দ্ৰ ৰায়ৰ প্ৰতিছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে তেখেতৰ পত্নী আঘোনী বায় আৰু পুত্ৰ কপম বায়ে লগতে পৰিয়াল বৰ্গই। আনহাতে, প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বি টি চিব পৰিষদীয় সদস্য শুকুবসিং মুছাহাৰীয়ে। অনুষ্ঠানত বি টি চিব কাৰ্যবাহী সদস্য লক্ষ্মী (ভজন) দাসো উপস্থিত থাকে। বৃক্ষবোপণ কৰে বিজয়গাঁও হাইস্কুলৰ প্ৰধান শিক্ষক সুসান্ত গুপ্ত, ক্লাবৰ উপদেষ্টা পিযুক্ত বৰ্মন, তিলকগাওঁ ভিডিচি'ৰ সভাপতি মধুৰাম বসুমতাৰীয়ে। উল্লেখযোগ্য যে প্ৰয়াত মৃগেন্দ্ৰ চন্দ্ৰ ৰায় আৰু দয়াল চন্দ্ৰ ৰায় আছিল ৪ নং বাওখুংথী সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ ৰায়ৰ ককা আৰু পিতৃ। ই পিনে, প্ৰতিযোগিতাৰ দ্বিতীয়খন খেল কাইলৈ চোলমাৰা আঞ্চলিক আৰু শক্তিআশ্ৰম এফ চি মাজত অনুষ্ঠিত হ'ব।



প্ৰতি কুইণ্টল ধানৰ ন্যূনতম সমৰ্থন মূল্য ২,৬৪০ টকা

বিহালীত চৰকাৰী ধান ক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন

অসম বাৰ্তা, বিহালী, ৫ নৱেম্বৰ ঃ বিধানাথ জিলাৰ বিহালী সম-জিলাত আজি অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডৰ (AFCSCL) তত্বাবধানত আৰু বিহালী সম জিলা প্ৰশাসনৰ সহযোগত ২০২৬-২৭ বৰ্ষৰ খাৰিফ বিপণন বতৰৰ (Kharif Marketing Season) প্ৰথম পৰ্যায়ৰ বাবে এটা চৰকাৰী ধান ক্ৰয় কেন্দ্ৰ আনুষ্ঠানিকভাবে উদ্বোধন কৰা হয়। কেন্দ্ৰটো উদ্বোধন কৰি শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই কয় যে কৃষকসকল দেশৰ অৰ্থনীতিৰ মেৰুদণ্ড আৰু ওপৰঞ্চলৰ কষ্টৰ উচিত মূল্য নিশ্চিত কৰাটো চৰকাৰৰ অন্যতম প্ৰধান অগ্ৰাধিকাৰ। তেওঁ উল্লেখ কৰে যে এই ক্ৰয় কেন্দ্ৰৰ জৰিয়তে কৃষকসকলে চৰকাৰে নিৰ্ধাৰণ কৰা প্ৰতি কুইণ্টলত ২,৬৪০ টকা ন্যূনতম সমৰ্থন মূল্যত (MSP) নিজৰ উৎপাদিত ধান বিক্ৰী কৰিব পাৰিব। এই পদক্ষেপে মধ্যভোগীৰ শোষণৰ পৰা স্থানীয় কৃষকসকলক সুৰক্ষা প্ৰদান কৰা লগতে তেওঁলোকৰ পৰিবহণৰ খৰচ হ্ৰাস কৰিতে আৰ্থিক অৱস্থা সুদৃঢ় কৰাত সহায় কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। বিহালী বিধানসভা সমষ্টিৰ বিধায়ক মুনীন্দ্ৰ দাস, বিশ্বনাথ জিলাৰ আয়ুক্ত কৰবী শইকীয়া কৰণ, বিহালী সহ-জিলা আয়ুক্ত কবিতা কাকতি কোঁৱৰ, জিলা কৃষি বিষয়া বাণেশ্বৰ বে, সহকাৰী আয়ুক্তসকল, কিষাণ মৰ্চাৰ সভাপতি, পঞ্চায়ত প্ৰতিনিধিসকল, বিশ্বনাথ জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী, AFCSCL-ৰ বিষয়ৰবৰীয়াসকলৰ লগতে শতাধিক কৃষক উপস্থিত থকা অনুষ্ঠানটিত বিহালীৰ বিধায়ক নুমলীগড় শোধনাগাৰৰ মুখ্য প্ৰবন্ধক শান্তনু গগৈয়ে। মঞ্চ মুকলি, স্মৃতি গ্ৰন্থ উন্মোচন, বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব অসম চকাবৰৰ মন্ত্ৰী অজন্তা নেওগ আৰু অতুল বৰাই। ৰাস উদ্বোধন কৰিব গোলাঘাট জিলাৰ আয়ুক্ত বিশ্বজিৎ ফুকনে, মঞ্চ উদ্বোধন কৰিব জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্থপালী বাজীৰ শৰ্মা আৰু অলকানন্দাৰ সভাপতি মুন ময়ৰী দাসে একোখনকৈ পতাকা উত্তোলন কৰিব। ইয়াৰ পাছতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব পংকজ পূজাৰী আৰু দাদুল ভট্টই। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ভাস্কৰ গোহাঁই আৰু জিতুল ৰাজখুৱাই। শংকৰদেৱ নামঘৰত নাম প্ৰসংগ আৰু সন্ধিয়া ১০০০ গছিবন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰিব

পুনৰ স্থগিত শ্যামকানু-সিদ্ধাৰ্থৰ জামিন

চৰকাৰে উচ্চতম ন্যায়ালয়ক অৱগত কৰিছে। চৰকাৰৰ আইনী পৰামৰ্শদাতাই ওপৰত ওক্ত আবোপ কৰি মহাধিবক্তাগৰাকীয়ে কয় যে গোচবটোত ৰাজ্য চৰকাৰৰ সবল স্থিতিৰ বাবেই মুখ্য অভিযুক্ত দুগৰাকী এবছৰতকৈও অধিক সময় কাৰাগাৰত থাকিবলগীয়া হৈছে। তেওঁ কয়, "সাধাৰণতে এই ধৰণৰ গোচবত অভিযুক্তসকলে তিনি মাহৰ ভিতৰত জামিন লাভ কৰে। কিন্তু এই গোচবৰ অভিযুক্তসকল এবছৰতকৈও অধিক সময় ধৰি কাৰাগাৰত আছে।" দেবজিত লন শইকীয়াই জোৰ দি কয় যে আমি চৰকাৰে জুকিং গাৰ্গৰ্যন্ত নিশ্চিত কৰিবলৈ দৃঢ়ভাবে কাম কৰি আছে। চৰকাৰে নিষ্ঠাবে এই গোচব চলাই থকা বুলি উল্লেখ কৰি তেওঁ বাইডক ন্যায়াপালিকাৰ ওপৰত বিশ্বাস বাখিবলৈও আহ্বান জনায়।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰণৱ দলেৰ

সিদ্ধান্তই প্ৰণব দলে আৰু তেওঁৰ সমৰ্থকসকলৰে বুহৎ সকাহ কঢ়িয়াই আনিছে। তেওঁক এনএছএৰ অধীনত বন্দী কৰি বখাৰ বিষয়টোৰে ইতিমধ্যে ৰাজ্যৰ লগতে দেশ-বিদেশত বিতৰ্কৰ সৃষ্টি কৰিছিল। আনহাতে এনএছএ গোচব খাৰিজ কৰাৰ লগে লগে এই বিতৰ্কই নতুন মোৰ লৈছে। প্ৰণব দলেৰ সকাহৰ খবৰ ৰাজদ্বাৰা হোৱাৰ পিছতে বিভিন্ন মহলে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে এয়াক এক পোষ্টত এই ৰায়ক গণতন্ত্ৰৰ জয় বুলি অভিহিত কৰিছে। তেওঁ লিখিছে যে কোনো চৰকাৰেই সংবিধানৰ ওপৰত নহয়; ক্ষমতা অস্থায়ী, কিন্তু সংবিধান সৰ্বোচ্চ। উচ্চ ন্যায়ালয়ে প্ৰণব দলেৰ বিৰুদ্ধে এনএছএ বাতিল কৰাৰ সিদ্ধান্তক তেওঁ গণতন্ত্ৰৰ জয় বুলি মন্তব্য কৰি প্ৰণব দলেৰে বৈপ্ৰৱিক প্ৰণাম জনাইছে। বাইডৰ দলৰ সভাপতি অখিল গগৈয়েও ফেচবুকত এই ৰায়ক স্বাগত জনাইছে। তেওঁ লিখিছে যে যুৱ নেতা প্ৰণব দলেৰ এনএছএ গোচব নাকচ হোৱাটো আন এটা ভাল খবৰ। লগতে তেওঁ উল্লেখ কৰিছে যে, কেনিয়াত সাতখন মহাদেশৰ ২৬টা খিন হীয়া জনগোষ্ঠীয়ে ঐকাবদ্ধভাবে প্ৰণব দলেৰ মুক্তিৰ দাবীত প্ৰতিবাদ সাবাজ কৰিছিল। ইপিনে, কংগ্ৰেছে বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰিছে। দলটোৰ এজন পোষ্টত উল্লেখ কৰিছে যে কঠোৰ এনএছএৰ জৰিয়তে ভূমিৰ অধিকাৰৰ বাবে যুঁজ দিয়া কণ্ঠসকলক ৰুদ্ধ কৰাৰ চৰকাৰৰ প্ৰচেষ্টা উন্মোচিত হৈছে। কংগ্ৰেছে জনাইছে যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপত ৰিজনী হোটেল নিৰ্মাণৰ বিৰোধিতা কৰি খিল হীয়া জনগোষ্ঠীৰ অধিকাৰ বহ্মা কৰাৰ অপৰাধত ভূমি অধিকাৰ কৰ্মী প্ৰণব দলেক ১১৭ দিনৰ বাবে বন্দী কৰি বখা হৈছিল। উচ্চ ন্যায়ালয়লে তেওঁৰ আটকৰ নিৰ্দেশ বাতিল কৰি ইয়াক অবৈধ বুলি ঘোষণা কৰিছে বুলি কংগ্ৰেছে উল্লেখ কৰে। কংগ্ৰেছৰ মতে, এই সিদ্ধান্তই সোঁপৰেই দিয়ে যে মতাঁকৈয়া আৰু গণতান্ত্ৰিক প্ৰতিবাদক অপৰাধ বুলি গণ্য কৰিব নোৱাৰি। কোনো চৰকাৰ ব্যবসায়িক স্বাৰ্থ ৰক্ষাৰ বাবে সাংবিধানিক স্বাধীনতাক ভৰিৰে মোহাৰি নোৱাবে। খিল হীয়াৰ ভূমিৰ অধিকাৰ, মৰ্যাদা আৰু ন্যায়ৰ যুঁজখন আগবাঢ়ি যোৱা উচিত বুলিও দলটোৱে মন্তব্য কৰিছে। উল্লেখ্য, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপত ৰিজনী হোটেল নিৰ্মাণৰ বিৰোধিতা আৰু জনজাতীয় লোকৰ ভূমি সুৰক্ষাৰ দাবীত প্ৰতিবাদ সাবাজ কৰাৰ বাবে প্ৰণব দলেক ১২ জুলাইত গ্ৰেপ্তাৰ কৰা হৈছিল। পিছত আদালতে তেওঁক জামিন প্ৰদান কৰে; কিন্তু জামিন লাভৰ পিছদিনাই অসম চৰকাৰে তেওঁৰ বিৰুদ্ধে এনএছএ আৰু দেশদ্ৰোহিতাৰ গোচব আনোপ কৰি কাৰাবন্দী কৰি বাখে। ইয়াৰ পিছত কেৰল অসমতে নহয়, বিদেশতো প্ৰণব দলেৰ মুক্তিৰ দাবীত প্ৰতিবাদ হয়। ফলত জনজাতীয় নেতাগৰাকী অসমৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো চৰ্চিত হৈ পৰিছিল। শেষত গুৱাহাটী উচ্চন্যায়ালয়ৰ এই ৰায়ে প্ৰণব দলেৰ ওপৰত আবোপিত এনএছএ গোচবক আইনগতভাবে অসহায় কৰি তুলিছে। এই সিদ্ধান্তক লৈ বাজনৈতিক মহলত প্ৰতিক্ৰিয়া অব্যাহত থকাৰ লগে লগে প্ৰণব দলেৰ সমৰ্থকসকলে ইয়াক গণতান্ত্ৰিক অধিকাৰ আৰু সংবিধানিক স্বাধীনতাৰ জয় বুলি অভিহিত কৰিছে।

মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাৰ সৈতে এবছুৰ

আৰু সামুহিক অধিকাৰ, অসম ন্যায়িক সেৰাৰ পৰীক্ষাত বড়ো ভাষাৰ অন্তৰ্ভুক্তি তথা বড়ো মাধ্যমৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত শিক্ষক নিযুক্তিৰ দাবে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত বিস্তৃত আলোচনা কৰা হয়। বড়ো-কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অহা ডিচেম্বৰৰ ভিতৰত অনুষ্ঠিত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিষয়সমূহৰ সমাধানৰ বাবে অহা ২০ নৱেম্বৰৰ ভিতৰত অভিচু, বড়ো সাহিত্য সভা, বিটিচৰ শিক্ষা বিভাগৰ প্ৰতিনিধি আৰু সংশ্লিষ্ট পক্ষসমূহৰ সৈতে এখন যুটীয়া বৈঠক অনুষ্ঠিত কৰিবলৈ শিক্ষামন্ত্ৰীক নিৰ্দেশ প্ৰদান কৰে।

সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ সামৰণি

শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠানৰ এক অন্যতম মুখ্য আকৰ্ষণ হ'ব সংগীত জগতৰ খ্যাতিমান কণ্ঠশিল্পী ঊষা মংগেশকাৰ। এই অনুষ্ঠানতেই তেওঁক আনুষ্ঠানিকভাবে সম্মানীয় 'ড' ভূপেন হাজৰিকা বঁটা' প্ৰদান কৰা হ'ব। উল্লেখ্য যে সুধাকণ্ঠৰ অপূর্ব সৃষ্টিকাৰিতেৰে সাংস্কৃতিক অনুষ্ঠান জীপাল কৰি তুলিবলৈ ৰাজ্যিক তথা বাষ্ট্ৰীয় পৰ্যায়ৰ সুপ্ৰসিদ্ধ শিল্পীসকলে সংগীত পৰিবেশন কৰিব। তেওঁলোক ক্ৰমে শ্ৰেয়া ঘোষাল, পাপন (আংগাবাগ), কবিতা কৃষ্ণমূর্তি, শংকৰ মহাদেবন, কল্পনা পাটোৱাৰী, ড' এল সুব্ৰমণিয়াম, মহালক্ষ্মী আয়াৰ আৰু শ্ৰীৰাম। আনহাতে অসমৰ তৰালী শৰ্মা, মৌচুমী চহৰীয়া, কপম ভূঞা, জুবলী বৰুৱা, নাহিদ আফিন, আচৰ্য বৰপাত্ৰ গোহাঁই আৰু শংকুৰা ডেকাৰে গীত পৰিবেশন কৰিব। অনুষ্ঠানটোৰ বিশেষ সমাপনী পৰ্বত ৰাজৰ ১,০০০ গৰাকী মহাবিদ্যালয়ৰ শিক্ষাৰ্থী আৰু সাংস্কৃতিক শিল্পীয়ে একেলগে মঞ্চত উপস্থাপন কৰিব সুধাকণ্ঠৰ বিশ্ববন্দীত অমৰ সৃষ্টি 'মানুহে মানুহৰ বাবে' আৰু 'We are in the same boat brothers'। সঙ্কিয়া ৬ বজাৰ পথা আৰম্ভ হ'বলগীয়া এই জাকজমকপূর্ণ অনুষ্ঠানত যোগদান কৰিব বিচৰা দৰ্শক আৰু অনুৰাগীসকলৰ বাবে বিশেষ প'টৰ্লৈ মুকলি কৰা হৈছে। প'টৰ্লৰ ঠিকনা- sudhakantha.assam.startedatacenter.in। অহা বছ নৱেম্বৰৰ পৰা প'টৰ্ললযোগে আবেদন কৰাসকলে ই-পাছ লাভ কৰিব। আবেদনকাৰীসকলৰ সকলো তথ্য আৰক্ষীৰ দ্বাৰা বিশেষভাবে পৰীক্ষা কৰা হ'ব। ভাৰত মণ্ডপম ধাৰণ ক্ষমতা অনুসৰি আসন সম্পূর্ণ হৈ যোৱাৰ লগে লগে প'টৰ্ললটো স্বয়ংক্ৰিয়ভাবে বন্ধ কৰি দিয়া হ'ব। সুধাকণ্ঠ ড' ভূপেন হাজৰিকাৰ কালজয়ী সংগীত আৰু সাংস্কৃতিক উত্তৰাধিকাৰ বিশ্বদৰবাৰত পুনৰ শক্তিশালী ৰূপত উপস্থাপন কৰাৰ লক্ষ্যেৰে অসম চৰকাৰে গ্ৰহণ কৰা এই বৃহৎ পদক্ষেপে সমগ্ৰ অসমবাসীক উৎসুক কৰি তুলিছে।

ব্ৰহ্মপুত্ৰত দহদিনীয়া দুঃসাহসিক নৌযাত্ৰাৰ

অনুষ্ঠানত উপস্থিত থাকি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অভিযানকাৰী দলটোক আনুষ্ঠানিকভাবে আদৰণি জনায়। শ্ৰীলংকিয়ে বাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC) উত্তৰ-পূব মণ্ডল সঞ্চালনালয়ে তত্ত্বাবধান এই বিশেষ নৌ অভিযানৰ আয়োজন কৰা হৈছিল। 'মোষ্ট এণ্টাবপ্ৰাইজিং নেভেল ইউনিট' (MENU 2026) কার্যসূচীৰ অধীনে চিচাপে আয়োজিত এই অভিযানৰ মূল উদ্দেশ্য আছিল যুৱপ্ৰজন্মৰ মাজত দুঃসাহসিক মনোভাব, দলীয় ঐক্য, অনুশাসন, নেতৃত্ব গুণ আৰু দেশপ্ৰেমৰ ভাবনা জাগ্ৰত কৰা। যোৱা ২৮ অক্টোবৰত বিশ্বনাথ চাৰিআলিৰ বিশ্বনাথ ঘাটৰ পৰা এই নৌ অভিযানৰ শুভাৰম্ভ কৰা হৈছিল। অভিযানত ৪৮ আৰু ৪৯ অসম নৌ এনচিচি ইউনিট ছিনিয়ৰ ডিভিজন আৰু ছিনিয়ৰ উইঙৰ মুঠ ১০০ গৰাকী কেডেটে অংশগ্ৰহণ কৰে। দহদিনীয়া এই দুঃসাহসিক যাত্ৰাত কেডেটসকলে ব্ৰহ্মপুত্ৰৰ বৃক্ষৰে প্ৰায় ২৪৮ কিলোমিটাৰ জলপথ অতিক্ৰম কৰে। বিশ্বনাথ ঘাটৰ পৰা আৰম্ভ হোৱা এই নৌযাত্ৰাই বিশ্বনাথ, শোণিতপুৰ, নগাঁও, দৰাং, মৰিগাঁও আৰু কামৰূপ মহানগৰ-এই ছখন জিলাৰ মাজেৰে আগবাঢ়ি অৱশেষত গুৱাহাটীৰ পাণ্ডু বন্দৰত সামৰণি মাৰে। উল্লেখযোগ্য যে এই অভিযানৰ জৰিয়তে আহোম সেনাপতি বীৰ লাচিত বৰফুকনৰ অতুলনীয় সাহস, বীৰত্ব আৰু নেতৃত্বৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। ইয়াৰ লগতে অসমৰ চহকী সাংস্কৃতিক ঐতিহ্য আৰু ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি গঢ়ি উঠা নদীকেন্দ্ৰিক জীৱনধাৰাকো বিশেষভাবে উজলাই তোলা হয়। কেৰল দুঃসাহসিক নৌযাত্ৰাতে সীমাবদ্ধ নাথাকি অভিযানত অংশগ্ৰহণ কৰা কেডেটসকলে যাত্ৰাপথৰ বিভিন্ন স্থানত সমাজসেৱামূলক আৰু জনসচেতনতামূলক কার্যসূচীতো অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত স্বচ্ছতা অভিযান, জনসচেতনতা কাৰ্যসূচী আৰু ড্ৰাগছবিৰোধী সজাগতা অভিযান অন্যতম। ইয়াৰ উপৰি যাত্ৰাপথৰ বিভিন্ন বিবক্তিকৰ স্থলীত বীৰ লাচিত বৰফুকনৰ জীৱন, বীৰত্ব আৰু আদর্শক আধাৰ কৰি বাটৰ নাটি আৰু সাংস্কৃতিক অনুষ্ঠানবো আয়োজন কৰা হয়। এই কার্যসূচীসমূহৰ জৰিয়তে স্থানীয় বাইডৰ মাজত দেশপ্ৰেম, সামাজিক দায়বদ্ধতা আৰু ঐতিহ্য সংৰক্ষণৰ বার্তা বিয়পাই দিবৰ প্ৰয়াস কৰা হয়। এই বিশেষ নৌ অভিযানত অংশগ্ৰহণ কৰাৰ পূর্বে কেডেটসকলক কঠোৰ আৰু সুপৰিকল্পিত প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। নৌকা পৰিচালনা, জলপথ নির্দেশনা, নৌচালনাৰ কাৰিকৰী কৌশল, নদীপথৰ সুৰক্ষা, প্ৰতিকূল পৰিস্থিতিত আত্মৰক্ষাৰ পদ্ধতি আৰু উদ্ধাৰ অভিযানৰ দৰে গুৰুত্বপূর্ণ বিষয়সমূহত কেডেটলকে বিশেষ প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। এই প্ৰশিক্ষণে কেডেটসকলক ব্ৰহ্মপুত্ৰৰ দৰে বিশাল নদীত দীঘলীয়া নৌযাত্ৰা সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় দক্ষতা, আত্মবিশ্বাস আৰু মানসিক দৃঢ়তা প্ৰদান কৰে। শুকুৰবাৰে পাণ্ডু বন্দৰত অনুষ্ঠিত সামৰণি অনুষ্ঠানত অভিযানত অংশগ্ৰহণ কৰা কেডেটসকলৰ সাহস, শৃংখলাবদ্ধতা, একাগ্ৰতা আৰু দলীয় মনোভাৰক স্বীকৃতি প্ৰদান কৰা হয়। এই অভিযান সফল কৰি তোলাৰ ক্ষেত্ৰত অসম চৰকাৰ, বাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী (NDRF), অভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ কর্তৃপক্ষ আৰু সংশ্লিষ্ট অন্যান্য সংস্থাসমূহে আগবঢ়োৱা সহযোগিতাকো বিশেষভাবে স্বীকাৰ কৰা হয়। ব্ৰহ্মপুত্ৰৰ বৃক্ষত সম্পন্ন হোৱা এই দহদিনীয়া নৌ অভিযানে যুৱপ্ৰজন্মৰ মাজত সাহস, নেতৃত্ব, একতা আৰু দেশসেৱাৰ মনোভাব গঢ়ি তোলাৰ লগতে অসমৰ গৌৰৱময় ইতিহাস, সংস্কৃতি আৰু নদীকেন্দ্ৰিক ঐতিহ্যৰ সৈতে তেওঁলোকক অধিক নিবিড়ভাবে পৰিচিত হোৱাৰ এক বিশেষ সুযোগ প্ৰদান কৰে।

শুনানিৰ সময়ত ১৬০জন সাক্ষীয়ে নাম

তেওঁৰ পৰিয়ালৰ এজন বিশিষ্ট ব্যক্তিৰ মাতি আনিছে আৰু ই প্ৰত্যক্ষ হত্যাৰ চক্ষুৰ সাক্ষ্য নাম হ'ব পাৰে। তেওঁ লগতে জনায় যে এই বিষয়টো ৰাজ্য চৰকাৰে আদালতলৈ নিব। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে জুবিন মৃত্যু গোচৰৰ প্ৰধান অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক জামিন প্ৰদান কৰা হ'লে মুখ্যমন্ত্ৰীৰ বাসগৃহ ঘেৰাও কৰা হ'ব বুলি এটা গোটে ভাবুকি দিছে। এজন বিধায়ক নেতৃত্বত গঠিত এই গোটৰ ভাবুকিয়ে তেওঁৰ পৰিয়ালৰ বাবে বিপদ সৃষ্টি কৰিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে এই বিষয়টো উচ্চতম ন্যায়ালয়ত আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ত প্ৰমাণিত কৰাৰ ওপৰত গুৰুত্ব দিব। তেওঁ কয় যে ৰাজ্য চৰকাৰে আদালতৰ ৰায়ৰ প্ৰতি সম্মান বাখে। কিন্তু সাক্ষীতকৰ প্ৰশ্ন কৰা কিছুলা ৰাজনৈতিক অশান্তিৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে বুলি তেওঁ অভিযোগ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে উচ্চতম ন্যায়ালয়ে ৩০ নৱেম্বৰত প্ৰধান অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰিব। তেওঁ মন্তব্য কৰে যে আদালতে ন্যায় নিশ্চিত কৰিব আৰু তেওঁ বিশ্বাস কৰা কৈছিল, সেই কথা চাৰ্জশীটতো প্ৰতিফলিত হৈছে। জুবিন গাৰ্গৰ মৃত্যু গোচৰৰ অন্যতম অভিযুক্ত গায়িকা অমৃতপ্ৰভা মহন্তক গুৱাহাটী উচ্চ ন্যায়ালয়ে ১৯ অক্টোবৰত ৫০ হাজাৰ টকাৰ বণ্ড আৰু একে পৰিমাণৰ দুজন জামিনদাৰৰ বিনিময়ত জামিন প্ৰদান কৰিছিল। এই গোচবত ন্যায়ালয়ে সন্দীপন গাৰ্গবোৱা জামিন ইতিমধ্যে মঞ্জুৰ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই আৰুলিয়াই দিয়ে যে অমৃতপ্ৰভা মহন্তক জামিন প্ৰদান কৰা উচ্চন্যায়ালয়ৰ আদেশত উল্লেখ আছে যে তেওঁ নিৰ্দেশ পালনত ১৬০জন সাক্ষীয়ে তেওঁৰ নাম লোৱা নাছিল; যদিও বিশেষ তদন্তকাৰী দলৰ তদন্ত সময়ত তেওঁলোকে নাম লৈছিল। শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ জামিন মঞ্জুৰ হ'লে বিধায়কৰ নেতৃত্বত এটা গোটে তেওঁৰ বাসগৃহ ঘেৰাও কৰাৰ আহ্বান 'ওকতৰ বিষয়' বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "মানুহে মোক নহয়, সাক্ষীক প্ৰশ্ন কৰিব লাগে। আদালতক নিজৰ কাম কৰিবলৈ দিয়া উচিত।" তেওঁ লগতে কয় যে সেই গোটে মুখ্যমন্ত্ৰীৰ কার্যালয়ৰ ওচৰত প্ৰতিবাধ কৰাৰ কথা কোৱা নাই, বাসগৃহৰ ওচৰত প্ৰতিবাদ কৰাৰ কথা কৈছে, যিটো তেওঁৰ পৰিষ্কাৰ বাবে ভাবুকি আৰু প্ৰত্যক্ষ হত্যাৰ চেষ্টাৰ সমান হ'ব পাৰে। উল্লেখ্য যে বাইডৰ দলৰ বিধায়ক অখিল গগৈৰ নেতৃত্বত গঠিত জুকিং গাৰ্গ ন্যায় সমিতিয়ে বুহৎপৰিবাৰৰ মন্তব্য কৰিছিল যে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাই জামিন লাভ কৰিলে, অথবা ৰাজ্য চৰকাৰে ফলপ্ৰসূ আইনী বিৰোধিতা গঢ়ি তুলিবলৈ ব্যৰ্থ হ'লে তেওঁলোকে মুখ্যমন্ত্ৰীৰ বাসগৃহ ঘেৰাও কৰিব।

১৬ ফেব্ৰুৱাৰীৰ পৰা দশম-দ্বাদশ শ্ৰেণীৰ ব'র্ড

জনোৱা তথ্য অনুসৰি দশম শ্ৰেণীৰ বর্ড পৰীক্ষাৰ বাবে ২৯.৫ লাখওকৈ অধিক শিক্ষার্থীয়ে পঞ্জীয়ন কৰিছে, আনহাতে দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত ১৯.৮ লাখতকৈ অধিক পৰীক্ষার্থী অৱতীর্ণ হোৱাৰ সম্ভাবনা আছে। দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলে মুঠ ৮৩টা বিষয়ৰ পৰীক্ষাত অৱতীর্ণ হ'ব, য'ত দ্বাদশ শ্ৰেণীৰ পৰীক্ষা ১২১টা বিষয়ত অনুষ্ঠিত হ'ব। ট্ৰান্সজেণ্ড পৰীক্ষা নিয়ন্ত্ৰক সদাম ভৰদ্বাজে কয় যে পৰীক্ষা আৰম্ভ হোৱাৰ ১০১ দিন পূর্বেই এই সময়সূচী প্ৰকাশ কৰা হৈছে। দশম শ্ৰেণীৰ পৰীক্ষা ১৬ ফেব্ৰুৱাৰীত চিত্ৰকলা (Painting) বিষয়ৰ পৰীক্ষাৰে আৰম্ভ হ'ব আৰু ইয়াৰ পিছদিনা অর্থাৎ ১৭ ফেব্ৰুৱাৰীত গণিত (ষ্টেণ্ডার্ড আৰু বেছিক) বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হ'ব। ইয়াৰ পিছত ২২ ফেব্ৰুৱাৰীত বিজ্ঞান, ২৬ ফেব্ৰুৱাৰীত ইংৰাজী, ২৭ ফেব্ৰুৱাৰীত হিন্দী আৰু অন্যান্য ভাষা, ৩ মার্চত হিন্দী কোর্চ A আৰু B, ৮ মার্চত সমাজ বিজ্ঞান আৰু ৯ মার্চত কিছুমান ভাষা তথা elective বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হ'ব। দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা ২০২৭ চনৰ ৯ মার্চত অনুষ্ঠিত হ'ব। দ্বাদশ শ্ৰেণীৰ পৰীক্ষা ১৬ ফেব্ৰুৱাৰীত পদার্থ বিজ্ঞান বিষয়ৰ পৰীক্ষাৰে আৰম্ভ হ'ব। ইয়াৰ পিছত ২৩ ফেব্ৰুৱাৰীত একাউণ্টেন্সি, ২৫ ফেব্ৰুৱাৰীত ভূগোল, ২৭ ফেব্ৰুৱাৰীত বসায়ন বিজ্ঞান, ৫ মার্চত ইংৰাজী Core আৰু ইংৰাজী Elective, ৯ মার্চত গণিত আৰু Applied Mathematics, ১৫ মার্চত অর্থনীতি, ১৯ মার্চত বাঙ্গনীতি বিজ্ঞান, ২৫ মার্চত জীব বিজ্ঞান, ২৭ মার্চত ইতিহাস, ৩০ মার্চত সমাজত N, 2 এপ্রিলত Business Studies আৰু ৯ এপ্রিলত Retail তথা Web Applications বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হ'ব।

টেঙাখাতত অইল ইণ্ডিয়াৰ ইণ্টাৰমিডিয়েট

ঘটে। এই ঘটনাত নিহত কর্মচাৰীগৰাকীৰ নাম বাজু দত্ত। তেওঁ অইল ইণ্ডিয়া লিমিটেডৰ দ্বাৰা নিয়োজিত মুম্বাইস্থিত স্পেক্টেন ইঞ্জিনিয়াৰ্ছ প্ৰাইভেট লিমিটেডৰ কর্মচাৰী আছিল। ঘটনাত আহত হোৱা কর্মচাৰীসকল হৈছে তাপস গগৈ, শৈলেন গগৈ, কুমুদ গগৈ, গোলাপ দত্ত আৰু ইন্দ্ৰ গগৈ। আহত কর্মচাৰীসকলক ততাতৈয়াকৈ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু অইলৰ হাস্পতাললৈ লৈ যোৱা হয়। তেওঁলোকৰ ভিতৰত কেইবাজনো অৱস্থা সংকটজনক বুলি জনা গৈছে আৰু তেওঁলোক অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। অইল ইণ্ডিয়া লিমিটেডে জনোৱা মতে, বিস্ফোৰণৰ খবৰ পোৱাৰ লগে লগে তেওঁলোকৰ অগ্নিনিৰ্বাপক বাহিনীৰ লোকক তৎক্ষণাত নিয়োগ কৰা হয়। বর্তমান অগ্নিনির্বাপক বাহিনীৰ কেবাখনো বাহনে জুই নিৰ্বাপনৰ বাবে নিৰন্তৰ চেষ্টা অব্যাহত বাখিছে যদিও শেহতীয়া তথ্য অনুসৰি জুই সম্পূর্ণকপে নিয়ন্ত্ৰণলৈ অহা নাই। ইফালে, ঘটনাস্থলীৰ পথা স্থানীয় বাইডক নিবাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসনে পৰিস্থিতি সতৰ্কভাবে নিৰীক্ষণ কৰি আছে। বিস্ফোৰণৰ প্ৰচণ্ড শব্দত বৃহদ্ধৰ টেঙাখাত অঞ্চলত টান্ড আতংকৰ পৰিবেশ সৃষ্টি হোৱাৰ লগতে বহু পৰিয়ালে ঘৰ-বাৰী এৰি নিৰাপদ স্থানলৈ পলায়ন কৰে। উল্লেখ্য, প্ৰাথমিক পর্যায়ত স্পেক্টেন ইঞ্জিনিয়ার্ছ প্ৰাইভেট লিমিটেডৰ এৰিয়া মেনেজৰ কমল ফুকনে কৈছিল যে কাৰিকৰী কাম চলি থকাৰ সময়ত অগ্নিকাণ্ড সংঘটিত হয় আৰু প্ৰায় পাঁচজন লোক আহত হয়; তেওঁলোকক অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ আনা হয়। ইতিমধ্যে অসমৰ বিভিন্ন ঠাইৰ পৰা বহু লোক বন্দী হৈ থকাৰ সময়ত ঘটনাটো ঘটিছিল। পিছত অইল ইণ্ডিয়া লিমিটেড কর্তৃপক্ষই ৰাজ্য দপ্তৰ মৃত্যুৰ তথ্য লাভ কৰা নাই বুলি উল্লেখ কৰিছিল। পিছত অইল ইণ্ডিয়া লিমিটেড কর্তৃপক্ষই ৰাজ্য দপ্তৰ মৃত্যুৰ তথ্য নিশ্চিত কৰে। ঘটনাটোৰ সঠিক কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। কর্তৃপক্ষই বিস্ফোৰণৰ কাৰণ আৰু ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰীক্ষণ কৰাৰ বাবে তদন্ত আৰম্ভ কৰিছে।

SIRত বাদ পৰা ভোটাৰৰ তালিকা ভোটগ্ৰহণ

মহাৰাষ্ট্ৰ, নাগালেণ্ড, আন্দ্ৰ প্ৰদেশ, তেলেংগানা আৰু ৰাজস্থান অন্তর্ভুক্ত আছে। নিৰ্বাচন আয়োগৰ নির্দেশ অনুসৰি যিবোৰ ৰাজ্যত বর্তমান SIR চলি আছে, তাত খচৰা ভোটাৰ তালিকাৰ পৰা কর্তন কৰা ভোটাৰসকলক বিচাৰি উলিয়াবলৈ পুনৰ এবাৰ বিশেষ অনুধাবন চলোৱা হ'ব। এই অভিযানৰ অধীনত যিসকল ভোটাৰৰ নাম তালিকাৰ পৰা বাদ পৰিছে, বুথ লেভেল অফিচাৰ (BLO)সকলে পুনৰ এবাৰ তেওঁলোকৰ ঘৰলৈ গৈ তেওঁলোক সঁচকৈয়ে সেই একেঠা ঠিকানাতে বাস কৰি আছে নে নাই, তাৰ তদন্ত কৰিব লাগিব। ইয়াৰ উপৰি নিৰ্বাচন আয়োগে নির্দেশ দিছে যে কর্তন কৰা ভোটাৰসকলৰ তালিকা সংশ্লিষ্ট পোলিং বুথসমূহত আঁবি দিয়া হওক, যাতে ভোটাৰসকলে নিজৰ নাম প্ৰত্যক্ষ কৰি তাক পুনৰ অন্তর্ভুক্ত কৰাব পাৰে। এই উদ্দেশ্যে আয়োগে এখন ফৰ্মো মুকলি কৰিছে। আয়োগৰ মতে, এই বেহাই সেইসকল ভোটাৰৰ বাবে হ'ব, যিসকলৰ নিউমাবেচন ফৰ্ম প্ৰদান কৰা হৈছিল যদিও তাক পুনৰ সময়ত তেওঁলোকৰ অনুপস্থিতি, স্থানান্তৰিত, মৃত বা ডুপ্লিকেট হোৱাৰ সঠিক তথ্য নিশ্চিত কৰা নাই। নিৰ্বাচন আয়োগে সংশ্লিষ্ট বিষয়সকলক কৰা নজৰবাৰী বজাই বাখিবলৈও নির্দেশ দিছে। এই প্ৰক্ৰিয়াৰ মুখ্য উদ্দেশ্য হৈছে কোনো যোগ্য ভোটাৰ যাতে চূড়ান্ত ভোটাৰ তালিকাত অন্তর্ভুক্ত হোৱাৰ সুযোগৰ পৰা বঞ্চিত নহয় আৰু একে সময়তে কোনো ভুৱা বা ডুপ্লিকেট নাম তালিকাত সোমোৱাৰও বাধা দিব পৰা যায়। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বর্তমানলৈকে বিহাৰ আৰু পশ্চিম বংগত এবি ২০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত SIRৰ প্ৰক্ৰিয়া সামৰণি হৈছে। ভোটাৰ তালিকাৰ ক্ৰমাগত উন্নীতকৰণ (Continuous Update) প্ৰক্ৰিয়াক অধীনত বাদ পৰা ভোটাৰসকলৰ নাম অন্তর্ভুক্ত কৰিব পৰা যাব। নিৰ্বাচন আয়োগে সকলো মুখ্য নিৰ্বাচনী বিষয়া (CEO)ক এই প্ৰক্ৰিয়াত প্ৰয়োজনীয় সুবিধা প্ৰদান কৰিবলৈ নির্দেশ দিছে।

মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ প্ৰতিনিধি দলৰ

সৈতে জড়িত গুৰুত্বপূর্ণ বিষয়সমূহৰ ওপৰত সৌহার্দপূর্ণ আৰু বিস্তৃত আলোচনা কৰা হয়। আনহাতে, অনুসূচিত জাতি বাচঘৰ সমাজ কল্যাণ সমিতি, অসম প্ৰদেশৰ প্ৰতিনিধি দলৰ সৈতে অনুষ্ঠিত আনখন বৈঠকত অসমৰ বিভিন্ন জিলাত বসবাস কৰা বাচঘৰ সম্প্ৰদায়ৰ ছাত্ৰাই কর্মচাৰীসকলে সম্মুখীন হোৱা আৰ্থিক, সামাজিক আৰু শৈক্ষিক সমস্যাসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। তেওঁলোকৰ জীৱন-জীবিকাৰ মান উন্নয়ন, সামাজিক মর্যাদা সুনিশ্চিত কৰা আৰু বিভিন্ন সমস্যা সমাধানৰ বা

গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত "হাস্ৰ তিহাৰ" শীৰ্ষক নেপালী তিহাৰ গীতৰ আনুষ্ঠানিক উন্মোচন

গোৰ্খা সংস্কৃতিৰ প্ৰতি গহপুৰৰ জ্যেষ্ঠ সংগীত শিল্পী যাদৰ চলিহাৰ অকৃত্ৰিম সংগীত উপহাৰ

তিহাৰৰ পবিত্ৰ উপলক্ষত গহপুৰৰ পৰা সম্প্ৰীতি, ভাতৃত্ববোধ আৰু সাংস্কৃতিক সমন্বয়ৰ এক অনন্য বাৰ্তা

অসম বাৰ্তা, গহপুৰ, ৬ অক্টোবৰ ঃ সংগীতৰ কোনো সীমা নাথাকে। ভাষাই মানুহক পৃথক কৰিব পাৰে, কিন্তু সুৰে মানুহৰ হৃদয়ক এক কৰি তোলে। সেই সুৰবেই এক অপূৰ্ব সম্প্ৰীতিৰ সাঁকো গঢ়ি গহপুৰৰ পৰা গোৰ্খা সমাজটিলৈ এগৰাকী অসমীয়া শিল্পীৰ আগবঢ়োৱা মৰমৰ উপহাৰ- এটি নেপালী গীত। অসমীয়া আৰু গোৰ্খা জনগোষ্ঠীৰ মাজত যুগ যুগ ধৰি গঢ় লৈ উঠা আত্মীয়তা, ভাতৃত্ববোধ আৰু সাংস্কৃতিক সম্প্ৰীতিৰ এনাজৰীডাল অধিক সুদৃঢ় কৰাৰ এক আন্তৰিক প্ৰয়াস হিচাপে গহপুৰৰ জ্যেষ্ঠ সংগীত শিল্পী যাদৰ চলিহাই তিহাৰ উপলক্ষত সাধাৰণ সম্পাদক ডঃ পুতুল চন্দ্ৰ শইকীয়া, ৰাজ্যিক সভাপতি লীলা তিমতিনাৰ সন্মুখত আগবঢ়াইছে এই বিশেষ সংগীত নিবেদন। উল্লেখ্য যে গোৰ্খা জনগোষ্ঠীৰ অন্যতম প্ৰধান উৎসৱ "হাস্ৰ তিহাৰ"। পোহৰ, আনন্দ, পৰিয়াল, মৰম আৰু মিলনৰ এই উৎসৱৰ উপলক্ষত যাদৰ চলিহাৰ উদ্যোগত প্ৰস্তুত কৰা হৈছে এটি মনপৰশা নেপালী গীত। গীতটি কেবল সুৰ আৰু শব্দৰ সমাহাৰনহয়- ই যেন এক জনগোষ্ঠীৰ সংস্কৃতিৰ প্ৰতি আন এটা জনগোষ্ঠীৰ সন্মান, মৰম আৰু আপোনত্বৰ এক নিৰ্মল প্ৰকাশ। বাকৰী দলনীৰ হাতীবন্ধীয়া গাঁৱৰ সাধাৰণ মিলন বংগমঞ্চত, সাধাৰণ যুবক সংঘৰ উদ্যোগত আজি অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গীতটোক আনুষ্ঠানিক শুভ উন্মোচন কৰা হয়। গীতটোৰ কথা লিখিছে বিনোদ কণ্ডেল লোকসংস্কৃতিৰ সাধক কলাশ্ৰী বিনোদ খনালে। সেই উপলক্ষে বিশ্বনাথ জিলা লোকলীলা সাহিত্য সভাৰ সভাপতি লীলা তিমতিনাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত "হাস্ৰ তিহাৰ" শীৰ্ষক নেপালী তিহাৰ গীতটিৰ আনুষ্ঠানিক শুভ উন্মোচন কৰা হয়। গীতটি উন্মোচন কৰি কলাশ্ৰী বিনোদ খনালে কয় যে যাদৰ চলিহাই জীৱনৰ সুদীৰ্ঘ দিন সম্প্ৰতি আৰু সমন্বয়ৰ বাৰ্তা লৈ কাম কৰি আহিছে। যাদৰ চলিহা এগৰাকী এক জনশ্ৰুতিৰ ব্যক্তিনহয়। তেওঁক এটা অনুষ্ঠান বুলি ক'লেও ভুল কোৱা নহ'ব। ভাষণ প্ৰসংগত লীলা তিমতিনাই কয় যে ভাষা বেলেগ হ'ব পাৰে, কিন্তু হৃদয়ৰ ভাষা একে। এই সাঁচা উপলব্ধিকে সাৰোগত কৰিয়েই যেন যাদৰ চলিহাই সংগীতৰ জৰিয়তে ক'ই বিচাৰিছে- অসমীয়া আৰু গোৰ্খা সমাজৰ সম্পৰ্ক কেৱল পৰিচয়ৰ নহয়, এয়া এক পুৰণি আত্মীয়তাৰ সম্পৰ্ক। গীতটোক কথা লিখিছে বিনোদ আত্ৰয়ে। সুৰ আৰু সংগীত পৰিচালনাৰ দায়িত্বত আছে যাদৰ চলিহা। গীতটিত কণ্ঠদান কৰিছে যাদৰ চলিহা, সূর্য চলিহা আৰু বৰ্ষা সুনামে। সংগীত ব্যৱস্থাপনা জ্যেষ্ঠ সাংবাদিক তথা গীতিকাৰ ৰঞ্জন ৰবাৰ। তিনিগৰাকী কণ্ঠশিল্পীৰ সুমধুৰ কণ্ঠৰ সমাহাৰেৰে প্ৰস্তুত হোৱা এই গীতটোৱে তিহাৰৰ আনন্দ, উৎসৱৰ উজ্জ্বাসৰ লগতে অসমীয়া আৰু গোৰ্খা সমাজৰ মাজত থকা আন্তৰিক সম্পৰ্কৰ এক সুন্দৰ ছবি দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। যাদৰ চলিহাৰ এই প্ৰয়াসক কেৱল এটি গীতৰ সৃষ্টি বুলি ক'লে হয়তোকম কোৱা হ'ব। এয়া হৈছে এজন অসমীয়া শিল্পীৰ হৃদয়ৰ পৰা গোৰ্খা সংস্কৃতিৰ প্ৰতি আগবঢ়োৱা সন্মান আৰু মৰমৰ এক অকৃত্ৰিম উপহাৰ বুলি উল্লেখ কৰে অসম গোৰ্খা সম্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সাংস্কৃতিক আহ্বায়ক বহু বন্দেতে। তিহাৰৰ পোহৰত উজলি উঠক মৰমৰ সম্পৰ্ক, সংগীতৰ সুৰত মিলি যাওক দুটা হৃদয়, সাংস্কৃতিক আদান-প্ৰদানে সুদৃঢ় হওক সম্প্ৰীতিৰ এনাজৰী। গোৰ্খা সংস্কৃতিৰ প্ৰতি- এজন অসমীয়া শিল্পীৰ এয়া কেৱল এটি গীত নহয়, এয়া হৃদয়ৰ পৰা হৃদয়লৈ আগবঢ়োৱা এটি অকৃত্ৰিম সংগীত উপহাৰ এটি উজ্জ্বল প্ৰমাণ। গোৰ্খা সম্মিলনৰ সভাপতি নোমল বাছকোটী আৰু শিক্ষক বাজু গৌতমে। উক্ত অনুষ্ঠানত সংগীত শিল্পী যাদৰ চলিহাক লগতে সূর্য চালিহা, বিনোদ আত্ৰেয় আৰু বৰ্ষা সুনামক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

ভ' পুপুলীৰ উদ্যোগত ২৭ নৱেম্বৰৰ পৰা প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সোঁৱৰণী 'গোলাঘাট সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা-২০২৬'

উদুলি-মুদুলি পৰিৱেশত লাইখুঁটা স্থাপন



অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ গোলাঘাট, ৬ অক্টোবৰ ঃ অঞ্চলী স্বেচ্ছাসেবী সংগঠন 'ভ' পুপুলী'ৰ উদ্যোগত গোলাঘাট জিলা প্ৰশাসন, বিভিন্ন দল-সংগঠন, ৰাইজৰ সহযোগত অহা ২৭ নৱেম্বৰৰ পৰা ৬ ডিচেম্বৰ পৰ্যন্ত আনবাৰৰ দৰে এইবাৰো বিস্তৃত কাৰ্য-ক্ৰমেৰে গোলাঘাট সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা-২০২৬ অনুষ্ঠিত হ'ব। গোলাঘাট বিধানসভা সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী অজন্তা নেওগক সভাপতি, বিশিষ্ট সমাজকৰ্মী পূর্ণ বাজখোৱাক কাৰ্যকৰী সভাপতি, ভ' পুপুলীৰ অধ্যক্ষ অধ্যাপক ডঃ দেৱজিৎ ফুকনক মুখ্য সম্পাদক, পাৰ্থজ্যোতি বৰা, অংশুমান বৰুৱা আৰু বিশ্বজিৎ গগৈক সম্পাদক হিচাপে লৈ গঠন কৰা উদ্যোগন সমিতিয়ে প্ৰস্তুতি পূৰ্ণ গতিত অব্যাহত ৰাখিছে। গোলাঘাট নগৰৰ সমন্বয় ক্ষেত্ৰত আজি বিপুল সমাৰোশেৰে উদুলি-মুদুলি পৰিবেশত 'গোলাঘাট সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা -২০২৬'ৰ লাইখুঁটা স্থাপন কৰা হয়। মাংগলিক পৰ্বৰে 'লাইখুঁটা' স্থাপন কৰে গোলাঘাটৰ জিলা আয়ুক্ত বিশ্বজিৎ ফুকনে। এই উপলক্ষে উদযাপন সমিতিৰ সভাপতি পূর্ণ ৰাজখোৱাৰ পৌৰাহিত্যত আয়োজিত গাম্ভীৰ্যপূর্ণ অনুষ্ঠানত জিলা আয়ুক্ত বিশ্বজিৎ ফুকনে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়ে জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্পূর্ণ সহযোগিতাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। গোলাঘাট সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা -২০২৬ৰ বিভিন্ন কাৰ্যসূচীৰ সদ্দৰ্ভত বিস্তৃতভাবে আলোকপাত কৰে ভ' পপুলী সভাপতি তথা উদযাপন সমিতিৰ মুখ্য সম্পাদক আধ্যাপক ডঃ দেৱজিৎ ফুকনে। অনুষ্ঠানত প্ৰধান অতিথি বিশিষ্ট শিক্ষাবিদ, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি ডঃ পুতুল চন্দ্ৰ শইকীয়া, জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়বৰীয়া দিগন্ত কুমাৰ ভূঞা, গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক দুলাল চন্দ্ৰ দাস, গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সভাপতিনগেন বৰা, জেষ্ঠ সাংবাদিক অপূর্ব বল্লভ গোস্বামী, জ্যেষ্ঠ সাংবাদিক মোস্তাক ছুইন, গিৰীণ বৰা, গোলাঘাট জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক তথা সাংবাদিক চন্দন কৰ্মকাৰ, আদি বিভিন্ন দল-সংগঠন, আন্তৰ্জাতিক-প্ৰতিষ্ঠানৰ প্ৰতিনিধি, জেষ্ঠ নাগৰিক উপস্থিত থাকে। উল্লেখ্য যে গোলাঘাট জিলা ছাত্ৰ শিক্ষাবিদ ডঃ তৰালী গগৈ, তিলেশ্বৰ তামুলী, প্ৰাক্তন ছাত্ৰ নেতা যতীন বৰা, সদৌ তাই আহোম ছাত্ৰ সম্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক কৃষ্ণ বৰুৱা, সদৌ অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদৰ সম্পাদক নিপন গগৈ, বৃহত্তৰ অসমীয়া যুব মঞ্চ, গোলাঘাট জিলা সমিতিৰ সভাপতি পাৰ্থ তামুলী, সমাজকৰ্মী তনুজ কুমাৰ মহন্ত, মনোজ বৰুৱা, অৰুণ বৰা, অসম সাহিত্য সভাৰ জিলা প্ৰতিনিধি ডঃ যতীন নাথ, বিশিষ্ট শিক্ষাবিদ প্ৰদীপ গোগৈ, সদৌ চুতীয়া ছাত্ৰ সম্থা, গোলাঘাট জিলা সমিতিৰ সভাপতি পাপু চুতীয়া, গোলাঘাট জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক তথা সাংবাদিক চন্দন কৰ্মকাৰ, আদি বিভিন্ন দল-সংগঠন, আন্তৰ্জাতিক-প্ৰতিষ্ঠানৰ প্ৰতিনিধি, জেষ্ঠ নাগৰিক উপস্থিত থাকে। উল্লেখ্য যে গোলাঘাট জিলা ছাত্ৰ সম্থা, অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদ, গোলাঘাট প্ৰেছক্লাব, গোলাঘাট মিডিয়া ফ'ৰাম, প্ৰবীণ শিল্পী মঞ্চ, তাই আহোম ছাত্ৰ সম্থা, সাহিত্য সভা আদি ৫০টাৰো অধিক সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে গ্ৰন্থমেলা বাকৰিত বিভিন্ন বৌদ্ধিক অনুষ্ঠান, সাহিত্য অনুষ্ঠান, বিভিন্ন প্ৰতিযোগিতাৰ উদ্যোগ গ্ৰহণ কৰিছে। উক্ত গ্ৰন্থমেলাত অসমৰ বিভিন্ন গ্ৰন্থ বিপনী, গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰাৰ উপৰি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ বহুকেইটা আগশাৰীৰ গ্ৰন্থ প্ৰকাশক প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিব। গোলাঘাট সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত উদ্যোক্তা সংগঠন 'ভ' পপুলী আৰু উদযাপন সমিতিয়ে সৰ্বস্তৰৰ বাইজৰ সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আন্তৰিকতাৰে কামনা কৰিছে।

ভকতপাৰাক যক্ষ্মামুক্ত ভিচিডিচিৰ সন্মান প্ৰদান

নখ, চুলি, দাঁতৰ বাহিৰে শৰীৰৰ যিকোনো ঠাইতে যক্ষ্মা ৰোগ হয়

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টলো, ৬ অক্টোবৰ ঃ 'যক্ষ্মা এক মাৰাত্মক সৌঁতৰা ৰোগ। এই ৰোগ শৰীৰৰ নখ, চুলি, দাঁতৰ বাহিৰে মগজু, চাল, চকু, হাওঁফাওঁ, মহিলাৰ ব্ৰেষ্ট, যৌনাংগ, পাকস্থলী, বাজহাড়কে ধৰি যিকোনো ঠাইতে হ'ব পাৰে। পূৰ্বতে এই ৰোগৰ চিকিৎসা কৰোতে বহু টকা খৰচ হৈছিল যদিও বৰ্তমান ভাৰত চৰকাৰে ই য়াৰ পৰীক্ষা, ঔষধ পাতি বিনামূলীয়া কৰাৰ লগতে ঔষধ সেবন কৰি থকা অবস্থাত মাহে-মাহে এজেঞ্জাৰ টকাকৈ ৰোগীক প্ৰদান কৰে'- এই ভাষ্য ওদালগুৰি যক্ষ্মা চৰ্চাৰ জ্যেষ্ঠ চিকিৎসা পৰিবেক্ষক গণেশ দত্তৰ। কালি ওদালগুৰি জিলাৰ ভকতপাৰা ভিচিডিচিক যক্ষ্মামুক্ত ভিচিডিচিৰ প্ৰমাণ পত্ৰ প্ৰদান কৰি তেওঁ এই দৰে কয়। ভকতপাৰা ভিচিডিচিৰ সভাপতি নিকু কুমাৰ বড়োৱে সভাপতিত্বত দিনৰ ১১ বজাত হোৱা অনুষ্ঠানত বিজেপিৰ ওদালগুৰি জিলাৰ কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক মানবজ্যোতি চহৰীয়াই প্ৰথম বাৰৰ বাবে ভকতপাৰা ভিচিডিচি যক্ষ্মামুক্ত হোৱাত আনন্দ প্ৰকাশ কৰি কয় যে, এয়া আশাকৰ্মী আৰু স্বাস্থকৰ্মীৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলত সম্ভৱ হৈছে। তেওঁ লগতে আগন্তুক দিনতো এই সাফল্য ধাৰা উৰুৱাই থাকিবলৈ সকলোৱে সহযোগ কামনা কৰে। ভিচিডিচিৰ উপ-সভাপতি প্ৰাজ্ঞল ডেকা, শক্তি কেন্দ্ৰৰ আহ্বায়ক নৰ কুমাৰ ডেকা, আশা চুপাৰ ভাইজাৰ বীণা বড়ো, হৰিজা ডেকা ৰৰুৱা, এ.এন.এম. ডালিমী ডেকা, আশাকৰ্মী অনু ডেকা, ৰুণু শইকীয়া, মিথিংগী বড়ো, ৰাজীব ৰৰুৱা, টংকেশ্বৰ বড়ো, অপৰূপা বসুমতাৰী, জেচমিনা পাৰবিন, বুলবুলিনা মাৰাক, প্ৰকাশ মাৰাক, গোবৰ্ধন বড়ো, নৌচাদ আলী মণ্ডল, গৌমচাৰ বড়ো, চিমাংসা বড়ো, গণন বড়ো, মনোজ নাথ, অংকু ডেকা, সুমিত্ৰা মাৰাক, কবিতা বড়ো, জৰিণা বেগম, কানফুলি বড়ো আদি উপস্থিত থকা এই অনুষ্ঠান সকলোৱে যক্ষ্মামুক্ত ভাৰত গঢ়াৰ কামত সহযোগ কৰাৰ অঙ্গীকাৰ কৰে।

লখিমপুৰ জিলাৰ শিমলুগুৰিত অসম দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

অসম বাৰ্তা, বান্দৰদেৱা, ৬ অক্টোবৰ ঃ সচেতন যুব উন্নয়ন মঞ্চ অসমৰ উদ্যোগত আৰু লখিমপুৰ জিলাৰ শিমলুগুৰিবাইদৰ সহযোগত অসম দিৱস উদ্‌যাপন অহাদুইদিচপৰবৃহস্পতি শিমলুগুৰি বাইজৰ সহযোগত বিভিন্ন জাতি জনগোষ্ঠীৰ সম্প্ৰীতিৰ এনাজৰী ডাল শক্তিশালী কৰাৰ স্বাৰ্থত অসম দিৱস উদ্‌যাপন বাবে আজি আনুষ্ঠানিকভাবে এটা আন্তঃযী কাৰ্যালয় শুভাৰম্ভ কৰে। লগতে উক্ত তাঁৰিখত সচেতন যুব উন্নয়ন মঞ্চ অসমে ১৫ সংখ্যক প্ৰতিষ্ঠা দিৱসটি উদযাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

মঙলদৈত এছ.চি.চি.ৰ নৱম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ সফল সমাপ্তি; সুধাকণ্ঠকো স্মৰণ

অসম বাৰ্তা, মঙলদৈ, ৬ অক্টোবৰ ঃ মঙলদৈত সফলভাবে সম্পন্ন হয় বাজ্যিক পর্যায়ৰ শিক্ষামূলক ৱেচ্ছাসেৱী যুব ক্ৰীড়া অনুষ্ঠান ষ্টুডেণ্ট কেৰেট কৰ্পছ এছ চি চি, অসমৰ নৱম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস। এছ চি চি অসমৰ বাজ্যিক সমিতিৰ উদ্যোগত, জিলা সমিতিৰ সহযোগত আৰু দৰং জিলা সমিতিৰ আতিথ্যত মঙলদৈৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানতে একেলগে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ পঞ্চদশ মৃত্যু বাৰ্ষিকীও শ্ৰদ্ধাৰে উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৱজ্যোতি দাস। তেওঁৰ লগতে উপস্থিত থাকে খাৰুপেটীয়া পৌৰসভাৰ পৌৰপতি কৃষ্ণা সাহা, এছ চি চি বাজিক সভাপতি ছাবিৰ হুছেইন, বাজ্যিক মুখ্য উপদেষ্টা তথা বাষ্ট্ৰীয় পর্যায়ৰ নেতা ডঃ দিলু, উপ সভাপতি মুস্তাফা কামাল, ধীবেন নাথ শইকীয়া, সাধাৰণ সম্পাদক সঞ্জয় শর্মা, বাজিক সম্পাদক মৃণাল ক্ৰান্তি দাস, সাংস্কৃতিক বিভাগৰ মুখবী উৎপল দাস, শ্বেস ফৰিক আৰু বিভিন্ন জিলাৰ পৰা অহা এছ চি চি ৰ কেডেটসকল। প্ৰতিষ্ঠা দিৱসৰ দিনটোত বিভিন্ন ধৰণৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়। কেডেটসকলৰ দ্বাৰা পৰেড প্ৰদৰ্শন, সাংস্কৃতিক অনুষ্ঠান, ভূ পেন হাজৰিকাৰ গীত পৰিবেশন আৰু বঁটা বিতৰণী অনুষ্ঠানে সকলোৰে মন জয় কৰে। অনুষ্ঠানত বক্তাসকলে কয় যে, এছ চি চিয়ে যুব প্ৰজন্মক শৃংখলা, দেশপ্ৰেম আৰু সমাজ সেৱাৰ প্ৰতি উৎসাহিত কৰি আহিছে। আগন্তুক দিনত এই অনুষ্ঠানে আৰু অধিক শক্তিশালী ৰূপত সমাজৰ কাম কৰি যাব বুলি আশা প্ৰকাশ কৰে।"

মাজুলীত সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজৰ দুঘণ্টীয়া অৱস্থান ধৰ্মঘট

অসম বাৰ্তা, মাজুলী, ৬ অক্টোবৰ ঃ দীৰ্ঘদিনীয়া বঞ্চনা আৰু চৰকাৰৰ উদাসীনতাৰ বিৰুদ্ধে অৱশেষত ৰাজপথলৈ এলাহ আহিল প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজ। ৰাজ্যজুৰি ধাৰাবাহিক প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে ৫ নৱেম্বৰক তাৰিখে মাজুলীতো সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজৰ উদ্যোগত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মাজুলী জিলা প্ৰাথমিক শিক্ষা মিছনৰ সমন্বয়ক কাৰ্যালয়ৰ সম্মুখত ৰূপায়ণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত জিলাখনৰ বিভিন্ন প্ৰান্তৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণ কৰি চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি শিক্ষকসকলে সম্মুখীন হৈ অহা বিভিন্ন সমস্যা সমাধানৰ দাবীত সংগঠনটোৰে চৰকাৰৰ ওচৰত কেইবাটাও দাবী উত্থাপন কৰি আহিছে। ই য়াৰ ভিতৰত দৰমহাৰ বৈষম্য দূৰীকৰণ, শিক্ষকসকলক MACPS প্ৰদান, অৱসৰপ্ৰাপ্ত শিক্ষকসকলক গ্ৰেচুইটি আৰু টাৰ্মিনেল বেনিফিট প্ৰদান, প্ৰাথমিক শিক্ষকৰ পদোন্নতিত জ্যেষ্ঠতাৰ স্বীকৃতি, ছুটীৰ সমস্যা সমাধান, পেঞ্চন আৰু অন্যান্য অৱসৰকালীন সা-সুবিধা প্ৰদান আদি অন্যতম। প্ৰতিবাদকাৰী শিক্ষকসকলে অভিযোগ কৰে যে দীৰ্ঘদিন ধৰি চৰকাৰৰ ওচৰত দাবীসমূহ উত্থাপন কৰি আহাৰ পাছতো সমস্যাসমূহৰ আশানুৰূপ সমাধান হোৱা নাই। ফলত শিক্ষক সমাজ চৰম হতাশাৰ সম্মুখীন হ'বলগীয়া হৈছে। আনহাতে, প্ৰতিবাদী কাৰ্যসূচীৰ পাছতো দাবীসমূহ পূৰণ নহ'লে অহা ১৬ নৱেম্বৰক গুৱাহাটীৰ কাহিলীপাৰাস্থিত সমগ্ৰ শিক্ষা অসমৰ বাজ্যিক কাৰ্যালয়ৰ সম্মুখত গণতান্ত্ৰিকভাবে বৃহত্তৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ ওচৰাকৈ চেতাৱনী দিছে সংগঠনটোৱে।

বানপীড়িতক ৩ কোটি ৬০ লাখ টকাৰ সাহায্য প্ৰদান

নাজিৰাত জমিয়ত আৰু আনফৰ ফাউণ্ডেচনৰ উদ্যোগত অসমৰ বানপীড়িতৰ বাবে নগদ ধন আৰু অন্যান্য সাহায্য বিতৰণ সন্দৰ্ভত মুকলি সভা



অসম বাৰ্তা, নামতি, ৫ নৱেম্বৰ ঃ সৰ্বভাৰতীয় জমিয়ত উলেমাৰ সভাপতি চৈয়দ আবদাহ মদনীৰ উদ্যোগত আৰু অসম বাজিক জমিয়তৰ সভাপতি তথা আনফৰ ফাউণ্ডেচনৰ মুখ্য পৃষ্ঠপোষক মৌলানা মুস্তাক আনফৰ আৰু তেওঁৰ সহযোগী সকলে যোৱা ১৯ জুলাইৰ পৰা উজনি অসমত সৃষ্টি হোৱা প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত হোৱা ৰাইজৰ কাষত থিয় দি বানাক্ৰান্তৰ খাদ্য সামগ্ৰী আৰু নগদ ধন প্ৰদানকে ধৰি বৃহৎ পৰিমাণৰ বান সাহায্য প্ৰদান কৰাৰ পিছত ৫ নৱেম্বৰত নাজিৰাৰ এম-চি ক্লাবত বানপীড়িত লোকৰ মাজত অনুষ্ঠিত হোৱা এক মুকলি সভাত মৌলানা মুস্তাক আনফৰে উজনি ৰাইজৰ বিপদ আপদত সদায় লগত থাকিব বুলি কয়। উল্লেখ্য যে যোৱা ১২ আগষ্টত মুস্তাক আনফৰে অসম বাজিক জমিয়ত আৰু আনফৰ ফাউণ্ডেচনৰ বিষয়বৰীয়াসহ বানাক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি নাজিৰাৰ এম-চি ক্লাবত ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকৰ সমস্যাৰ বুজ লৈ বানৰ ভয়াবহতাত সর্বস্বান্ত হোৱা পৰিয়ালসমূহৰ কাষত থিয় দিয়াটো সাম্প্ৰতিক সময়ৰ এক মানবীয় দায়িত্ব বুলি তেওঁ উল্লেখ কৰি এইক্ষেত্ৰত ৰাইজক জাতি ধর্ম নিৰ্বিশেষে সহায় কৰাৰ বাবে জমিয়তৰ কেন্দ্ৰীয় সভাপতি মৌলানা চৈয়দ আবদাহ মদনীয়ে এক কোটি টকা আগবঢ়োৱাৰ লগতে অসম বাজিক জমিয়ত আৰু আনফৰ ফাউণ্ডেচনে এক কোটি পচিশ লাখ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰিছিল। উল্লেখযোগ্য যে, উজনি অসমৰ এই ভয়ংকৰ বানত বিপর্যস্ত ৰাইজক সকাহ প্ৰদানৰ বাবে যোৱা ২৯ জুলাইৰ পৰা অসম বাজিক জমিয়ত আৰু আনফৰ ফাউণ্ডেচনে উজনি অসমৰ বানবিধ্বস্ত অঞ্চলৰ ৰাইজৰ মাজত প্ৰায় ত্ৰিশ লাখ টকাৰ খাদ্য সামগ্ৰী বিতৰণ কৰিছিল। ৫ নৱেম্বৰৰ নাজিৰাৰ এম চি ক্লাবত প্ৰায় পাঁচ শতাধিক লোকৰ উপস্থিতিত বিশিষ্ট সমাজকৰ্মী তথা অধিবক্তা মহেন্দ্ৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত এক সভাত ভাষণ দি মৌলানা মুস্তাক আনফৰে উজনি অসমৰ প্ৰায় চাৰে চাৰিবাজাৰ বান বিধ্বস্ত লোকৰ ঘৰৰ পুনৰ নির্মাণৰ বাবে ৩ কোটি ৬০ লাখ টকাৰ বান সাহায্য প্ৰদান কৰাৰ কথা ঘোষণা কৰাৰ লগতে উক্ত ধন প্ৰদান কৰাৰ প্ৰক্রিয়া ইতিমধ্যে আৰম্ভ কৰাৰ উপৰিও মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২০ লাখ টকা প্ৰদান কৰাৰ কথাও কয়। সমাজকৰ্মী বাচিয়া আহমেদে উদ্দেশ্য ব্যাখ্যা কৰা আৰু জ্যেষ্ঠ সাংবাদিক চৈয়দ খাইকল হাচানে শুভেচ্ছামূলক বক্তব্যবে আৰম্ভ কৰা এই সভাত অসম জমিয়ত উজনি অসমৰ ত্তাৱধায়ক বিজু মনি হাজৰিকা, মুফতি মুজাহিদুল ইছলাম, আনফৰ ফাউণ্ডেচনৰ সদস্য চফিকুল হক, মহম্মদ ছইদুল বাৰী, অধিবক্তা দিলীপ হাজৰিকা, সমাজকৰ্মী আবুল কালাম শাহ আৰু ইমৰাণ হুছেইনকে ধৰি বহু সংখ্যক লোক উপস্থিত থাকে।

ষষ্ঠ বাৰ্ষিক মঙলদৈ গ্ৰন্থমেলা-২০২৬ৰ প্ৰস্তুতিৰ বাবে ১২ নৱেম্বৰত সাধাৰণ সভা

উপস্থিত থাকিব সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী নীলিমা দেৱী

অসম বাৰ্তা, মঙলদৈ, ৬ অক্টোবৰ ঃ মঙলদৈ প্ৰেছ ক্লাবৰ উদ্যোগত আৰু পাৰ্টিচাৰ্চ এণ্ড বুক ছেলাৰ্চ গিল্ড, নৰ্থ-ইষ্ট লগতে মঙলদৈবাসীৰ সহযোগত অহা ১৩ ডিচেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ মঙলদৈৰ গান্ধী ময়দানত ষষ্ঠ বাৰ্ষিক মঙলদৈ গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। বিগত বৰ্ষবোৰৰ সাফল্যৰ পাছত এইবাৰো গ্ৰন্থমেলাখন অধিক বৃহৎ পৰিসৰত আয়োজন কৰাৰ প্ৰস্তুতি চলিছে। গ্ৰন্থমেলাখনৰ সৰ্বাংগীণ সাফল্যৰ বাবে অহা ১২ নৱেম্বৰৰ বিয়লি ৫ বজাত মঙলদৈ বুধ প্ৰেছ প্ৰাংগণত এখন সাধাৰণ সভা আহ্বান কৰা হৈছে। উক্ত সভাত গ্ৰন্থমেলা গ্ৰন্থ আয়োজক সমিতিৰ সভাপতি তথা দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া আৰু স্থানীয় বিধায়কা তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী নীলিমা দেৱী উপস্থিত থাকিব। সভাত গ্ৰন্থমেলাৰ আয়োজন, প্ৰদৰ্শনী, সাংস্কৃতিক কাৰ্যসূচীকে ধৰি বিভিন্ন দিশত বিস্তৃত আলোচনা কৰা হ'ব। বিগত পাঁচ বছৰত মঙলদৈত গ্ৰন্থমেলাই পাঠক সমাজৰ মাজত যথেষ্ট সঁহাৰি লাভ কৰিছে। স্থানীয় লেখক-সাহিত্যিক আৰু প্ৰকাশকসকলক এক মঞ্চ প্ৰদান কৰাৰ লগতে নতুন প্ৰজন্মৰ মাজত গ্ৰন্থ পঢ়াৰ প্ৰবণতা বৃদ্ধি কৰাত এই মেলাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। গ্ৰন্থমেলাখন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে গ্ৰন্থমেলা আয়োজক সমিতিৰ কাৰ্যকৰী সভাপতি বাজেন্দ্ৰ নাথ হাজৰিকা, সাধাৰণ সম্পাদক মুকুট ৰঞ্জন শর্মা আৰু বাজীব কুমাৰ ডেকাৰ লগতে মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি হেমেন কাকতি আৰু সাধাৰণ সম্পাদক লক

বগীনদীত বছৰ বছৰ ধৰি একেটা কার্যালয়তে বাহৰ পাতি থকা কর্মচাৰীক বদলিৰ দাবী

অসম বার্তা, লখিমপুৰ বিশেষ, ৫ নৱেম্বৰ ঃ লখিমপুৰ জিলাৰ বগীনদী ব্লকৰ অন্তর্গত বিভিন্ন চৰকাৰী কার্যালয়ত বহুদিন বহুৰ ধৰি একেটা আসনতে অথবা কার্যালয়তে চাকৰি কৰি থকা কর্মচাৰীসকলক অন্য জিলালৈ বদলি কৰাটো এতিয়া সময়ৰ দাবী হৈ পৰিছে। দীর্ঘদিন ধৰি একেটা স্থানতে থাকি কর্মচাৰীসকলৰ একাংশই নিজৰ প্রভাব খটুৱাই বিভিন্ন অনিয়মত লিপ্ত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। স্থানীয় সচেতন মহলৰ অভিযোগ অনুসৰি, বগীনদী উন্নয়ন খণ্ড কার্যালয়, কদম বাজহ চত্র কার্যালয়, শিক্ষা খণ্ড কার্যালয়, চাউলবোৱা ক্ষুদ্র প্রাথমিক স্বাস্থ্য কেন্দ্র, চাউলবোৱাৰ এছ আই পি আৰ ডি কার্যালয়, বিভিন্ন পঞ্চায়ত কার্যালয়, পশু চিকিৎসালয়, বগীনদী মণ্ডলে চিকিৎসালয়, বগীনদী বিদ্যুৎ উপ-সংমণ্ডল কার্যালয়, সমবায় কার্যালয়, কৃষি বিভাগৰ কার্যালয়, বিভিন্ন বিদ্যালয়কে ধৰি বহু কার্যালয়ত বহুদিন ধৰি বিভিন্ন পদত কর্মচাৰীয়ে চাকৰি কৰি আছে তথা বহু কর্মচাৰীয়ে কার্যালয়তো বাদেই লখিমপুৰ জিলাৰ বাহিৰলৈ বদলিয়েই হোৱা নাই। ফলত কার্যালয়সমূহত একপ্রকাৰৰ স্থবিৰতা আহিছে আৰু নতুন চিন্তা, নতুন কর্মসংস্কৃতি গঢ় লৈ উঠাত বাধাৰ সৃষ্টি হৈছে। দীর্ঘদিনীয়া বাহৰৰ ফলত চৰকাৰৰ বহু স্থায়ী-অস্থায়ী কর্মচাৰী আৰু স্থানীয় দালাল চক্রৰ মাজত গোপন বুজাপৰা গঢ় লৈ উঠে বুলি অভিযোগ কৰিছে বাহী'ল। বিশেষকৈ ভূমি সংক্রান্তিয় কাম, চৰকাৰী আঁচনিৰ হিতাধিকাৰী নির্বাচন, জবকার্ড এৰা মুকলি আদি ক্ষেত্রত সাধাৰণ বাহীজে হাৰাশাস্তিৰ সম্মুখীন হ'বলগীয়া হৈছে। "একেজন মানুহৰহে বহুদিন ধৰি থাকিলে কার্যালয়টো নিজৰ ঘৰ যেন লাগে। তেতিয়া নিয়মতকৈ সম্পর্কহে ডাঙৰ হৈ পৰে" এগৰাকী সচেতন নাগৰিকে মন্তব্য কৰে। চৰকাৰী নীতি অনুসৰি সাধাৰণতে তিনিবছৰৰ মূৰে-মূৰে কর্মচাৰীক বদলি কৰাৰ নিয়ম আছে। কিন্তু বগীনদী অঞ্চলত এই নিয়ম বহুক্ষেত্রত কার্যকৰী নোহোৱাত ক্ষোভ বৃদ্ধি পাই ছে। বহু কর্মচাৰীয়ে বিষয়সমূহৰ একপ্রকাৰৰ স্থবিৰতা আহিছে আৰু নতুন চিন্তা, নতুন কর্মসংস্কৃতি গঢ় লৈ উঠাত বাধাৰ সৃষ্টি হৈছে। দীর্ঘদিনীয়া বাহৰৰ ফলত চৰকাৰৰ বহু স্থায়ী-অস্থায়ী কর্মচাৰী আৰু স্থানীয় দালাল চক্রৰ মাজত গোপন বুজাপৰা গঢ় লৈ উঠে বুলি অভিযোগ কৰিছে বাহী'জে